www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

যিসকলে অনুভৱ কৰে তেওঁৰ বাবে জীৱনটো ট্ৰেজেডি আৰু যিসকলে ভাৱে তেওঁলাকেৰ বাবে কমেডী। - লা. ব্ৰুয়েৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ | সংখ্যা- ৩৪০ | দেওবাৰ | ১৮ অক্টোবৰ, ২০২৬ চন | Volume/Year- I | Issue- 340 | Saturday | 18th October, 2026 | Asom Barta, Majuli | PRGI Reg. No.- ASASS/25/A2361 | Price- Rs. 10 | Total Page-8

## কলকাতাত দুৰ্গা পূজা মণ্ডপ ভাঙি ১৭ গৰাকীৰ মৃত্যু

**সপ্তমীৰ সন্ধিয়া জনসমাগমৰ সময়তেই শোকাৱহ ঘটনা**



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** কলকাতাৰ চোৰবাগান সৰ্বজনীন দুৰ্গা পূজা মণ্ডপত সপ্তমীৰ সন্ধিয়া জনসমাগমৰ বাবে মণ্ডপৰ এটা অংশ ভাঙি পৰাৰ পৰিণতিত এক শোকাৱহ ৬ পৃষ্ঠাত

**চাৰচিম-প্ৰিচেক গণহত্যাৰ ২১ বছৰত কাৰ্বি লোকৰ স্মৃতিত মুখ্যমন্ত্ৰীৰ গভীৰ শ্ৰদ্ধাঞ্জলি**

## ২০০৫ চনৰ ১৭ অক্টোবৰৰ দিনটো অসমৰ ইতিহাসৰ এক অতি কৰুণ আৰু ক'লা অধ্যায় ঃ মুখ্যমন্ত্ৰী

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ ঃ** ২০০৫ চনৰ ১৭ অক্টোবৰত পশ্চিম কাৰ্বি আংলং জিলাৰ চাৰচিম-প্ৰিচেকত সংঘটিত হোৱা বৰ্বৰ হত্যাকাণ্ড অসমৰ ইতিহাসৰ এক কৰুণ আৰু কলংকিত অধ্যায় হিচাপে চিহ্নিত হৈ আছে। কাৰ্বি আৰু ডিমাচা জনগোষ্ঠীৰ মাজত ৬ পৃষ্ঠাত

**■ শাৰদীয় দুৰ্গোৎসৱৰ উছাহৰ মাজতেই কঙালীৰ প্ৰস্তুতি ■**

# আজি অসমীয়া গ্ৰাম্য জীৱনৰ হেঁপাহৰ কাতি বিহু

**নিউজ ডেস্ক, অসম বাৰ্তা, ৰজ্জ্ব অক্টোবৰ ঃ** আজি অসমীয়া সংস্কৃতি আৰু কৃষিজীৱী লোকজীৱনৰ স্বকীয় আৰু আধ্যাত্মিক পৰম্পৰা কাতি বিহু অৰ্থাৎ কঙালী বিহু সমগ্ৰ ৰাজ্যজুৰি গভীৰ নিষ্ঠা আৰু শৃংখলাবদ্ধভাৱে পালন কৰা হ'ব। আহাৰ আৰু শাওণ মাহত কৃষকসকলে ৰ'দে-বৰষুণে একাকাৰ কৰি পথাৰত ৰোপণ কৰা ধান গছবোৰ এই সময়ছোৱাত সেউজীয়া হৈ ঠন ধৰি উঠে। একে সময়তে পূৰ্বৰ খেতিৰ শস্য অন্ত পৰাৰ বাবে গাঁৱৰ অধিকাংশ খেতিয়ক পৰিয়ালৰ ভঁৰাল এই ক্ষণত উদং হৈ পৰে। এনে অভাৱ-অনাতন আৰু অভাৱনীয় পৰিস্থিতিৰ মাজতো অনাগত দিনৰ সমৃদ্ধিৰ আশাৰে পৰিপূৰ্ণ এই বিহু অসমীয়া সমাজে স্বভাৱসুলভ সংযমেৰে উদযাপন কৰে, যাৰ বাবেই ইয়াক কঙালী বিহু বুলি আখ্যা দিয়া হয়। কাতি বিহুৰ সমগ্ৰ নীতি-নিয়ম মূলত শস্যৰ সুৰক্ষা, ধান্য সম্পদৰ শ্ৰীবৃদ্ধি আৰু পৰিয়ালৰ সৰ্বাংগীণ কল্যাণৰ সৈতে জড়িত। বিহুৰ দিনা প্ৰত্যেক অসমীয়া পৰিয়ালে পুৱাৰ পৰাই ঘৰ-দুৱাৰ ৬ পৃষ্ঠাত



## দুৰ্গা পূজাৰ মাজতে গোলাঘাটৰ তিনিটা স্থানত উচ্ছেদ

**গেলাজানত উচ্ছেদিত আৰু নগাৰ মাজত ভূমি ক্ৰয়ক লৈ বাকবিতণ্ডা**



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** ৰাজ্যজুৰি দুৰ্গা পূজাৰ উৎসাহৰ মাজতে অসম-নাগালেণ্ড সীমান্তত উচ্ছেদ অভিযানক লৈ পুনৰ উত্তেজনাৰ সৃষ্টি হৈছে। শনিবাৰে ৰাতিপুৱাৰে পৰা গোলাঘাট জিলাৰ তিনিটা স্থানত বন বিভাগ, আৰক্ষী আৰু জিলা প্ৰশাসনে যৌথভাৱে উচ্ছেদ অভিযান চলায়। ইয়াৰে উৰিয়ামঘাটৰ দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চলৰ অধীনৰ গেলাজানত ১২টা ৬ পৃষ্ঠাত

**দুগোৎসৱ বিহীন মাজুলীত কাতি বিহুৰ ব্যাপক প্ৰস্তুতি**

## আজি ৩৭৩ বছৰীয়া পৰম্পৰাৰে আউনীআটী সত্ৰত প্ৰজ্বলিত হ'ব ২১ যোৰা আকাশ বন্তি

**অসম বাৰ্তা, উজনী মাজুলী ১৭ অক্টোবৰ ঃ** কাইলৈ ৰাজ্যবাসীয়ে পালন কৰিব অসমীয়াৰ বাপতিসাহোন কাতি বিহু। ৰাজ্যৰ লগতে দুৰ্গোৎসৱ বিহীন মাজুলীতো কাতি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। মাজুলীৰ আউনীআটী সত্ৰ, দক্ষিণপাট সত্ৰ, গড়মূৰ সত্ৰত ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি কাইলৈ প্ৰজ্বলন কৰিব আকাশ বন্তি। ঐতিহাসিক আউনীআটী সত্ৰত ৩৭৩ বছৰীয়া পৰম্পৰাৰে ৬ পৃষ্ঠাত



**৫২৫ বিঘা ভূমিত চলিল উচ্ছেদ ১৫২টা পৰিয়ালৰ মাজত হাহাকাৰ**

## ডবকাৰ যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চলত পুনৰ চলিল উচ্ছেদ অভিযান



**অসম বাৰ্তা, ডবকা, ১৭ অক্টোবৰ ঃ** দুৰ্গাপূজাৰ আনন্দ-উল্লাসৰ মাজতে ৰাজ্যত পুনৰ আৰম্ভ হৈছে উচ্ছেদ অভিযান। এইবাৰ হোজাই জিলাৰ ডবকাৰ যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চলত উচ্ছেদ অভিযান চলাইছে জিলা প্ৰশাসন আৰু বন বিভাগে। শনিবাৰে পুৱাৰে পৰা প্ৰায় ৫২৫ বিঘা ভূমি সামৰি চলোৱা এই উচ্ছেদ অভিযানক কেন্দ্ৰ কৰি অঞ্চলটোত ৬ পৃষ্ঠাত

**২৫ অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ খালী থাকিব ৰামলীলা মৈদান**

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত কংগ্ৰেছৰ প্ৰতিবাদলৈ আৰক্ষীৰ অনুমতি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** দেশৰ মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগ আৰু এছআইআৰ প্ৰক্ৰিয়া বন্ধ কৰাৰ দাবীত কংগ্ৰেছে দিল্লীত পুনৰ বৃহৎ প্ৰতিবাদী সমাৰেশ কৰিব। এই সমাৰেশৰ বাবে আৰক্ষী প্ৰশাসনে কংগ্ৰেছক ৰামলীলা মৈদানত প্ৰতিবাদ কৰিবলৈ অনুমতি প্ৰদান কৰিছে। দিল্লী ৬ পৃষ্ঠাত



**"অহংকাৰ ত্যাগ কৰি জ্ঞানেশ কুমাৰৰ পদত্যাগ বিচাৰক বিজেপিয়ে"**

## AISA নেত্ৰী নেহা বৰাক মুকলি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত যুৱপ্ৰজন্মই চলোৱা প্ৰতিবাদ অব্যাহত আছে। এই প্ৰতিবাদৰ অংশ হিচাপে শুকুৰবাৰে সৰ্বভাৰতীয় ছাত্ৰ সন্থা (AISA)ৰ ৰাষ্ট্ৰীয় সভানেত্ৰী নেহা বৰাই সমৰ্থকসকলৰ সৈতে মাণ্ডি হাউছৰ পৰা এক প্ৰতিবাদী সমদল উলিয়াইছিল। নিৰ্বাচন আয়োগৰ কাৰ্যালয়লৈ সমদল আগবাঢ়ি যোৱাৰ সময়তে দিল্লী ৬ পৃষ্ঠাত



**অসমৰ উদ্যোগ জগতত শোকৰ ছাঁ, মুখ্যমন্ত্ৰীৰ লগতে বিভিন্নজনৰ শোক**

## ভীম ভিটা'ৰ স্ৰষ্টা ইন্দুকল্প ভৰালীৰ দেহাৱসান



**অসম বাৰ্তা, উজনী মাজুলী, ১৭ অক্টোবৰ ঃ** মাজুলীৰ থলুৱা সম্পদৰ সদ্ব্যৱহাৰ, স্বাৱলম্বিতাৰ চিন্তা আৰু উদ্ভাৱনীমূলক কৰ্মস্পৃহাৰে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা যুৱ উদ্যোগী ইন্দুকল্প ভৰালীৰ অকাল বিয়োগত মাজুলীত গভীৰ শোকৰ ছাঁ পৰিছে। ৫৪ বছৰ বয়সত যোৱা ১৬ অক্টোবৰৰ নিশা ৰৰ বাজি ৪৮ মিনিটত মাজুলীৰ নিজা বাসগৃহত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। কিছুদিন পূৰ্বে দিল্লীত মগজুৰ অস্ত্ৰোপচাৰ সম্পন্ন হোৱাৰ পাছৰে পৰা তেওঁৰ স্বাস্থ্যৰ ক্ৰমে ৬ পৃষ্ঠাত

## ভাৰতীয় ন্যায় সংহিতা ৰূপায়ণত অসম দেশৰ ভিতৰতে শীৰ্ষত ঃ মুখ্যমন্ত্ৰী

**কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ NCLI ডেছব'ৰ্ডৰ তথ্যৰ ভিত্তিত মুখ্যমন্ত্ৰীৰ পোষ্ট**

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ ঃ** ভাৰতীয় ন্যায় সংহিতা শচ্‌টুত্ত্বত্ৰগ্ন ৰূপায়ণৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নেচনেল ক্ৰাইম এণ্ড ক্ৰিমিনেল ইণ্টেলিজেন্স ছিষ্টেম (NCLI)ৰ ডেছব'ৰ্ডত প্ৰকাশ পোৱা তথ্যৰ ভিত্তিত এই দাবী কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। ১৭ অক্টোবৰত সামাজিক মাধ্যমযোগে তেওঁ এই কথা প্ৰকাশ কৰে। এক্সত কৰা পোষ্টত মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে অপৰাধৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত অসম চৰকাৰ কঠোৰ। অপৰাধীৰ বিৰুদ্ধে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰাৰ লগতে প্ৰতিগৰাকী নাগৰিকৰ সুৰক্ষাক বিশেষ গুৰুত্ব ৬ পৃষ্ঠাত




**ৰিলায়েন্সৰ প্ৰত্যুত্তৰক লৈ মাস্ক-আম্বাণী বিতৰ্ক অব্যাহত**

## ভাৰতত মুকলিৰ বাবে সাজু ষ্টাৰলিংক সেৱা

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** ভাৰতত ষ্টাৰলিংকৰ ছেটেলাইটভিত্তিক ইণ্টাৰনেট সেৱা আৰম্ভ কৰাৰ বিষয়ক লৈ স্পেচএক্সৰ প্ৰতিষ্ঠাপক ইলন মাস্ক আৰু ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজৰ অধ্যক্ষ মুকেশ আম্বাণীৰ মাজত চলি থকা বিতৰ্ক আৰু বাকযুদ্ধ অব্যাহত আছে। ভাৰতত ষ্টাৰলিংকৰ সেৱা আৰম্ভ কৰাত পলম হোৱাৰ বাবে মুকেশ আম্বাণীক জগৰীয়া কৰি মাস্কে অভিযোগ উত্থাপন কৰাৰ পিছতে ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজ লিমিটেডে ইয়াৰ প্ৰত্যুত্তৰ দিছে। ইফালে ৬ পৃষ্ঠাত



**বিশেষ কাৰ্যবাহী দণ্ডাধীশৰ সন্মুখত বণ্ডত স্বাক্ষৰ কৰি মুকলি**

## শান্তি ভংগৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা অভিজিৎ দীপকেৰ চৰ্তসাপেক্ষে জামিনত মুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** শান্তি ভংগৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা ককৰোচ জনতা পাৰ্টিৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে চৰ্তসাপেক্ষে জামিন লাভ কৰিছে। কিছুসময় পূৰ্বে তেওঁ বণ্ডত স্বাক্ষৰ কৰাৰ পিছতে আৰক্ষীয়ে তেওঁক ৬ পৃষ্ঠাত



**অখিল গগৈৰ আহ্বানত জুবিন ক্ষেত্ৰত একত্ৰিত সংগঠনৰ নেতা, শিল্পী, সমাজকৰ্মী আৰু ৰাইজ**

## তথ্য প্ৰমাণৰ নামত একোৱেই নাছিল চাৰ্জশ্বীটত ঃ অখিল



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** জুবিন হত্যা গোচৰত অভিযুক্তসকলে জামিন লাভ কৰাৰ পিছত ৰাজ্যজুৰি সৃষ্টি হোৱা প্ৰতিক্ৰিয়া আৰু চলি থকা ন্যায়িক প্ৰক্ৰিয়াৰ সন্দৰ্ভত আজি জুবিনক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। সংবাদমেলত তেওঁ এই সংগ্ৰাম কোনো বিশেষ ৰাজনৈতিক দলৰ দলীয় স্বাৰ্থৰ নহয়, বৰঞ্চ ৰাইজৰ ন্যায়প্ৰাপ্তিৰ সংগ্ৰামহে বুলি স্পষ্ট কৰি দিয়ে। অখিল গগৈয়ে উল্লেখ কৰে যে সমগ্ৰ বিষয়টো সঠিকভাৱে তদাৰক আৰু পৰিচালনা কৰাৰ বাবে দুটা সুকীয়া কামৰ দায়িত্ব দি এখন বিশেষ কমিটি গঠন কৰা হৈছে। ইয়াৰ উপৰি গোচৰটোৰ আইনী দিশসমূহ খতিয়ান মাৰি চাবলৈ অতি শীঘ্ৰেই আন এখন আইনী কমিটি গঠন কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ন্যায়িক প্ৰক্ৰিয়াটো অধিক শক্তিশালী কৰিবলৈ এটা অভিজ্ঞ ৰাজহুৱা অধিবক্তাৰ দল নিয়োগ কৰাৰ চেষ্টা ৬ পৃষ্ঠাত

**সন্দীপন গাৰ্গ, অমৃতপ্ৰভা মহন্তৰ জামিনৰ পিছতেই গৰিমা শইকীয়া গাৰ্গৰ প্ৰতিক্ৰিয়া**

## "গোটেই ৰাজ্যখন অসুৰকেইটাৰ বিপক্ষে থিয় হৈছে"

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** জুবিন গাৰ্গৰ মৃত্যু সম্পৰ্কীয় গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্ত আৰু সন্দীপন গাৰ্গে ক্ৰমে জামিন লাভ কৰাৰ পিছতে সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে গৰিমা শইকীয়া গাৰ্গে। ৯ অক্টোবৰত গুৱাহাটী উচ্চন্যায়ালয়ে অমৃতপ্ৰভা মহন্তৰ জামিন মঞ্জুৰ কৰে। ইয়াৰ পিছত সন্দীপন গাৰ্গেও জামিন লাভ কৰে। এই ঘটনাৰ পিছতে নেটিজেনসকলে সামাজিক মাধ্যমত বিভিন্ন ধৰণে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি থকা দেখা গৈছে। জামিনৰ খবৰ প্ৰকাশ পোৱাৰ পিছতে গৰিমা শইকীয়া গাৰ্গে সামাজিক মাধ্যমত একাধিক পোষ্ট কৰি জুবিন গাৰ্গৰ বাবে ন্যায়ৰ দাবী আগবঢ়ায়। তেওঁ লিখিছে - "জুবিনৰ বাবে হোৱা প্ৰতিখন ন্যায়ৰ যুঁজত আমাৰ পূৰ্ণ সমৰ্থন ৬ পৃষ্ঠাত



**বড়ো ভাষাৰ সংৰক্ষণ, প্ৰসাৰ আৰু সমৃদ্ধিৰ প্ৰতি চৰকাৰ দৃঢ় প্ৰতিশ্ৰুতিবদ্ধ ঃ মুখ্যমন্ত্ৰী**

## বড়ো ভাষা আঁতৰোৱাৰ বাতৰি ভিত্তিহীন; বিধানসভাৰ স্পষ্টীকৰণ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** অসম বিধানসভাৰ ফলকসমূহৰ পৰা বড়ো ভাষা আঁতৰাই দিয়া হৈছে বুলি সম্প্ৰতি প্ৰকাশ পোৱা বাতৰিটোৰ সন্দৰ্ভত ৰাজ্যত নতুন বিতৰ্কৰ সূত্ৰপাত হৈছে। এই বিষয়ত সংযুক্ত বড়ো গণ মঞ্চই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰীৰ হস্তক্ষেপৰ দাবী জনোৱাৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ইয়াৰ পৰৱৰ্তী সময়ত অসম বিধানসভা কৰ্তৃপক্ষই প্ৰেছ বিজ্ঞপ্তি জাৰি কৰি স্পষ্ট কৰে যে বিধানসভা ভৱনৰ পৰা বড়ো ভাষা আঁতৰোৱাৰ কোনো সিদ্ধান্ত বা পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। সংযুক্ত বড়ো গণ মঞ্চই শুকুৰবাৰে বিষয়টোত প্ৰতিক্ৰিয়া ব্যক্ত কৰি অভিযোগ কৰিছিল যে অসম বিধানসভাৰ ফলকসমূহৰ পৰা বড়ো ভাষা আঁতৰাই দিয়া হৈছে। সংগঠনটোৱে এই কাৰ্যক দুৰ্ভাগ্যজনক আখ্যা দি মুখ্যমন্ত্ৰীৰ জৰিয়তে হস্তক্ষেপ বিচাৰিছিল। এই দাবীৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্ৰী ৬ পৃষ্ঠাত

**তিনি বছৰৰ বিৰতিৰ পিছত ভাৰতত আইপিএল নিলাম**

## ১৬ ডিচেম্বৰত গোৱাত আইপিএল ২০২৭ৰ মিনি নিলাম

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** আইপিএল ২০২৭ৰ প্ৰস্তুতি সম্পৰ্কে এক গুৰুত্বপূৰ্ণ খবৰ পোহৰলৈ আহিছে। পৰৱৰ্তী ছিজনৰ বাবে খেলুৱৈ ক্ৰয়ৰ লক্ষ্যৰে অনুষ্ঠিত হ'বলগীয়া মিনি নিলামৰ স্থান আৰু তাৰিখ চূড়ান্ত হোৱা বুলি প্ৰকাশ পাইছে। এইবাৰ বিদেশৰ পৰিৱৰ্তে ভাৰততে নিলাম অনুষ্ঠিত হ'ব আৰু ইয়াৰ বাবে গোৱাক বাছনি কৰা হৈছে। ক্ৰিকেট সংবাদ মাধ্যম ক্ৰিকবাজৰ প্ৰতিবেদন অনুসৰি, অহা ১৬ ডিচেম্বৰত গোৱাৰ আইটিচি গ্ৰেণ্ড হোটেলত আইপিএল ২০২৭ৰ মিনি নিলাম অনুষ্ঠিত হ'ব। অৱশ্যে এই বিষয়ে ফ্ৰেঞ্চাইজিসমূহৰ স্বত্বাধিকাৰী আৰু মুখ্য ৬ পৃষ্ঠাত



**ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ চলোৱা ষড়যন্ত্ৰৰ অভিযোগ**

## পাণবজাৰত আইইডি উদ্ধাৰৰ গোচৰত পৰেশ বৰুৱাসহ ৫ অভিযুক্তৰ বিৰুদ্ধে NIAৰ অভিযোগনামা দাখিল

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৭ অক্টোবৰ ঃ** গুৱাহাটীৰ পাণবজাৰত ২০২৪ চনৰ ১৫ আগষ্টত উদ্ধাৰ হোৱা আইইডি (IED) সম্পৰ্কীয় গোচৰত নিষিদ্ধঘোষিত সংগঠন আলফা (স্বাধীন)ৰ সেনাধ্যক্ষ পৰেশ বৰুৱাসহ মুঠ পাঁচজন অভিযুক্তৰ বিৰুদ্ধে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (NIA)-এ শুকুৰবাৰে গুৱাহাটীৰ বিশেষ ৬ পৃষ্ঠাত



# চেলেংহাটৰ লোণপুৰীয়াত জৈৱিক কৃষি আৰু PGS-India প্ৰমাণীকৰণৰ ওপৰত প্ৰশিক্ষণ শিবিৰ

**অসম বাৰ্তা, চেলেংহাট, ১৬ অক্টোবৰ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত পূব যোৰহাটৰ ব্লক মিছন মেনেজমেণ্ট ইউনিট-ৰ উদ্যোগত জৈৱিক কৃষি আৰু PGS-India প্ৰমাণীকৰণ বিষয়ক প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈ যায়। ১১ অক্টোবৰৰ পৰা ১৪ অক্টোবৰলৈ ১৪ নং গাঁও পঞ্চায়তৰ অন্তৰ্গত লোণপুৰীয়া গাঁৱৰ এগৰাকী কৃষকৰ ধাননি পথাৰত এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। পূব যোৰহাট উন্নয়ন খণ্ডৰ খণ্ড প্ৰকল্প প্ৰবন্ধক টুনটুনি বৰাৰ নেতৃত্বত অনুষ্ঠিত এই প্ৰশিক্ষণৰ মূল উদ্দেশ্য আছিল গ্ৰামাঞ্চলৰ কৃষকসকলৰ মাজত জৈৱিক কৃষি পদ্ধতিৰ প্ৰসাৰ ঘটোৱা আৰু PGS-India প্ৰমাণীকৰণৰ বিষয়ে সজাগতা সৃষ্টি কৰা। প্ৰশিক্ষণত বহনক্ষম কৃষি পদ্ধতিৰ প্ৰয়োগ, ৰাসায়নিক সাৰ আৰু কীটনাশকৰ ব্যৱহাৰ হ্ৰাস তথা পৰিৱেশ অনুকূল কৃষি ব্যৱস্থাক উৎসাহিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই প্ৰশিক্ষণে কৃষকসকলক জৈৱিক খেতিৰ বিষয়ে জ্ঞান আহৰণত সহায় কৰাৰ লগতে জৈৱিক কৃষিজাত সামগ্ৰীৰ প্ৰতি গ্ৰাহকৰ বিশ্বাস বৃদ্ধিত প্ৰমাণীকৰণৰ গুৰুত্ব বুজিবলৈ সহায় কৰিব। লগতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ এই পদক্ষেপে গ্ৰাম্য জীৱিকাৰ উন্নয়ন আৰু অঞ্চলটোত বহনক্ষম কৃষিৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলিও আশা প্ৰকাশ কৰা হৈছে। সামৰণি অনুষ্ঠানত মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী উপস্থিত থাকি প্ৰশিক্ষণ সন্দৰ্ভত বুজ লয়। বিধায়ক কুৰ্মীয়ে এনে কাৰ্যসূচী লোৱাৰ বাবে উদ্যোক্তাসকলক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰা কৃষক ৰাইজ উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে।

# কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ইয়াকুব আলীক আনুষ্ঠানিক বিদায় সম্বৰ্ধনা




**অসম বাৰ্তা, কৃষ্ণাই, ১৭ অক্টোবৰ ঃ** কৃষ্ণাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ইয়াকুব আলীক আজি বিদ্যালয়খনৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়খনত এখন বিদায় সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। উল্লেখ্য যে, ১৯৮৭ চনৰ ১৬ ডিচেম্বৰত সহকাৰী শিক্ষক হিচাপে নিযুক্তি লাভ কৰা ইয়াকুব আলীয়ে চলিত বৰ্ষৰ ৩০ ছেপ্টেম্বৰত কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত শিক্ষক মুজাহাৰ ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অৱসৰপ্ৰাপ্ত শিক্ষক ইয়াকুব আলীয়ে নিজৰ অনুভৱ ব্যক্ত কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে ফাজিল হক, ৰফিকুল ইছলাম, হাফিজুল ইছলাম, মান্নান সেখ, ছানোৱাৰা বেগম আৰু ছীমা বেগমে ভাষণ প্ৰদান কৰে। সভাখনত কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে ভাষণ প্ৰদান কৰি প্ৰিয় শিক্ষকগৰাকীৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। এক আৱেগিক পৰিৱেশত অনুষ্ঠিত সভাখনত বিদ্যালয়খনৰ তৰফৰ পৰা অৱসৰপ্ৰাপ্ত শিক্ষক ইয়াকুব আলীক শৰাই, গামোচা, চেলেং, ধৰ্মপুথি, কলম, জাপি আৰু এখন মানপত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। কৰ্মজীৱনৰ সুদীৰ্ঘ সময়ছোৱাত শিক্ষাদানৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ়াত আগবঢ়োৱা অৱদানৰ বাবে শিক্ষকগৰাকীৰ প্ৰতি উপস্থিত সকলোৰে কৃতজ্ঞতা প্ৰকাশ কৰে।

## মুদী নগৰ বাগিচাৰ পৰা নেকিব আলীক গ্ৰেপ্তাৰ

# গেলেকী আৰক্ষীৰ জালত গৰু চুৰিকাণ্ডৰ অভিযুক্ত

**অসম বাৰ্তা, গেলেকী, ১৭ অক্টোবৰ ঃ** গেলেকী আৰক্ষীয়ে এক অভিযান চলাই দীৰ্ঘদিন ধৰি পলাতক হৈ থকা গৰু চুৰি কাণ্ডৰ এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ধৃত অভিযুক্তজন গেলেকীৰ নেকিব আলী (৩২) বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, যোৱা ১৭ ছেপ্টেম্বৰৰ নিশা গেলেকী বগিচাপৰি নিবাসী বাবুল উৰাং নামৰ লোকজনৰ গোহালিৰ পৰা দুটাকৈ পশুধন চুৰি কৰি নিয়া ঘটনাৰ লগত জড়িত থকাৰ গুৰুত্বৰ অভিযোগ আছিল নেকিব আলীৰ বিৰুদ্ধে। ঘটনাৰ দিনাৰে পৰাই পলাতক হৈ থকা অভিযুক্তজনক গ্ৰেপ্তাৰ কৰিবলৈ গেলেকী আৰক্ষীয়ে নিৰন্তৰ অভিযান অব্যাহত ৰাখিছিল। অৱশেষত গেলেকী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া (OC) প্ৰদীপ শইকীয়াৰ নেতৃত্বত যোৱা এটা আৰক্ষী দলে গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই মুদী নগৰ বাগিচাৰ পৰা অভিযুক্ত নেকিব আলীক আটক কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে, এই চাঞ্চল্যকৰ গৰু চুৰি কাণ্ডৰ লগত জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে ইয়াৰ পূৰ্বে চুৰিত ব্যৱহৃত বাহনৰ মালিক তথা চালক মানৱ জ্যোতি গগৈ, পৰশমণি বৰঠাকুৰ (৩০), ৰমজান আলী (৩১) আৰু মনোজ গগৈ নামৰ আন চাৰিজন যুৱককো গ্ৰেপ্তাৰ কৰিছিল। এই সন্দৰ্ভত গেলেকী থানাত ৩৯/২৬ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছে। আৰক্ষীৰ সূত্ৰৰ যোগেদি জানিব পৰা মতে ইয়াৰ আগেয়েও নেকিব আলী অন্য অপৰাধমূলক কাৰ্যত জড়িত আছিল। গেলেকী আৰক্ষীয়ে ধৃত নেকিব আলীক আজি আদালতলৈ প্ৰেৰণ কৰাৰ লগতে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত অধিক তদন্ত অব্যাহত ৰাখিছে।

# বেদেতী ৰে'লষ্টেচন উন্নয়নৰ দাবীত প্ৰধানমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান

**অসম বাৰ্তা, বিহালী, ১৭ অক্টোবৰ ঃ** তেজপুৰ সংসদীয় সমষ্টিৰ অন্তৰ্ভুক্ত বেদেতী ৰে'লষ্টেচন ৪৫খন গাঁও আৰু সীমান্ত বৰ্তী অৰুণাচল প্ৰদেশৰ তাৰাচু অঞ্চলৰ বাবে অতি সুচল স্থানত অৱস্থিত ৰে'ল ষ্টেচন। বেদেতী আঞ্চলিক উন্নয়ন সমিতিয়ে বিভিন্ন অনুষ্ঠান আৰু ৰাইজৰ সহযোগত ৰেলষ্টেচনখনৰ উন্নয়নৰ বাবে গণতান্ত্ৰিক আন্দোলন, দাবী জনাই থকাৰ পিছত ২০১২ চনত অপাৰেটিং কমাৰ্চিয়েল আৰু ইঞ্জিনিয়াৰিং শাখাই পৰ্যবেক্ষণ কৰি একত্ৰিতে ৰে'ল ষ্টেচনটো ডি শ্ৰেণীৰ পৰা বি শ্ৰেণীলৈ ক্ৰছিং ষ্টেচনৰ সপক্ষে প্ৰতিবেদন দিয়াত ২০১২ চনৰ ৬ আগষ্টত ৰঙিয়া সংমণ্ডলত যুটীয়া বৈঠকত উন্নীতকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰে। পুনৰ ২০১৩ চনৰ ৮ জুনত যুটীয়া বৈঠকে উন্নয়নৰ সিদ্ধান্ত চূড়ান্ত কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰে। মালিগাওঁৰ প্ৰধান কাৰ্যালয়ৰ চি টি পি এমে ২০১৪ চনৰ ১৮ জুন তাৰিখে কাম আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। লোক সভাৰ সাধাৰণ নিৰ্বাচনৰ পিছত চৰকাৰ সলনি হ'ল আৰু আজি ১২ বছৰে অনুমোদিত বেদেতী ৰেল ষ্টেচনৰ উন্নয়নৰ কাম নহ'ল। ২০১৪ চনৰ পৰা ২০১৮ চনলৈকে ৱৰ্ক প্ৰগ্ৰেমত অন্তৰ্ভুক্ত কৰাৰ পিছতো ৰে'ল দপ্তৰ বা কেন্দ্ৰীয় চৰকাৰে গুৰুত্ব প্ৰদান নকৰাত জনসাধাৰণৰ লগতে ৰে'ল যাত্ৰীসকলে, কম খৰচী যাতায়তৰ সুবিধা লাভ নকৰাত বেদেতী আঞ্চলিক উন্নয়ন সমিতিয়ে বাৰম্বাৰ ৰঙিয়া সংমণ্ডল আৰু জি এমলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ পিছতো গুৰুত্ব প্ৰদান নকৰিলে। ইতিমধ্যে বেদেতী ব্যৱসায়ী সন্থাই ও স্মাৰক পত্ৰ প্ৰদান কৰিছে। ২০২৫ আৰু ২০২৬ চনত অনুমোদনৰ সন্নিবিষ্ট তথ্য সম্বলিত আবেদন তেজপুৰ লোক সভা সমষ্টিৰ সাংসদক দিয়াৰ পিছতো কোনো অগ্ৰগতি হোৱা নাই। শেহতীয়াভাৱে অসম ৰেলযাত্ৰী সন্থাৰ সৈতে বেদেতী আঞ্চলিক উন্নয়ন সমিতি সংযোজিত হোৱাত ২০১২ চনৰ ১১ অক্টোবৰত ১৪ দফীয়া দাবীৰ স্মাৰক পত্ৰ সংশ্লিষ্ট পক্ষলৈ প্ৰেৰণ কৰাৰ লগতে ১৪ নম্বৰ দাবীৰ পৰিপ্ৰেক্ষিতত বেদেতী আঞ্চলিক উন্নয়ন সমিতিয়ে বেদেতী ৰেল ষ্টেচন উন্নীতকৰণ কৰিবৰ বাবে স্মাৰক পত্ৰ ৰেল দপ্তৰলৈ প্ৰেৰণ কৰাৰ লগতে বিহালী সমজিলাৰ আয়ুক্তৰ জৰিয়তে ২০২৬ চনৰ ১২ অক্টোবৰ তাৰিখে ভাৰতৰ প্ৰধানমন্ত্ৰী আৰু অসমৰ মুখ্য মন্ত্ৰীলৈ ৰে'ল ষ্টেচনটো সিদ্ধান্ত অনুযায়ী উন্নীত কৰণৰ বাবে আবেদন জনাইছে। সাংসদ গৰাকীয়ে জি এম আৰু ৰে'ল মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰিলে অনুমোদিত কামটো তৎকালে কাৰ্যকৰী হ'ব বুলি উন্নয়ন সমিতিয়ে দৃঢ় বিশ্বাস কৰিছে।

# মাকুমৰ জ্যোতিনগৰত ২৩ লাখ টকা ব্যয়ৰে নিৰ্মিত বিসৰ্জন ঘাটৰ শুভ উদ্বোধন বিধায়ক সঞ্জয় কিষাণৰ

**অসম বাৰ্তা, মাকুম, ১৭ অক্টোবৰ ঃ** দুৰ্গোৎসৱৰ প্ৰতিমা বিসৰ্জনক লৈ দীৰ্ঘদিন ধৰি সমস্যাৰ সন্মুখীন হৈ থকা সমস্যাৰ সমাধানৰ লক্ষ্যৰে মাকুম জ্যোতিনগৰ টিংৰাই নদীত নিৰ্মাণ কৰা হ'ল এটি বিসৰ্জন ঘাট। মাকুম পৌৰসভাৰ উদ্যোগত নিৰ্মাণ কৰা এই বিসৰ্জন ঘাটটোৰ আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে মাকুম বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে। ১৫ সংখ্যক বিত্ত আয়োগৰ পুঁজিৰ অধীনত প্ৰায় ২৩ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই বিসৰ্জন ঘাটটোৱে মাকুমৰ লগতে ইয়াৰ কাষৰীয়া অঞ্চলৰ বিভিন্ন দুৰ্গাপূজা সমিতিক প্ৰতিমা বিসৰ্জনৰ ক্ষেত্ৰত যথেষ্ট সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে। পূৰ্বতে প্ৰতিমা বিসৰ্জনৰ সময়ত সন্মুখীন হোৱা বিভিন্ন অসুবিধা দূৰ কৰাৰ লগতে বিসৰ্জন প্ৰক্ৰিয়াক অধিক সুচাৰুৰূপে সম্পন্ন কৰাত এই ঘাটটোৱে সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে। উদ্বোধনী অনুষ্ঠানত বিধায়ক সঞ্জয় কিষানে নৱনিৰ্মিত বিসৰ্জন ঘাটটোৱে আগন্তুক দিনত অঞ্চলটোৰ পূজা সমিতিসমূহৰ বাবে বিশেষ সুবিধা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। উক্ত উদ্বোধনী অনুষ্ঠানত মাকুম পৌৰসভাৰ পৌৰপতি অৰ্চনা শইকীয়া, উপ-পৌৰপতি



তীৰ্থৰাজ প্ৰসাদ, কাৰ্যবাহী বিষয়া দিলাক্ষী কলিতা, ৱাৰ্ড আয়ুক্ত সকল, টেঙাপানী গাঁও পঞ্চায়তৰ সভানেত্ৰী নিমা উপাধ্যায়, প্ৰতিমা বিসৰ্জন সমিতিৰ বিষয়ববীয়া ক্ৰমে অনন্ত ফুকন, প্ৰণৱ চেতিয়া, টিংকু কানৈৰ লগতে অন্যান্য বিষয়ববীয়া তথা গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকে।

## জাগাৰা, কুমাৰীকাটা, দক্ষিণ পকোৱা বাঁহজানী দুৰ্গা পূজাত বিভিন্ন প্ৰান্তৰ ভক্তৰ সমাগম

# নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তত শাৰদীয় দুৰ্গোৎসৱৰ ব্যাপক উচাহ




**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৭ অক্টোবৰ ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰীৰ জাগাৰাত ৬ দিনীয়াকৈ ৪৫ সংখ্যক জাগাৰা সৰ্বজনীন শ্ৰী শ্ৰী দুৰ্গা পূজা উপলক্ষে বিভিন্ন প্ৰান্তৰ ভক্তৰ সমাগম ঘটা পৰিলক্ষিত হয়। এক আধ্যাত্মিক পৰিৱেশৰ মাজত বিভিন্ন মাংগলিক কাৰ্যসূচীৰে পূজাৰ শুভাৰম্ভ কৰা হয়। দুৰ্গা পূজা উপলক্ষে বিভিন্ন আধ্যাত্মিক কাৰ্যসূচীৰ উপৰিও অহা ১৮ অক্টোবৰৰ সন্ধিয়া মা-কুসুম মিনি থিয়েটাৰে নাট প্ৰদৰ্শন কৰিব। শাৰদীয় দুৰ্গা পূজা উপলক্ষে ১৯ অক্টোবৰৰ নিশা মাধৱজ্যোতি ৰাজখোৱা আৰু মুনমী দাসৰ গীতৰ শৰাই আৰু জাগাৰা যুৱক সংঘৰ প্ৰাংগণত আমন্ত্ৰিত ভাগ্যদেৱী থিয়েটাৰে তিনিখনকৈ নাট প্ৰদৰ্শন কৰিব। সমূহ কাৰ্যসূচীতে ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে। আৰু নলবাৰী জিলাৰ জাগাৰাৰ দক্ষিণ পকোৱা বাঁহজানী সৰ্বজনীন দুৰ্গা পূজাই এইবেলি ৩৮ তম বৰ্ষত ভৰি দিছে। ১৯৮৯ চনত স্থাপিত এই পূজাভাগি ছয়দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। দুৰ্গা পূজা উপলক্ষে প্ৰথম দিনাৰ বিভিন্ন আধ্যাত্মিক কাৰ্যসূচীৰ পিছতে সন্ধিয়া জুবিন গাৰ্গলৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱা হয়। দুৰ্গা পূজা উপলক্ষে সপ্তমীৰ দিনাৰে পৰা বিভিন্ন প্ৰান্তৰ পাঠকে দুৰ্গা মন্দিৰ প্ৰাংগণত নাগাৰা নাম পৰিৱেশন কৰিব। মন্দিৰ নিৰ্মাণৰ সাহায্যাৰ্থে অষ্টমী আৰু নৱমীত চুপা চুপি' আৰু 'শ্ৰী ৰঘুপতি' বোলছবি প্ৰদৰ্শন কৰা হ'ব। দুৰ্গা পূজা উপলক্ষে ষষ্ঠীৰ দিনাৰে পৰা আতচবাজী প্ৰদৰ্শন, বন্তি প্ৰজ্বলন আৰু দেৱীৰ বোধনৰ লগতে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। সমূহ কাৰ্যসূচীতে সকলো ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে। আনহাতে, নলবাৰী জিলাৰ কুমাৰীকাটা লক্ষ্মী বজাৰত পঞ্চদশ বাৰ্ষিক সৰ্বজনীন শ্ৰী শ্ৰী দুৰ্গা পূজা ৬ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। দুৰ্গা পূজা উপলক্ষে অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশৰ সূচনা হয়। শ্ৰী শ্ৰী দুৰ্গা পূজা পৰিচালনা সমিতিয়ে জনোৱা অনুসৰি শুক্ৰবাৰে আৰম্ভ হোৱা দুৰ্গা পূজাৰ প্ৰথম দিনা বন্তিপ্ৰজ্বলন, আতচবাজী প্ৰদৰ্শন আৰু সংকীৰ্তন পৰিৱেশন কৰা হয়। প্ৰথম দিনাৰে পৰা বিভিন্ন কাৰ্যসূচীৰ উপৰিও নাগাৰা নামেৰে অঞ্চলটোত এক আধ্যাত্মিক পৰিৱেশৰ সূচনা হয়। মুঠতে, নলবাৰীৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত হোৱা শাৰদীয় দুৰ্গোৎসৱৰ প্ৰতিটো দিনৰে পৰা অন্তিম দিনালৈকে বৰ্ণাঢ্য আধ্যাত্মিক আৰু সাংস্কৃতিক কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে।

# শঙ্কৰদেৱ মহাবিদ্যালয়ত দুদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰ সম্পন্ন

**অসম বাৰ্তা, বান্দৰদেৱা, ১৭ অক্টোবৰ ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল প্ৰদেশৰ সীমান্তৱৰ্তী পথালিপাহাৰত অৱস্থিত উচ্চ শিক্ষানুষ্ঠান শঙ্কৰদেৱ মহাবিদ্যালয়ত ৰাজনীতি বিজ্ঞান বিভাগ আৰু আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত তথা ভাৰতীয় সমাজ বিজ্ঞান গৱেষণা পৰিষদৰ আৰ্থিক সহযোগিতাত যোৱা ১৩ আৰু ১৪ অক্টোবৰ, ২০২৬ তাৰিখে দুদিনীয়াকৈ এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰ অনুষ্ঠিত হৈ যায়। "Environment and Human Rights in North East India: Issues and Prospects" শীৰ্ষক বিষয়বস্তুৰে আয়োজিত আলোচনা সত্ৰখনৰ মূল উদ্দেশ্য আছিল উত্তৰ-পূব ভাৰতৰ পৰিৱেশ আৰু মানৱ অধিকাৰ সম্পৰ্কীয় বিভিন্ন সমস্যা, প্ৰত্যাহ্বান আৰু সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰা। আলোচনা সত্ৰখনত উত্তৰ-পূব ভাৰতৰ পৰিৱেশ সুৰক্ষা আৰু মানৱ অধিকাৰৰ সৈতে জড়িত বিভিন্ন সমস্যা, প্ৰত্যাহ্বান তথা ভৱিষ্যতৰ সম্ভাৱনাৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। লগতে এই বিষয়সমূহৰ ওপৰত গৱেষণামূলক দৃষ্টিভংগী বিনিময়ৰ এক গুৰুত্বপূৰ্ণ মঞ্চ গঢ় লৈ উঠে। এনে ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৈক্ষিক অনুষ্ঠানে পৰিৱেশ আৰু মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়সমূহৰ প্ৰতি শৈক্ষিক তথা সামাজিক সচেতনতা বৃদ্ধিত বিশেষ ভূমিকা পালন কৰিব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰে। আলোচনা সত্ৰখনৰ উদ্বোধনী অনুষ্ঠানত মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা প্ৰাক্তন উপাধ্যক্ষ বীৰেন্দ্ৰ নাথ ভাগৱতীয়ে বন্তি প্ৰজ্বলন কৰে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাই আদৰণী ভাষণ প্ৰদান কৰে। মাধৱদেৱ বিশ্ববিদ্যালয়ৰ শৈক্ষিক পঞ্জীয়ক ড° লীম্পন বৰাই আলোচনা সত্ৰখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ৰ ডীন অধ্যাপক ননী বাথে। প্ৰথম দিনাৰ প্ৰথম কাৰিকৰী বৈঠকৰ অধ্যক্ষতা কৰে পানীগাঁও অ'পি ডি মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° ৰবীন শইকীয়াই। বৈঠকখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মাধৱদেৱ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° পংকজ বৰা। প্ৰথম দিনাৰ দ্বিতীয় কাৰিকৰী বৈঠকখন অনলাইনযোগে অনুষ্ঠিত হয়। কটন মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° ভানুপ্ৰভা ব্ৰহ্মাই বৈঠকখনৰ অধ্যক্ষতা কৰে। শ্বিলঙৰ নৰ্থ-ইষ্টাৰ্ণ হিলছ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক সুস্মিতা সেনগুপ্তাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰাৰ বিপৰীতে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° চুচেংফা গগৈয়ে সমল ব্যক্তি হিচাপে বক্তব্য আগবঢ়ায়। দ্বিতীয় দিনা, অৰ্থাৎ ১৪ অক্টোবৰত অনুষ্ঠিত কাৰিকৰী বৈঠক সমূহো অনলাইনযোগে সম্পন্ন হয়। তৃতীয় কাৰিকৰী বৈঠকৰ অধ্যক্ষতা কৰে উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° দিগন্ত হাতীবৰুৱাই। বৈঠকখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে একেখন বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ড° স্বপ্নালী গগৈ। চতুৰ্থ কাৰিকৰী বৈঠকৰ অধ্যক্ষতা কৰে চুবুৰীয়া ৰাজ্য নাগালেণ্ডৰ কহিমা মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° কেতু উখৰিয়-উয়ে। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° লংখাম বৰুৱাই এই বৈঠকত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। আলোচনা সত্ৰখনৰ পঞ্চম তথা অন্তিম কাৰিকৰী বৈঠকৰ সঞ্চালনা কৰে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সমূহীয়া বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপিকা ড° ৰাজশ্ৰী ফুকনে। আলোচনা সত্ৰৰ দুয়োটা দিনতে প্ৰতিবেদক (Rapporteur) হিচাপে উপস্থিত থাকে বৰভাগ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° মাণিক চন্দ্ৰ নাথ, শংকৰদেৱ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা স্বপ্না দাস আৰু যুস্মিতা কোঁৱৰ। উল্লেখযোগ্য যে দুয়োটা দিনত অনুষ্ঠিত আলোচনা সত্ৰখনত প্ৰায় ২০৮খন গৱেষণাপত্ৰ উপস্থাপন আৰু আলোচনাৰ বাবে গ্ৰহণ কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সোণাৰাম কলিতাৰ তৎপৰতাত আয়োজিত এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা সত্ৰখনৰ সমন্বয়কৰ দায়িত্ব পালন কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বিজয়া কোঁৱৰে। এই আলোচনা সত্ৰখনে উত্তৰ-পূব ভাৰতৰ পৰিৱেশ আৰু মানৱ অধিকাৰ সম্পৰ্কীয় বিষয়সমূহত গৱেষণাৰ প্ৰসাৰ, জ্ঞানৰ আদান-প্ৰদান আৰু বিভিন্ন উচ্চ শিক্ষানুষ্ঠানৰ মাজত শৈক্ষিক সহযোগিতা বৃদ্ধিৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।




# মাজুলীৰ নৈ-পৰীয়া গ্ৰামাঞ্চলত মাজ নিশা বনৰীয়া হাতীৰ উপদ্ৰৱ

## দোকান, বাসগৃহ, ধাননি পথাৰৰ বিস্তৰ ক্ষতি

**অসম বাৰ্তা, বনগাঁও, ১৭ অক্টোবৰ ঃ** দীৰ্ঘদিন ধৰি এপাল বনৰীয়া হাতীয়ে মাজুলীৰ নৈপৰীয়া গ্ৰামাঞ্চলত সোমাই গাঁও সমূহত ৰাইজৰ বিস্তৰ ক্ষতি কৰি আহিছে। বাৰীৰ ফচল, পথাৰৰ শস্য আদি খাই অনিষ্ট কৰাৰ উপৰিও প্ৰায়ে মানুহৰ ঘৰ-দুৱাৰ ভাঙি লণ্ড-ভণ্ড কৰা, কেইবা গৰাকীৰ প্ৰাণহানি আৰু চিৰদিনলৈ ঘুণীয়া কৰা। বাতৰি সময়ে সময়ে সংবাদ মাধ্যমত প্ৰকাশ পাই আহিছে। বছৰৰ পিছত বছৰ ধৰি বাৰ মাহে নিৰাপদ স্থান হিচাবে মাজুলীৰ নৈপৰীয়া গ্ৰামাঞ্চলত মুক্ত মনে ঘূৰি ফুৰি ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰে বন্যহস্তীৰ পালে। আজিৰ পৰা প্ৰায় চাৰি মাহৰ বিৰতিৰ পিছত অৰ্থাৎ ১৬ অক্টোবৰৰ মাজ নিশা চাৰিজনীয়া এটি বন্যহস্তীৰ দল ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ দাতিকাষৰীয়া কুমাৰ গাৱঁত প্ৰৱেশ কৰে। নদীৰ কাষতে থকা গাঁওখনৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক শৈলেন কলিতাৰ বাসগৃহটি ভাঙি ভিতৰত থকা ধান চাউল আদি খাই খাষ্টাং কৰাৰ লগতে ভিতৰৰ বয়-বস্তুৰ অনিষ্ট কৰে। তদুপৰি গাঁওখনৰ গুৱালচুক চুবুৰীৰ নাৰায়ন দত্ত নামৰ দাৰিদ্ৰ্য পৰিয়ালটিৰ এক মাত্ৰ পৰিয়াল বসবাস কৰা ঘৰটিৰ মুধৰ বেৰ এৰুৱাই পৰিয়ালটিক ভাবুকি প্ৰদান কৰে। পৰিয়াল সূত্ৰে জানিবলৈ দিয়া মতে পৰিয়ালটিৰ মূৰব্বী নাৰায়ণ দত্তই একে চোতালৰ নিচেই ওচৰৰ আন এটি ঘৰত নিশা শুই আছিল। তেনে অৱস্থাত এটি কেচুৱা সহ পত্নী ভনীকন ফুকন দত্তই অকলশৰে শুই থকা অৱস্থাত অতৰ্কিতে এটি প্ৰকাণ্ড আকাৰ বন্যহস্তীয়ে ঘৰৰ মুধৰ বেৰ ভাঙে। মহিলা গৰাকীয়ে চিঞৰ বাখৰ কৰি কাতৰ মিনতি কৰাত তাৰ পৰা বেৰ ভাঙি আঁতৰি যায়। চিঞৰ শুনি স্বামী গৰাকী লৰালৰিকৈ দৌৰি আহে যদিও ভীতিগ্ৰস্ত হৈ পৰি যোৱাত মুৰ কপালত আঘাত পাব লগা হয়। অন্যহাতেদি বন্যহস্তী দলটি কেইবাটি ভাগত বিভক্ত হৈ নদীৰ পাৰে পাৰে উজনিৰ পুৰনি সত্ৰৰ গাৰেঁদি দিঘলী গাঁও, কৈৱৰ্ত্ত গাঁৱৰ মাজেদি উজনি দিশ লৈ বন বিভাগে শূন্যলৈ গুলী ফুটাই নিৰাপদে পঠাবলৈ সক্ষম হয়। কুমাৰ গাঁৱৰ পৰা উজনিলৈ আহি থকাৰ পথত পুৰণি সত্ৰ গাঁৱৰ কেইবাটি পৰিয়ালৰ ধাননি পথাৰত সোমাই গেৰ ধান খাই অনিষ্ট কৰে। দিঘলী গাঁৱৰ কেইবাটি পৰিয়ালৰ চোতাল পৰ্যন্ত গছকি এক প্ৰকাৰ ৰাইজৰ আতংকিত কৰি তোলে। এখনি ক্ষুদ্ৰ দোকান দি এটি কণমানি শিশুৰে জীৱন অতিবাহিত কৰি থকা দক্ষিণ পাট কৈৱৰ্ত্ত গাঁৱৰ মৃত ব্ৰজেন দাসৰ বিধৱা পত্নী ধন মাই দাসৰ দোকান খনি বন্যহস্তীয়ে ভাঙি লণ্ড-ভণ্ড কৰি ভিতৰত প্ৰায় ৬০ হাজাৰ টকাৰ চাউল চেনি ডাইল নিমখ আদি কৰি বয়-বস্তু খাই দলিয়াই অনিষ্ট কৰে। বনবিভাগৰ কৰ্মী সকলে বন্যহস্তীৰ উপদ্ৰৱৰ খবৰ পোৱাৰ লগে-লগে গাঁও সমূহত আৰু অধিক অনিষ্ট আৰু ক্ষতি যাতে কৰিব নোৱাৰে তাৰ প্ৰতি বিশেষ সৰ্তকতা অৱলম্বন কৰে। শূন্যলৈ কেইবাজাই গুলী ফুটাই হাতীৰ দলটি পুৱতি নিশা নিৰাপদে গাৱঁৰ পৰা উজনি দিশলৈ পঠাবলৈ সক্ষম হোৱাত ৰাইজে বিভাগক ধন্যবাদ দিয়ে। ইয়াকেলৈ সমগ্ৰ গাঁও অঞ্চলত এক আতংকময় পৰিৱেশৰ সৃষ্টি হয়। যাৰ পৰিপ্ৰেক্ষিতত গ্ৰামাঞ্চল বাসীয়ে ওৰে নিশা উজাগৰে থাকিব লগা হয়। ৰাইজে হাতীৰ অহা যোৱা পথত ষ্ট্ৰীট লাইটৰ ব্যৱস্থা কৰিবলৈ জিলা প্ৰশাসনক ইয়াৰে দাবী জনাইছে।

## নাম শুধৰণি

মই, শ্ৰী ৰবীন বৰুৱা, পিতৃ ঃ স্বৰ্গীয় বিজয় বৰুৱা @ বিজ বৰুৱা, নিবাসী ঃ কুমাৰ গাঁও, মৌজা ঃ দোপদৰ, ৰাজহ চক্ৰ ঃ আমগুৰি, জিলা ঃ শিৱসাগৰ (অসম)। সৰ্বসাধাৰণলৈ জনোৱা যায় যে শিৱসাগৰ জিলাৰ আমগুৰি ৰাজহ চক্ৰৰ দোপদৰ মৌজাৰ কুমাৰ গাঁৱৰ পট্টা নং ২৭৭-ৰ দাগ নং ১৩৫১ আৰু পট্টা নং ৩০-ৰ দাগ নং ৯৮৮ ৰ মাটিৰ নথিপত্ৰত মোৰ নাম ভুলবশতঃ 'ধুলীয়া বৰুৱা' বুলি লিপিবদ্ধ হৈছে। আচলতে 'ৰবীন বৰুৱা' আৰু 'ধুলীয়া বৰুৱা' এজন আৰু একেজন ব্যক্তিয়েই হয়। এই সন্দৰ্ভত মই ১৫/১০/২০২৬ তাৰিখে নাজিৰাৰ নোটাৰী পাব্লিকৰ কাৰ্য্যালয়ত শপতনামা (Affidavit) সম্পন্ন কৰিছোঁ। ভৱিষ্যতে সকলো কামত মোক 'ৰবীন বৰুৱা' বুলি গণ্য কৰিবলৈ অনুৰোধ জনালোঁ।

AB-198/2026

# কাতি বিহু আৰু আমি

**ড° আৰ কে বেজবৰুৱা**

কাতি বিহুৰ প্ৰাক্‌ক্ষণত কেৱল মাত্ৰ 'কাতি বিহু'ক গুৰুত্ব প্ৰদান কৰিলেই বিহু সম্পৰ্কীয় আলোচনা সম্পূৰ্ণ নহয়। কাতি বিহু, মাঘ বিহু আৰু ব'হাগ বিহুৱে অসমীয়া জাতিক ডিঙিৰ মণিহাৰৰ দৰে নাইবা শিৰৰ ভূষণৰ দৰে জিলিকাই ৰাখিছে। গতিকে কাতি বিহুৰ প্ৰসংগতেই বাকী দুটা বিহুৰ কথাও অৱধাৰিত ভাৱেই আহি পৰে। এই মণিহাৰ গঠা হৈছিল এটি এটি সংস্কৃতিৰ সম্পদেৰে। আমাৰ এই সৃষ্টিশীলতাৰ পটভূমি ৰচিত হৈছিল কোনোবা আন্ধাৰ যুগৰ জোনাকী পৰুৱা পোহৰৰ দৰেই। মানুহে যেতিয়া কথা ক'ব শিকা নাছিল, তেনেকুৱা সময়তো মনৰ উচ্ছাস প্ৰকাশৰ বাট নিৰ্মাণ হৈছিল মনৰ ভিতৰত গোটখোৱা আবেগেৰে।

এদিন আবেগ প্ৰকাশৰ মাধ্যমো সন্মুখত উপস্থিত হৈছিল। মানুহে কথা ক'বলৈ শিকিলে, গান গাবলৈ শিকিলে আৰু তাক লিখিত ৰূপ দিবলৈ পাৰদৰ্শী হৈ উঠিল। মানুহে গীত আৰু কবিতাত জীৱন্ত ৰূপ দিলে জীৱনৰ প্ৰতিচ্ছবিৰ। ভক্তি আৰু স্তুতিৰে জীৱনৰ পৰশীলিত ৰূপ আত্মস্থ কৰাৰ প্ৰয়াসো তেনেকৈয়ে এদিন সম্পূৰ্ণ হ'ল। এদিন আৰম্ভ হৈছিল পূৰ্বোত্তৰ ভূ খণ্ডত এটি লোক পৰম্পৰাৰ। যাক পৰৱৰ্তী সময়ত নামকৰণ কৰা হৈছিল 'বিহু' বুলি।

বিহুক নিৰ্ভৰ কৰি কোনোবা দূৰ অতীতত মানুহে নিজৰ আনন্দ-উচ্ছাস প্ৰকাশ কৰিছিল। বিহুক নিৰ্ভৰ কৰি কোনোবা আদিম সমাজে নিজৰ নিৰাপত্তা নিৰ্মাণ কৰাৰ প্ৰয়াস কৰিছিল। নাইবা বিহুক ভেটি হিচাপে লৈ আৰম্ভ কৰিছিল কৃষি কৰ্মৰ, পাতনি মেলিছিল নিজৰ সংসাৰ ধৰ্মৰ। আমি সকলোৱে জানো যে বিহু হৈছে কৃষি ভিত্তিক সমাজৰ এটা উৎসৱ। পৃথিৱীৰ প্ৰতিখন ঠাইৰে প্ৰতিটো জনগোষ্ঠীয়ে এনে ধৰণৰ একোটা বিশেষ উৎসৱ অতীজৰে পৰা উদযাপন কৰি আহিছে।

যিহেতু বিহু মূলতঃ কৃষি প্ৰধান সমাজৰ সংস্কৃতি, সেইবাবে বিহুৰ অনুৰণ সকলো জনগোষ্ঠীৰ সংস্কৃতিৰ লগত সংপৃক্ত হৈ আছে। ইয়ে বিষুৱীয় পৰিঘটনা আৰু বিষুৱ ৰেখাৰ সৈতে 'বিহু' শব্দৰ উৎপত্তি গত সম্পৰ্ক এটা ঘনীভূত কৰায়। ৰঙালী, ভোগালী বা কঙালী - যিয়েই নহওক আটাইকেইটা বিহুৰ প্ৰভাৱ আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত অনবদ্য। নাহৰৰ পাতত লিখা- "দেৱ দেৱ মহাদেৱ নীল গ্ৰীব জটাধৰ।

বাত-বৃষ্টি হৰং দেৱ মহাদেৱ নমোস্তুতে।।"

শ্লোকে মনত পেলায় আমাৰ সেই আদিম জীৱনত উৎপত্তি ঘটা প্ৰকৃতিৰ প্ৰতি ভয়, শংকা আৰু প্ৰাৰ্থনাৰ মনোভাৱ। সেই দৰে ভেলা ঘৰ আৰু নিশাৰ ভোজ-ভাতত প্ৰতিফলিত হয় পোৱাৰ আনন্দ আৰু খাদ্যৰ নিৰাপত্তাৰ সংবাদ। আৰু সেই কঙালীৰ সন্ধিয়াৰ মাটিৰ চাকিয়ে মনত পেলাই দিয়ে আদিম মানৱৰ প্ৰকৃতিৰ প্ৰতি কৰুণ প্ৰাৰ্থনা - 'হে প্ৰভু, হে মাতৃ, আমাৰ শস্যৰ পথাৰখনৰ যাতে কোনো বিঘিনি নঘটে। শস্যৰে যাতে উপচি পৰে আমাৰ ভড়াঁল'। কাতি বিহুৰ অন্তৰ্নিহিত সত্য এয়াই যে শস্য পথাৰৰ সমৃদ্ধি আৰু সংৰক্ষণ। শাওণৰ বৰষুণ, বিজুলি-ঢেৰকনি, ধুমুহা আৰু বানপানীৰ প্ৰবল বাধা আৰু কষ্ট নেওচি কৃষকে পথাৰত শস্য সিঁচে। সেই শস্যই কাতি মাহত বীজ ধাৰণ কৰিবলৈ সাজু হয়। সেই সময়তো শস্যৰ পথাৰখনৰ বাবে অনেক শত্ৰু বাট চাই থাকে। বিভিন্ন পোক পতংগ, ফৰিং, তৃণভোজী প্ৰাণীৰ দ্বাৰা শস্যৰ ক্ষতিৰ সম্ভাৱনা প্ৰবল হৈ থাকে। সেই বাবেই শস্যৰ পথাৰত বন্তি জ্বলাই এহাতে শস্যৰ শত্ৰুক সাৱধান কৰি দিয়া হয়, আনহাতে শস্যৰ অধিস্থাত্ৰী দেৱী লক্ষ্মীক আৱাহন কৰা হয় যাতে তেওঁৰ কৃপাৰে পথাৰখন নদন-বদন হৈ উঠে

আহিন আৰু কাতি মাহৰ সংক্ৰান্তিৰ দিনা কাতি বিহু পালন কৰা হয়। কৃষকে বছৰটোত সঞ্চিত কৰা খাদ্য প্ৰায় টুটি আহে। তদুপৰি, বাৰিষাৰ দিনকেইটাত কিছু শস্যৰ ক্ষতিয়ো হয়। বানৰ প্ৰভাৱত কেতিয়াবা দুই-তিনিবাৰ কঠীয়া সিঁচিব লগাও হয়। সেই বাবেই ধান চাউলৰ নাটনিয়ে দেখা দিয়ে। সেই সময়ত বাৰিষাৰ প্ৰভাৱত শাক-পাচলিৰ উৎপাদনো সীমিত হৈ পৰে। সেয়েহে চাৰিওফালৰ পৰা মানুহক নাটনিয়ে কষ্ট দিয়ে। তাৰ বাবেই এই বিহুটোক কঙালি আখ্যা দিয়া হয়।

কাতি বিহুত সকলোৱে চোতালত তুলসী ৰোপণ কৰে। তুলসীক সনাতন ধৰ্মত লক্ষ্মীদেৱীৰ ৰূপ বুলিও মান্য কৰা হয়। পুৰাণ অনুসৰি তুলসীৰ নাম বৃন্দা। তেওঁ বিষ্ণুৰ পৰম ভক্তা। অসুৰ জলন্ধৰৰ পত্নী। জলন্ধৰক নাশিবলৈ বিষ্ণুৱে বৃন্দাক চলনা কৰিছিল। ভক্তা যদিয়ো পতিৰ মৃত্যুৰ বাবে তেওঁ বিষ্ণুক শালগ্ৰাম হোৱাৰ অবিশাপ দিছিল আৰু নিজে তুলসীলৈ ৰূপান্তৰিত হৈছিল। সেই বাবেই তুলসীক পাপ নাশক বুলি কোৱা হয়। মৰ্ত্যলোকৰ সকলো পূজাত তুলসী অপৰিহাৰ্য্য। তুলসীক পৱিত্ৰতাৰ প্ৰতীক ৰূপে মান্যতা দিয়া হৈছে।



আনহাতে, বৈজ্ঞানিক গৱেষণাত প্ৰমাণিত হৈছে যে তুলসীয়ে বেক্টেৰিয়া, ভাইৰাছ, ভেঁকুৰ আদিৰ ক্ৰিয়া নাশ কৰিব পাৰে। তদুপৰি তুলসীত ভিটামিন এ, ভিটামিন চি, ভিটামিন কে, কেলচিয়াম, মেগনেছিয়াম, আইৰণ, জিংক আৰু ইউজিনল আদি উপাদান থাকে। ইউজিনল এলাৰ্জী প্ৰতিৰোধত সহায়ক হয়। ফলত ই শৰীৰৰ ৰোগ প্ৰতিৰোধ (ইমিউনিটি) ক্ষমতা বৃদ্ধি কৰে। আমি প্ৰচীন কালৰে পৰা কাঁহৰ উপশমৰ বাবে তুলসী পাতৰ ৰস খাই আহিছোঁ। গতিকে এই পৰম উপকাৰী বনস্পতিৰ সংৰক্ষণ আৰু বিস্তাৰৰ বাবে কাতি বিহু এক অঘোষিত পৰিযোজনা। প্ৰাচীন কালত যে মানুহে বনস্পতিৰ পূজা কৰিছিল, তাৰ এক গভীৰ অন্তৰ্নিহিত বৈজ্ঞানিক অৰ্থ আছে। সেইফালৰ পৰা কাতি বিহুৰ অন্তৰালত বিজ্ঞান ভিত্তিক সত্য কিছুমান সম্পৰ্কিত হৈ আছে।

আকাশ বন্তিৰ প্ৰসংগটো নিলিখিলে কাতি বিহুৰ প্ৰকৃত ছবিখন ফুটি নুঠিব। লোকবিশ্বাসত মনা হয়, আকাশ বন্তিৰ পোহৰত আমাৰ পূৰ্ব পুৰুষৰ আত্মাৰ স্বৰ্গ যাত্ৰা সুৰক্ষিত হয়। বিজ্ঞানে কয়- ওপৰত পোহৰ দেখিলে ওপৰত উৰি ফুৰা আৰু তলৰো কিছুমান পোক-পতংগ আকৰ্ষিত হৈ বন্তিৰ শিখাত পুৰি মৃত্যুমুখত পৰে। তাৰ দ্বাৰা পতংগ নিয়ন্ত্ৰিত হয়।

কাতি বিহু সুকীয়া ধৰণে বিভিন্ন জনগোষ্ঠীয়ে পালন কৰি অহাৰ বাবেই আমাৰ সাংস্কৃতিক জীৱনধাৰা অধিক বৰ্ণিল হৈ পৰিছে।

ভাৰতীয় সংস্কৃতিৰ তাৎপৰ্যই হৈছে আধ্যাত্মিকতাক তুলি ধৰা। সংস্কৃতিয়ে এই আধ্যাত্মিকতাক বিশেষ ৰূপদান কৰি আহিছে। কাতি বিহু পালনে মনৰ আশা ৰূপায়ণৰ বাবে মানুহৰ মনত যি আনন্দৰ লহৰ সিচেঁ সেয়াই ইয়াৰ অন্তৰ্নিহিত আবেদন হৈ আহিছে। কাতি বিহুৱে পথাৰখনৰ বাবে কৃষকৰ মনোযোগ আনি দিয়ে। কাৰণ, তাৰ কিছুদিন পাছতেই পথাৰ ভৰুণ হয় আৰু পকা ধানৰ শত্ৰু চৰাই চিৰিকতিও। সেয়ে এই কাতি বিহুৰ পৰম্পৰাই পথাৰৰ চপাব লগীয়া শষ্যৰ প্ৰতি কৃষকৰ মনোযোগ আকৰ্ষণ কৰে।

তাৰ লগতে এই কথাও সত্য যে আজি কালি কাতি বিহুৰ কঙালী দিন নাই। সাৰ-কীটনাশক আদিৰ প্ৰয়োগেৰে বজাৰত শাক পাচলি আগতীয়াকৈ উভৈনদী কৰি তোলে। বহুতো ঘৰত পিঠা পনাৰ যোগাৰো থাকে। বজাৰে তাৰো সুবিধা দিছে। বৰ্তমান দৃশ্য-শ্ৰাব্য বৈদ্যুতিন মাধ্যমত ৰং-ৰহইচ কৰা সকলো সুবিধা সহজলভ্য। তাহানিৰ 'কঙালী' আজি ভোগালী বা ৰঙালীতকৈ পিছ পৰি থকা নাই। পৰিবৰ্তনৰ ধাৰাত আজিৰ কঙালি নতুন ৰূপেৰে আগবাঢ়িছে। কিন্তু নামত হয়তো 'কঙালি' হৈয়েই থাকিব।

# কাতি বিহু উৎসৱ আৰু অসমীয়া কৃষ্টি সংস্কৃতিৰ পৰাম্পৰাগত কিছু কথা



অসমীয়া মানুহৰ বিহু তিনিটা। ব'হাগ বিহু, মাঘ বিহু আৰু কাতি বিহু। ব'হাগ বিহুক ৰঙালী বিহু বুলি কয়। মাঘ বিহুক ভোগালী বিহু বুলি কয়। আকৌ কাতি বিহুক কঙালী বুলি কয়। আজি আমি কাতি বিহুৰ কথা পাতিম। কাতি বিহুক কিয় কঙালী বিহু বুলি কয়। আৰু কাতি বিহু ত কি কৰোঁ? আগেয়ে আমাৰ সমাজখন ইমান উন্নত নাছিল। বেছি ভাগ মানুহ দুখীয়া আছিল। মানুহবোৰৰ উপাৰ্জনৰ একমাত্ৰ পথ আছিল কৃষি। ক'ৰবাত এজন দুজনমানে চৰকাৰী চাকৰি কৰিছিল। আকৌ দুজনমানে ব্যৱসায় কৰিছিল। আকৌ এইখিনি শাৰদীয় সময় চোৱাত মানুহৰ বিশেষ কাম নাথাকে। এক আজৰি সময়। সকলোৰেৰে উপাৰ্জন সীমিত আছিল। বেছি ভাগ মানুহে খাবলৈ নেপাই ছিল। সেই কাৰণে এই বিহুক কঙালী বুলি কোৱা হয়। মানে খাবলৈ নোপোৱা বিহু। তথাপি তাৰ মাজতে কিবা কিবি কৰি ৰাইজে পালন কৰে। এই সময়খিনি সময়ত পথাৰৰ লখিমীক আদৰণি জনোৱা হয়। আহিন আৰু কাতি মাহত ধানৰ গজালি মেলে। সেয়ে ৰাইজে বাঁহৰ চাট মাৰি স্বাগতম জনাই। যাতে একো অনিষ্ট নহয়। অথবা কাৰো কু-প্ৰভাৱ নপৰে। অৱশ্যে ইয়াত বিজ্ঞানৰ কথাও লুকাই থাকে। ধান গুটি ওলালে পোক পৰুৱাই খাবলৈ আহে। আকৌ চৰাই চিৰিকতিয়ে পোক পৰুৱা খাবলৈ আহে। কিন্তু পথাৰৰ মাজত কোনো ধৰণৰ গছ গছনি নাথাকে। গতিকে নে থাকিলে চৰাই চিৰিকতি বোৰ ধানৰ ওপৰত পৰিব লগা হয়। তেতিয়া ধান বোৰ নষ্ট হয়। সেয়ে আগৰ মানুহে মনত বেলেগ ভাৱ লৈ বাঁহৰ চাট মাৰি দিছিল। কিন্তু তাতো বিজ্ঞান লুকাই আছিল। অৰ্থাৎ আমি নজনা কোৱে কামটো কৰি আছোঁ। চৰাই বোৰে তাত পৰি পৰি জিৰণি লৈ লৈ পোক পৰুৱা ধৰি ধৰি খাই থাকে। এনেধৰণে কৃষক ৰাইজে চলি আছে। আকৌ সন্ধিয়া সময়ত ৰাইজে প্ৰতিটো চুবুৰীতে নিজৰ নিজৰ পাৰাবাসীৰ ঘৰে ঘৰে গৈ গৈ নাম প্ৰসংগ কৰে। সেই হিচাপে প্ৰতিঘৰ মানুহে সমাজ আহিব। ঘৰ বাৰী চাফ চিকুণ কৰা। বেৰা দিয়া কাম কৰে। এই কাতিৰ বিহুৰ পৰাম্পৰাগত নীতি নিয়ম আছে। প্ৰত্যেকে নিজৰ নিজৰ চোতালত তুলসীৰ পুলি পুতিব। কলগছ পুতিব। কলগছ ডালত বাঁহৰ ছুটি কামি সোমাই দিব। তাৰ ওপৰত মাটিৰ চাকি ধুপ ধুনা জ্বলাই দিব। পদূলিৰ মুৰত সকলোৱে শাৰী শাৰী আকাশ বন্তি জ্বলাই দিব। ইফালে নিৰ্মল ফৰকাল আকাশ জোন তৰা তিৰবিৰাই থাকে। এক সুন্দৰ প্ৰাকৃতিক পৰিবেশ সৃষ্টি হয়। এনেকুৱা মনোৰম দৃশ্যত ঘৰৰ গৃহিণী বোৰে তুলসীৰ তলত নৈবেদ্য মাহ-প্ৰসাদৰ শৰাই তামোল-পাণ দি ৰাইজ অহা বৈ থাকে। কণ কণ ল'ৰা বোৰে আগে আগে দৌৰি থাকে। ইঘৰ পৰা সি ঘৰলৈ। বহুত ভাল লগা কথা হ'ল। একোটা চুবুৰীত প্ৰায় পঞ্চাশৰ পৰা ডেৰশ মানলৈ পৰিয়াল থাকে। কিন্তু এনেয়ে বাকী সময় চোৱাত কাৰো ঘৰলৈ যোৱা নাযায়। কিন্তু সিদিনাখন সকলোৱে একেলগে যোৱা যায়। চোতালত বহি সকলোৱে একেমুখে অতীতৰ পৰা চলি অহা গীতফাঁকি গাই। "অ ৰাম, তুলসীৰ গড়ে গড়ে, মৃগ পহু চৰে, তাহাকো দেখি, ৰামচন্দ্ৰ ই ধেনু ধৰে।" বৰ্তমান সময়তো আমাৰ গাওঁ অঞ্চল সমূহত সুন্দৰকৈ চলি আছে। অৱশ্যে কিছুমান ঠাই বিশেষ অসুবিধা তথা খৰচৰ মাত্ৰা চাই মন্দিৰবোৰত একে লগে কাতি বিহু উৎসৱ পালন কৰে। এই বাৰো কাতি বিহু দুৰ্গাপূজাৰ সপ্তমীৰ দিনা পৰিছে। শেষত আমি ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। যাতে পথাৰৰ লখিমী শস্য শ্যামল বৃদ্ধি হৈ সকলোৱে উদঙ ভৰাঁল ভৰ্তি হ ওঁক। অপায় অমঙ্গল নাশ কৰি সকলোৱে সু-স্বাস্থ্য হওক।

*বিপুল চন্দ্ৰ দাস*
*নহিৰা গাঁও, দক্ষিণ কামৰূপ*

# কাতি বিহুৰ পৰম্পৰাগত ৰীতি-নীতি ঃ তেতিয়াৰ তুলনাত বৰ্তমানৰ এক অৱক্ষয়

**কনমনি নাথ**

অসমীয়া সমাজৰ পৰম্পৰাগত ৰীতি-নীতিসমূহ সময়ৰ সোঁতত কিছু পৰিমাণে ফালৰি কাটি বিলুপ্তিৰ দিশে গতি কৰা যেন অনুভৱ হৈছে। যিবোৰ পৰম্পৰা তাহানিতে ককা-আইতাসকলে সুন্দৰভাৱে পালন কৰিছিল, সেইবোৰে মানুহৰ মাজত একতা আৰু মিলা-প্ৰীতিৰ বান্ধোন অটুট ৰাখিছিল। সেইবাবেই হয়তো তেতিয়াৰ সমাজত হাই-কাজিয়া বা অমানৱীয় অত্যাচাৰ আৰু হিংসা বৰ্তমান সময়ৰ দৰে ইমান বৃদ্ধি পোৱা নাছিল।

আমি যদি ল'ৰালিৰ সেই দিনবোৰলৈ উভতি চাওঁ, কি যে এক মধুৰ অনুভূতি আছিল— যাক ভাষাৰে বুজাব নোৱাৰি! বিশেষকৈ লক্ষ্মী পূজা আৰু কাতি বিহুৰ সেই বিশেষ দিনটোত সমনীয়া ল'ৰা-ছোৱালী একত্ৰিত হৈ, কোনো নিমন্ত্ৰণ নোহোৱাকৈয়ে সন্ধিয়া সময়ত গাঁও বা চুবুৰীৰ প্ৰত্যেকৰে ঘৰে ঘৰে গৈছিল। হাতত বাটি বা প্লাষ্টিক লৈ গাজি-প্ৰসাদ খোৱাৰ সেই মাদকতাখিনি কি যে আনন্দদায়ক আছিল! গৃহস্থসকলেও অতি মৰমেৰে প্ৰসাদ বিতৰণ কৰিছিল আৰু সমনীয়াসকলে ফুৰ্তিতে হাই-উৰুমি কৰি জয়ধ্বনিৰে গৃহস্থক আশীৰ্বাদ দিয়াটো এক পৰম্পৰাগত নিয়ম আছিল। পৰিয়ালৰ গৃহিণীসকলেও জানিছিল যে লক্ষ্মী পূজা আৰু কাতি বিহু বুলিলে গাঁৱৰ ল'ৰা-ছোৱালী ঘৰে-ঘৰে আহি প্ৰসাদ খাবই, সেইমতে তেওঁলোকেও সম্পূৰ্ণ প্ৰস্তুত হৈ আছিল।

কিন্তু বৰ্তমান সময়ত আমাৰ সমাজৰ নতুন প্ৰজন্মৰ মাজত এনেবোৰ দিশৰ প্ৰতি আগ্ৰহ বা ইচ্ছা খুবেই কম দেখিবলৈ পোৱা গৈছে। এনেধৰণৰ পৰিস্থিতি খুবেই দুখদায়ক আৰু এক চিন্তনীয় বিষয়। কিয়নো আমাৰ সমাজত গৃহস্থসকলে লক্ষ্মী পূজাত লক্ষ্মী দেৱীক উদ্দেশ্যি আৰু কাতি বিহুত তুলসীৰ তলত চাকি-বন্তি জ্বলাই ল'ৰা-ছোৱালী জাকলৈ আগ্ৰহেৰে অপেক্ষা কৰি থাকে, কিন্তু বৰ্তমানৰ নৱপ্ৰজন্মই তেওঁলোকক বিমুখ কৰা দেখা যায়। যিধৰণৰ আগ্ৰহ থাকিব লাগিছিল, তাৰ তুলনাত ই নিচেই কম! হয়তো কেতিয়াবা আহিবলৈ অনুৰোধ কৰিলেও সিহঁত নাহে।

এনে পৰিস্থিতিৰ মূল কাৰণ হয়তো অত্যধিক আধুনিকীকৰণ বা ডিজিটেল প্ৰযুক্তিৰ প্ৰভাৱ হ'ব পাৰে। কিন্তু আধুনিকীকৰণৰ অৰ্থ এইটো নহয় যে আমি আমাৰ অসমীয়াৰ আদৰৰ পৰম্পৰাগত ৰীতি-নীতিসমূহ পাহৰি যাম! বৰঞ্চ বৰ্তমানৰ আধুনিকীকৰণক প্ৰয়োগ কৰি অধিক আগ্ৰহেৰে আমাৰ পৰম্পৰাসমূহক এক উচ্চ স্তৰলৈ লৈ যোৱাৰহে চেষ্টা কৰিব লাগিছিল। কিন্তু তাৰ বিপৰীতে আমি আমাৰ পৰম্পৰাগত ৰীতি-নীতিসমূহ বিপথে পৰিচালিত কৰি থকা যেনহে অনুভৱ হৈছে।

বৰ্তমানৰ কিছু সংখ্যক প্ৰজন্মই ঘৰে ঘৰে গৈ প্ৰসাদ খোৱাৰ আনন্দ লোৱা আৰু গৃহস্থক আশীৰ্বাদ দিয়াৰ পৰিৱৰ্তে, বেছিভাগ সময় ম'বাইল বা তেনেধৰণৰ ইলেকট্ৰনিক যন্ত্ৰৰ সৈতে অতিবাহিত কৰি প্ৰকৃত সময়ৰ অপব্যৱহাৰ কৰা দেখা গৈছে। সেয়েহে, এনেধৰণৰ মানসিকতা পৰিত্যাগ কৰাৰ উপযুক্ত সময় এতিয়াই আহি পৰিছে, নহ'লে আমাৰ অসমীয়া বুলি পৰিচয় দিয়া পৰম্পৰাগত ৰীতি-নীতিসমূহ নিঃশেষ হৈ যাব। গতিকে এই ক্ষেত্ৰত নৱপ্ৰজন্মই এক বিশেষ ভূমিকা গ্ৰহণ কৰাৰ সময় আহি পৰিছে, নহ'লে অসমীয়াৰ অনুষ্ঠান-পৰম্পৰাবোৰ কেৱল ইলেকট্ৰনিক যন্ত্ৰসদৃশ হৈ পৰিব।

এই ক্ষেত্ৰত অভিভাৱকসকলৰো এক ডাঙৰ দায়িত্ব আৰু কৰ্তব্য আছে। তেওঁলোকে অসমীয়া অনুষ্ঠান তথা পৰম্পৰাগত ৰীতি-নীতিৰ বিষয়ে বহলভাৱে বুজাই নিজৰ শিশু বা সন্তানসকলক জ্ঞান দিয়া উচিত। শিশুসকলক উচ্চ শিক্ষাৰে সমাজত ভাল মানুহ ৰূপে প্ৰতিষ্ঠিত কৰিবলৈ হ'লে পাঠ্যপুথিৰ জ্ঞানৰ লগতে আমাৰ সমাজৰ পৰম্পৰাবোৰৰ বিষয়েও সম্পূৰ্ণভাৱে অৱগত কৰাব লাগিব। সেয়ে সৰুৰে পৰাই শিশুসকলক তেনে নীতিশিক্ষা দিয়াটো নিতান্তই প্ৰয়োজনীয়তা আছে। আমাৰ অসমীয়াৰ মান-মৰ্যাদা বচাই ৰাখিবলৈ হ'লে আমাৰ নৱপ্ৰজন্মই এনেবোৰ দিশৰ প্ৰতি বিশেষ ভূমিকা গ্ৰহণ কৰিব লাগিব আৰু তেতিয়া অসমীয়া জাতিটোক বিশ্বদৰবাৰত প্ৰতিষ্ঠিত কৰিব পাৰিম বুলি ভাবো।

# কাতি বিহু আৰু আকাশ বন্তিৰ বিশেষত্ব

বিহু অসমৰ কৃষিভিত্তিক জাতীয় উৎসৱ। কৃষিকৰ্মৰ বিভিন্ন ধাপসমূহৰ ওপৰত ভিত্তি কৰি বছৰত তিনিটা ভাগত বিহু উৎসৱ উদযাপন কৰা হয়। প্ৰথমটো হৈছে ব'হাগ বা ৰঙালী বিহু, দ্বিতীয়টো হৈছে কাতি বা কঙালী বিহু আৰু তৃতীয়টো হৈছে মাঘ বা ভোগালী বিহু।

কাতি বিহু অসমীয়া জাতীয় উৎসৱ তিনিটাৰ অন্যতম কৃষিভিত্তিক উৎসৱ। অসমীয়া পঞ্জিকাৰ আহিন মাহৰ সংক্ৰান্তিৰ দিনা এই উৎসৱ পালন কৰা হয়। কাতি মাহৰ আৰম্ভণিতে উদযাপন কৰা হয় বাবে এই বিহুক কাতি বিহু বুলি কোৱা হয়। এইখিনি সময়ত কৃষকৰ ভঁৰালত ধান কম থাকে, প্ৰায় শেষ হোৱাৰ উপক্ৰম ঘটে। নতুন ফচল পথাৰৰ পৰা ঘৰলৈ চপাই আনিবলৈও কিছুদিন অপেক্ষা কৰিবলগা হয়। কৃষকৰ বাবে অভাৱ-অনাটনৰ দিন আহে বাবে কাতি বিহুৰ আন এটা নাম কঙালী বিহু।

কঙালী বিহুৰ অন্যতম বৈশিষ্ট্য হৈছে তুলসী তলত জ্বলোৱা চাকিগছি আৰু পদূলি মূৰত, পথাৰত জ্বলোৱা আকাশ বন্তি। এই বিহুৰ মূল উদ্দেশ্য হৈছে পথাৰত ভাল শস্য উৎপাদনৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা আৰু পৰিয়ালৰ মঙ্গল কামনা কৰা। তুলসী পূজা কাতি বিহুৰ প্ৰধান অঙ্গ। ঘৰৰ চোতালত বা অন্য ঠাইত তুলসী ভেটি মচি পৰিষ্কাৰ কৰা হয় আৰু সন্ধিয়া তুলসী তলত বন্তি প্ৰজ্বলন কৰা হয় আৰু ধূপ, দীপ, নৈবেদ্য আগবঢ়াই নাম কীৰ্তন কৰা হয়। তুলসী তলৰ চাকিগছিয়ে অপায় অমঙ্গল দূৰ কৰে বুলি জনবিশ্বাস আছে। খেতি কৰা পথাৰত ওখ বাঁহ পুতি প্ৰদীপ জ্বলোৱা হয়। পদূলি মূৰতো পথাৰৰ দৰে ওখ ঠাইত বা বাঁহ পুতি তাত বন্তিগছি জ্বলোৱা হয়। এনেদৰে ওখকৈ ব্যৱস্থা কৰি জ্বলোৱা চাকিগছিয়েই আকাশ বন্তি। লোকবিশ্বাস অনুসৰি এই আকাশ বন্তিৰ পোহৰত খেতি অনিষ্ট কৰা পোক-পতঙ্গ জ্বলি-পুৰি ছাই হৈ যায় আৰু গৰ্ভৱতী ধানৰ খেতিডৰা সুৰক্ষিত হৈ সম্পূৰ্ণ ৰূপে ফচল উৎপাদন হ'বলৈ সুবিধা পায়। আকাশ বন্তিৰ পোহৰে বংশৰ পূৰ্বপুৰুষ সকলৰ বিদেহ আত্মাক স্বৰ্গগামী হোৱাৰ পথ সুগম কৰে বুলিও কোনো কোনো লোকে কয়। তুলসী ভেটিৰ বাহিৰেও ঘৰৰ অন্য ঠাইত যেনে- গোহালি, ভঁৰাল, খেতি পথাৰতো বন্তি প্ৰজ্বলন কৰা নিয়ম আছে। ইংৰাজী বৰ্ষপঞ্জী মতে অক্টোবৰ মাহত পালন কৰা কাতি বিহু মূলতঃ ফচল ৰক্ষাৰ মনোকামনাৰে পালন কৰা বিহু। বিহুৰ দিনা সন্ধিয়া তুলসী তলত চাকিগছি জ্বলাই গম্ভীৰভাৱে সুন্দৰ শস্য লাভৰ বাবে আৰু পৰিয়ালৰ কুশল মঙ্গল কামনাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰা হয়।

**ৰীমা গায়ন বৰা**
*লেখিকাৰ ঠিকনা ঃ নাওকটা, মৰিগাঁও*

# কাতি বিহু ঃ অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ

কাতি বিহু অসমৰ তিনিটা বিহুৰ ভিতৰত অন্যতম লোক উৎসৱ। কৃষি ভিত্তিক সমাজৰ বাবে বিশেষ তাৎপৰ্য বহন কৰা এই বিহু অসমীয়া সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ। আহিন আৰু কাতি মাহৰ মকৰ সংক্ৰান্তিৰ দিনা এই বিহু পালন কৰা হয়। কাতি বিহু অসমৰ হিন্দু ধৰ্মাৱলম্বী লোক সকলৰ বাবে এক পবিত্ৰ তিথি বা উৎসৱ। এই বিহুত বিশেষ উলহ- মালহেৰে পালন কৰা নহয়। এই সময়ত চহা কৃষকৰ ভঁৰাল সমূহ প্ৰায় উদং হৈ পৰে। সেয়ে লক্ষ্মী দেৱীক সন্তুষ্ট কৰিবৰ বাবে পথাৰ, ঘৰ আদিত চাকি দিয়ে। পোক-পৰুৱা, চৰাই-চিৰিকটি আদিৰ পৰা সুৰক্ষা দিবলৈ লক্ষ্মী দেৱীক কাতৰে আহ্বান জনায়। এই বিহুৰ জৰিয়তে কৃষকে ভৱিষ্যতৰ বাবে আশা আৰু শস্যৰ সমৃদ্ধি কামনা কৰে। এই বিহু অসমীয়াজন জীৱনৰ আয়ুস ৰেখাৰ এক অন্যতম অংগ। এই উৎসৱে কৃষিজীৱী লোক সকলৰ বাবে এক বিশেষ তাৎপৰ্য বহন কৰে। এই সময়চোৱা অসমৰ কৃষিজীৱি সমাজৰ অনাটনৰ সময়। অধিকাংশ কৃষকৰ ভৰাঁলত ধান মুঠি নোহোৱা হয়, বাৰীত শাক- পাচলিৰো নাটনি হয়। সেয়েহে, প্ৰকৃতিৰ



ওপৰত সদায়ে নিৰ্ভৰশীল খেতিয়কে ভৱিষ্যতৰ একমাত্ৰ আশা-ভৰষাৰ স্থল তথা সোণালী সপোন স্বৰূপ পথাৰৰ ধাননিডৰাৰ মংগলৰ বাবেই আচলতে পথাৰ, ভঁৰাল, ঘৰৰ আগফাল-পিছফাল তথা তুলসীৰ তলত চাকি-বন্তি জ্বলায়, পথাৰৰ লখিমীক ভঁৰাললৈ অহাৰ বাট দেখুৱায়, আকাশ বন্তি জ্বলায়।

কাতি বিহু হ'ল পবিত্ৰতা, আশা, সমৃদ্ধি আৰু শান্তিৰ এক বিশেষ অনুভূতি। কাতি বিহুৰ প্ৰচলিত লোকাচাৰ সমূহে অসমীয়াজন জীৱনক এক সুকীয়া মৰ্যাদা প্ৰদান কৰি আহিছে। কৃষিজীৱী অসমীয়াই ৰঙালী আৰু ভোগালী বিহুৰ দৰে মৰম-চেনেহেৰে কাতি বিহুক সাবটি লৈছে। এই বিহু পালনৰ জৰিয়তে প্ৰকৃতি তথা দেৱ-দেৱীৰ প্ৰতি যি দৰে শ্ৰদ্ধা নিবেদন কৰা হয়, তাৰ জৰিয়তে ইয়াৰ মাজত থকা মূল আবেদন সহজে অনুমান কৰিব পাৰি। উলহ-মালহ বা ভোগ প্ৰাচুৰ্য নাথাকিলেও এই বিহুক বহুতো ধৰ্মীয় ৰীতি-নীতিয়ে আবৰি ৰাখিছে। এই কঙালী, অনাটনৰ সময়ত অহা কাতি বিহুত ভোগৰ পৰিৱৰ্তে কৃষিজীৱি ৰাইজে পথাৰৰ পৰা লখিমীক আদৰিবলৈ আধ্যাত্মিকতাৰ আশ্ৰয় লয়। কৃষক, গৃহস্থ সকলোৱে সেয়ে কেৱল ঐশ্বৰ্যৰ বাবে প্ৰাৰ্থনা কৰে। কাতি বিহুৰ পথাৰৰ বন্তি গছি, তুলসী তলৰ বন্তিগছি অথবা আকাশ বন্তি গছিৰ আধ্যাত্মিক জ্যোতিয়ে সকলোকে আলোকিত কৰে।

সময়ৰ লগে-লগে আধুনিকতাৰ প্ৰভাৱে কাতি বিহুৰ কিছু পৰম্পৰা তথা ৰীতি-নীতিৰ ওপৰত প্ৰভাৱ পেলাইছে, যাৰ ফলত বিহু কেন্দ্ৰিক প্ৰচলিত কিছু পৰম্পৰা লোপ পাব ধৰিছে। আধুনিক কৃষি পদ্ধতিৰ প্ৰভাৱৰ ফলত শস্যৰ অভাৱ আৰু চহা শ্ৰমিকৰ সংখ্যা কমি যোৱাৰ ফলত কাতি বিহুৰ পৰম্পৰা সমূহ হেৰাই যোৱাৰ দৰে হৈছে যদিও, কাতি বিহুৰ মূল অংশ হিচাপে পথাৰ আৰু ঘৰত চাকি জ্বলোৱা, তুলসী গছ ৰোৱা আদিৰ দৰে পৰম্পৰা সমূহ বৰ্তমান সময়তো বহুল প্ৰচলিত আৰু এই সমূহে অসমৰজন জীৱনৰ কৃষি ভিত্তিক সংস্কৃতিৰ ওপৰত এক সম্পৰ্ক স্থাপন কৰিছে।

*নিবেদিতা হাজৰিকা*

# কাতি বিহু ঃ লোক-বিশ্বাস আৰু পৰম্পৰা



ধ্ৰুৱজ্যোতি বৰা

অসমৰ কৃষিভিত্তিক সমাজখনত বছৰৰ ছয়টি ঋতুৰে ভাগকৰা প্ৰকৃতিৰ ঋতুচক্ৰত, তিথি-পৰ্ব লোক বিশ্বাস আৰু পৰম্পৰা ইটো সিটোৰ সৈতে এৰাব নোৱাৰাকৈ সংযুক্ত হৈ থাকে । বৰ্ষা ঋতুৰ পথাৰৰ ব্যস্ততাৰ পিছত শৰৎ কালত সাময়িক জিৰণিৰ শেষত গাম্য জীৱন আকৌ খোজ লয় কৃষিকৰ্মৰ ব্যস্ততাৰ দিশে । অসমীয়া জাতিৰ বাপতিসাহোন তিনিটি বিহুৰ ভিতৰত কাতি বিহু বা কঙালি বিহু হৈছে আন দুটি বিহুতকৈ কিছু ব্যতিক্ৰমী । ৰঙালী বা ব'হাগ বিহুৰ আনন্দ-উল্লাস বা ভোগালীৰ ভোগৰ বিপৰীতে কাতি বিহু উদ্‌যাপিত হয় শ্ৰদ্ধা আৰু এক গভীৰ আশাবাদেৰে। কবিতাৰ ভাষাৰে ক'বলৈ গ'লে—

“আজি কাতি বিহুৰ গধূলি,
আন্ধাৰৰ চাকনৈয়াত পোহৰৰ ধেমালি।।”

কাতি বিহু হৈছে অসমীয়া গ্ৰাম্য জীৱনৰ গভীৰ লোক-বিশ্বাস, কৃষ্টি আৰু আধ্যাত্মিক ধাৰণাৰ এক সুন্দৰ প্ৰতিচ্ছবি । বছৰৰ উৎপাদিত শস্য এই সময়লৈ প্ৰায় শেষ হৈ যোৱাৰ বাবে সকলোবোৰ ঘৰৰে ভৰাঁল প্ৰায় উদং হৈ পৰে । পথাৰৰ নতুনকৈ হোৱা ধানৰ ঠোকবোৰ ক্ৰমে গাখীৰতী হয় । শস্যৰ শ্ৰীবৃদ্ধিৰ বাবে অভাৱ অনাটনৰ মাজতো আশাৰ পোহৰে গঞা ৰাইজৰ মন পোহৰাই তোলে।

আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত পালিত এই বিহুৰ সময়ত খেতিয়কৰ ভৰাল উদং হৈ পৰে বাবে এই বিহুক মৰমেৰে ‘কঙালি বিহু’ বুলিও কোৱা হয় । বছৰৰ এই অভাৱ-অনাটনৰ সময়তো কৃষকৰ আত্মবিশ্বাস কেতিয়াও ম্লান হৈ নাযায়। কাতি বিহুৰ সন্ধিয়া বোকাময় পথাৰৰ ধাননিৰ কাষৰ জেওৰাৰ কাষত নাইবা উদং ভৰালৰ এচুকত জ্বলি উঠা মাটি চাকিৰ শলিতাই কাতি বিহুক এক অনন্যতা প্ৰদান কৰে। মিঠাতেল দি জ্বলোৱা চাকিগছিয়ে যেন কৈ যায় অভাৱৰ আন্ধাৰ ভেদ কৰি অনাগত দিন বোৰ নতুন আশাৰ পোহৰে পোহৰাই তুলিব। কাতি বিহুৰ গধূলি সমগ্ৰ অসমৰ ঘৰে ঘৰে, পথাৰে পথাৰে জ্বলিৰোৱা মাটি চাকিৰ পোহৰে এক শান্ত, স্নিগ্ধ আৰু পৱিত্ৰ পৰিৱেশৰ সৃষ্টি কৰে। অতীতৰে পৰা এই পৰম্পৰা চলি আহিছে ,বহুতে মাটি চাকিৰ পৰিবৰ্তে ঔ টেঙাৰ বাকলিক চাকি হিচাপে ব্যৱহাৰ কৰে ।নাহৰৰ গুটি শুকুৱাই তাক জ্বলাই পদূলি পোহৰাই তোলে। অৱশ্যে বৰ্তমান প্ৰগতিৰ বা পৰিবৰ্তনৰ দৌৰত ঔ টেঙাৰ বাকলিৰ চাকি আৰু নাহৰৰ গুটি জ্বলাই পদূলি পোহৰোৱাৰ পৰম্পৰা প্ৰায় হেৰাই গৈছে। এক কথাত কবলৈ গ'লে পৰিবৰ্তনৰ দৌৰত এই পৰম্পৰাও এতিয়া প্ৰায় মৃত্যুমুখত। কিন্তু অতীজৰে পৰা এই পৰম্পৰাবোৰৰ আঁৰত লুকাই আছে গভীৰ লোক-বিশ্বাস। কাতি বিহুৰ দিনা চোতালৰ পূব দিশত নতুন মাটিৰে বেদী সাজি সেই বেদীত তুলসী পুলি ৰোপণ কৰি সন্ধিয়া ভাগত এগছি মিঠাতেলৰ চাকি জ্বলোৱা হয়। পৰিয়ালৰ লগতে ওচৰ চুবুৰীয়া সৰু-বৰ সকলোৱে সমৱেত ঘৰে ঘৰে গৈ তুলসীৰ বেদিৰ কাষত প্ৰাৰ্থনা গোৱাৰ পিছত পৰিয়ালৰ লোকে আৰ্শীবাদ লয়। আৰু মাহপ্ৰসাদ বিতৰণ কৰে। দৰাচলতে তুলসীক পৱিত্ৰ আৰু ঔষধি গুণসম্পন্ন বৃক্ষ বুলি জ্ঞান কৰি এই বৃক্ষক বিহুৰ দিনা ৰোপণ কৰা হয় । আৰু প্ৰতিটো পৰিয়ালেই তুলসীৰ কাষত সমবেত হৈ বছৰটোৰ বাবে পৰিয়ালৰ কুশল-মঙ্গল আৰু শস্যৰ উৎপাদন আৰু পোহনীয়া পশুৰ শ্ৰীবৃদ্ধিৰ কামনাত প্ৰাৰ্থনা জনোৱা লগতে আৰ্শীবাদ লোৱা হয়। পথাৰৰ মাজত বা ঘৰৰ চোতালত ওখ বাঁহৰ আগত ‘আকাশ বন্তি’ (আকাশী চাকি) জ্বলোৱা হয়। বিশ্বাস কৰা হয় যে এই পোহৰে পিতৃপুৰুষলৈ শ্ৰদ্ধা জনোৱা হয়। মাজুলীৰ আউনীআটী সত্ৰত আকাশী বন্তি জ্বলোৱা অনুষ্ঠানটি উলহ মালহেৰে পালন কৰা হয়। আৰু সমগ্ৰ কাতি মাহতো এই আকাশী বন্তি প্ৰজ্বলিত কৰি ৰখা হয়। তদুপৰি আধুনিক বৈজ্ঞানিক দৃষ্টিকোণৰ পৰাও পথাৰত জ্বলোৱা চাকিয়ে শস্য ধ্বংসকাৰী কীট-পতংগক আকৰ্ষিত কৰি নষ্ট কৰাত সহায় কৰে। গতিকে অতীতৰে পৰা প্ৰচলিত হৈ ৰোৱা এই পৰম্পৰাৰ বৈজ্ঞানিক পথটোও নুই কৰিব নোৱাৰি। এই পৰম্পৰাই এইটো পতিয়ন নিয়াই যে প্ৰতিটো বিশ্বাস আৰু পৰম্পৰাৰ লগত বৈজ্ঞানিক বা বিজ্ঞান ওতপ্ৰোতভাবে জড়িত। অসমীয়া গ্ৰাম্য সমাজ পশুপালনৰ লগতো ওতপ্ৰোতভাবে জড়িত। আধুনিক কৃষিকাৰ্যত ট্ৰেকতৰ বা পাৱাৰটিলাৰ আদি ব্যৱহাৰ হলেও বলধ গৰু অবিহনে অতীতৰ কৃষিকৰ্ম অসম্ভৱ আছিল। আজিও গ্ৰামাঞ্চলৰ বহুলোক পশুপালন কৰি জীৱিকা অৰ্জন কৰি আছে । সেইবাবেই কাতি বিহুৰ সন্ধিয়া গোহালিৰ গৰু কেইটাৰ কাষতো চাকি জ্বলাই দি পশুধনৰ দীৰ্ঘায়ু আৰু সুৰক্ষা কামনা কৰা হয়। একেদৰে পথাৰৰ আলিত, ধান গছৰ গুৰিত এগছি চাকি জ্বলাই লক্ষ্মী দেৱীক আদৰণি জনোৱা হয় যাতে পথাৰ শস্যৰে উপচি পৰে।

কাতি বিহু কেৱল অসমীয়াৰ এক উৎসৱেই নহয়,বৰঞ্চ ই হৈছে প্ৰকৃতি আৰু মানুহৰ এক আত্মিক সংযোগ। ‘শাওনৰ পকা ৰ'দত কপালৰ ঘাম মাটিত পেলাই চহ কৰা মাটিডৰাত, ৰোৱনীৰ হাতেৰে ৰোৱা কঠীয়াৰ পুলিবোৰে সময় বাগৰি আহিনৰ শেষত গাভিনী হৈ পথাৰ সেউজীয়া কৰি তোলে, সেই সেউজীয়া ধাননিৰ কাষত যেতিয়া ৰাতি মাটি চাকিৰ শলিতাৰ তিৰবিৰণি উঠে, তেতিয়া তাত প্ৰতিফলিত হয় আশাবাদী খেতিয়কৰ সোণালী ভৱিষ্যতৰ এক মিঠা সপোন। উদং ভঁৰালত জ্বলি থকি চাকিগছিযে আমাক শিক্ষা দিয়ে আন্ধাৰৰ শেষতো পোহৰ নমাৰ দৰে দুখৰ মাজতো সুখ আছে, নিৰাশা মাজতো আশাৰ বীজ গজে। যিকোনো সংগ্ৰাম আৰু অভাৱৰ মাজতো সংস্কৃতি, পৰম্পৰা আৰু আশীৰ্বাদে মানুহক সদায় পোহৰৰ দিশে আগুৱাই লৈ যাব পাৰে। লাগে মাথো সাহস আৰু বিশ্বাস। লাগে মাথো নৈৰাশ্যবাদৰ পৰা মুক্ত হোৱা পথৰ সঠিক সন্ধান ।

*লেখকৰ ঠিকনা ঃ টটয়া গাঁও, মাজুলী*

# কাতি বিহু আৰু অসমীয়া সমাজ

আল্পনা দলে

কাতি অসমীয়া সংস্কৃতি, পথাৰৰ সংস্কৃতি। বিহু সংস্কৃতিৰ প্ৰতীক। বিহুৰ মাজেদিয়েই অসমীয়া জাতিৰ বৈশিষ্ট্য প্ৰকাশ পায়। কৃষিকৰ্মক জীৱিকাৰ প্ৰধান আহিলা হিচাপে লৈ আমাৰ ৰাজ্যৰ সৰহ ভাগ লোক বৰ্তি আছে। সেইবাবে কৃষিৰ লগত অসম আৰু অসমীয়াৰ সম্পৰ্ক নিবিড়। কৃষি অসমীয়া জীৱনধাৰাৰ আত্মা। অৰ্থনৈতিক-সাংস্কৃতিক জীৱনৰো ভেটি। খেতিয়কৰ বাবে পথাৰ আৰু কৃষিয়েই হ'ল জীৱনসংগীস্বৰূপ। শৰৎ কালৰ আহিন মাহৰ শেষৰ দিনটোত এই কাতি বিহু পালন কৰা হয়। অসমত কৃষিভিত্তিক এই উৎসৱ জনজীৱনৰ প্ৰবাহৰ স'তে সংপৃক্ত। অসমৰ প্ৰায় সকলো ভূমিপুত্ৰ জনগোষ্ঠীয় সমাজত কাতি বিহুৰ লোকাচাৰ পালনৰ নিয়ম আছে। কৃষিজীৱী খিলঞ্জীয় জনগোষ্ঠীয় মানুহে পালন কৰা এই পৰম্পৰাৰ বাহ্যিক ৰূপ-ৰং ভিন্ন হ'ব পাৰে, কিন্তু লক্ষ্য -উদ্দেশ্য একেই। বিহু বুলি ক'লে বৰ্তমান সময়ত ৰঙালী, ভোগালী বিহুৰ কথাহে মনলৈ আহে। কাতি বিহু বা কঙালী বিহুৰ কথা সতকাই মনলৈ নাহে। এই সময়ত সকলো সামগ্ৰীৰে নাটনি হয় বাবে এই বিহুক কঙালী বিহু বুলিও কোৱা হয়। আহাৰ মাহত পিঠি চেৰচেৰাই যোৱা দোপালপিটা বৰষুণত তিতি মাটি ৰোৱা ভাদমাহৰ দেহ পুৰি নিয়া ৰ'দত খেতি কৰা চহা খেতিয়কে কাতিবিহুৰ দিনা পথাৰত সভক্তিৰে এগছি চাকি-বন্তি জ্বলাব। পথাৰত চাকি জ্বলোৱাটো কাতি বিহুৰ এক সুকীয়া বৈশিষ্ট্য আছে। খেতিয়কৰ প্ৰাণস্বৰূপ কাতি বিহু হৈছে অতি হেঁপাহৰ লোক উৎসৱ। অসমীয়া লোক সংস্কৃতিৰ এটি প্ৰধান অংগ। কঙালী বিহুৰ খেতিৰ লগত ওতপ্ৰোত সম্পৰ্ক আছে। ঐতিহাসিক কালৰে পৰা জাতি-জনগোষ্ঠীৰ লোক সকলে কৃষিভিত্তিক এই লোক উৎসৱ পালন কৰি আহিছে। এই সময়ত পথাৰত গেঁৰ মেলা ৰোৱাবোৰে হালিজালি থাকে। আহিনত পথাৰখন চাই কৃষকৰ মনোবল বৃদ্ধি হয়, বছৰটোলৈ শক্তি বাঢ়ে।

কাতি বিহুৰ দিনাখন ৰাতিপুৱাই সকলোৱে নিজৰ ঘৰৰ নঙলামুখ, পিচফালৰ বাৰীখন, আগ চোতাল খন চিকুনাই চাফচিকুণ কৰি লয়। পুৱাতেই চোতাল-ঘৰ পদূলি, ভঁৰাল ঘৰটো গোবৰ মাটিৰে লেপি-মচি চোতালত সৰু ভেটি এটি সাজি লয়। গধূলি সময়ত ভেটিটোত তুলসীৰ পুলি এটি ৰোপণ কৰি ধূপ-চাকি জ্বলাই পবিত্ৰ মনেৰে সেৱা কৰে। সন্ধিয়া সময়ত ভঁৰালত, গোহালিত, পদূলিমুখত, ঢেঁকীশালত, তামোল-নাৰিকলৰ গছৰ তলত সভক্তিৰে চাকি-বন্তি জ্বলোৱা হয়। কাতি বিহুৰ



দিনাখন লখিমী ঘৰলৈ আহে বুলি এক লোক বিশ্বাস আছে। ঘৰখনৰ মুৰবীজনে পুৱাতে গা-পা তিওৱাই যায়। জা -জলপান খাই পথাৰলৈ বুলি মোনা এটাত জুইশলা এটা, মিঠাতেলৰ বটল, শলিতা, মাটি চাকি নাইবা ঔটেঙাৰ বাকলি কেইচকলমান নাইবা কলৰ ডোঙা কেইখনমান লৈ পথাৰলৈ যায়। পথাৰখনৰ চাৰিওপিনে ঘূৰিপকি চাই ভাল শুকান ঠাইত ওখকৈ বাঁহৰ গোজ পুতি তাৰ ওপৰত চাকি এগছি জ্বলাই সন্ধিয়া চন্দ্ৰ, সূৰ্য্য, বায়ু, পানী, অগ্নিক সেৱা কৰে, ধাননি পথাৰখন নদন বদন হওক এই কামনাৰে এগছি বন্তি জ্বলায়। (মিচিং জনগোষ্ঠী ধনশিৰিমুখ)। এই জ্বলি থকা চাকি-বন্তিৰ পোহৰত পথাৰৰ অনিষ্টকাৰী পোক - পৰুৱা আদি শত্ৰু আহি জ্বলি থকা চাকিত পৰি জাহ যায়, একান্ত মনেৰে প্ৰাৰ্থনা কৰে, আঘোণত ভঁৰাল ভৰি পৰক। জনজাতীয় লোকসকলৰ মাজত বিশ্বাস ৰীতিনীতি আৰু পৰম্পৰা আদি ঐতিহাসিক দিনৰ পৰাই চলি আহিছে। সন্ধিয়া ভঁৰালত মাটিৰ ম'লা এটাত পিঠিগুৰি দি পথাৰত ধান উভৈনদী হোৱাৰ কামনা কৰি ভক্তিৰে চাকি এগছি জ্বলাই সেৱা কৰে। ভক্তি ভাবেৰে প্ৰত্যেকেই নিজৰ নিজৰ ঘৰত কাতি বিহু পালন কৰে। সন্ধিয়া বুঢ়া -মেথা সকলে জুম বান্ধি চুবুৰিৰ প্ৰতিঘৰলৈকে গৈ সোমৰস পান কৰাৰ নিয়ম আছে। আহিনৰ পথাৰৰ খা-খবৰ লৈ আঘোণৰ ভঁৰাল সঁজাৰ কথা বতৰা পাতে। কৃষিজীৱী ৰাইজৰ আশাসঞ্চাৰী মনবোৰ সোণোৱালী কৰি তোলক। কঙালীৰ গৰ্ভতে অংকুৰিত হওক ভোগালীৰ বীজ। পূৰ্বৰ পৰা প্ৰচলিত হৈ অহা পৰম্পৰা বোৰ হৈছে উৎসৱ পালনৰ মূল উদ্দেশ্য। পৰম্পৰা বৰ্তি নাথাকিলে আমাৰ সংস্কৃতি বিজতৰীয়া হ'ব। সংস্কৃতি জীয়াই থাকিলেহে দেশ, জাতি, ভাষা জীয়াই থাকিব। কাতি বিহুৰ পৰম্পৰাই ও আমাক অসমীয়া হৈ জীয়াই থকাত সহায় কৰিব। কাতি বিহুৰ পবিত্ৰ দিনত সকলোৱে শান্তি, ঐক্য আৰু সংহতিৰে সংকল্পৱদ্ধ হওক আধ্যাত্মিকতাৰে গেৰ ধৰা সেউজীয়া শাৰদীয় পৰিৱেশে সকলোৰে মনলৈ আনন্দ, সুখ আৰু শান্তি কঢ়িয়াই আনক।

*লেখিকাৰ ঠিকনা ঃ গুৱাহাটী (নাৰেংগী), বীৰকুছী*

# আধুনিকতাৰ দোমাজাত কাতিবিহু

ৰাজু কলিতা

পূৰ্বৰ কাতিবিহু আৰু বৰ্তমানৰ কাতিবিহুৰ মাজৰ সময়ানুক্ৰমিক পৰিৱৰ্তনসমূহ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু মানসিক দৃষ্টিভংগীৰ পৰা অত্যন্ত তাৎপৰ্যপূৰ্ণ। কাতিবিহু বা কঙালী বিহু হৈছে অসমীয়া কৃষি সংস্কৰণৰ এনে এক সংবেদনশীল উৎসৱ, য'ত আনন্দ বা উছৱৰ ৰং-ধেমালিতকৈ আত্মসংযম, ভক্তি আৰু ভৱিষ্যতৰ প্ৰচুৰ্যৰ আশা অধিক মুখ্য হৈ পৰে। সময়ৰ গতিধাৰাত এই বিহুৰ পালন ৰীতি আৰু মনোভাৱত যি সূক্ষ্ম অথচ গভীৰ পাৰ্থক্য গঢ়ি উঠিছে, সেয়া আমাৰ সমাজব্যৱস্থাৰ ক্ৰমবিকাশৰেই এক নিদৰ্শন। পূৰ্বৰ কাতিবিহুৰ মূল সঁচ আছিল প্ৰকৃতিৰ সৈতে অকৃত্ৰিম একাত্মতা আৰু গাঁৱলীয়া সমাজখনৰ নিভাঁজ সৰলতা। অতীতত কাতিবিহুক ‘কঙালী’ বোলা হৈছিল কাৰণ সেই সময়ছোৱাত কৃষকৰ ভঁৰালৰ ধান শেষ হৈ আহে আৰু পথাৰৰ নতুন ধান ধোৱা ধানহে হৈ থাকে অৰ্থাৎ শস্য উৎপাদনৰ চূড়ান্ত পৰ্যায়ৰ পূৰ্বৰ এক কঠিন সংক্ৰান্তি। তথাপি অভাৱ আৰু সংকটে কৃষকৰ মনৰ আশা আৰু ভক্তিক ম্লান কৰিব পৰা নাছিল। পুৱাৰ পৰাই গাঁৱৰ প্ৰতিটো পৰিয়ালত অনাবিল পৰিৱেশৰ সৃষ্টি হৈছিল। ঘৰ-দুৱাৰ, পদূলি, পথাৰৰ আলি আৰু গোহালি চাফ-চিকুণ কৰি পুৰণি কালৰ মানুহে প্ৰকৃতি আৰু গৃহদেৱতাক আদৰিবলৈ প্ৰস্তুত হৈছিল। বিশেষকৈ মাংগলিক তুলসী গছজোপাক ঘৰৰ চোতালৰ বৰপীৰাত বা মঠত সংৰোপণ কৰি অতি ভক্তিৰে তাৰ গুৰিত মাটিৰ চাকিত সৰিয়হৰ তেল ঢালি বন্তি প্ৰজ্বলন কৰা হৈছিল। একেদৰে পথাৰৰ ৰূপহী ধাননিৰ মাজত, পদূলিমুখত, গোহালিত, তামোল-পানৰ বাৰীত আৰু ভঁৰালঘৰৰ আগত চাকি জ্বলোৱাটো আছিল এক বাধ্যতামূলক নীতি। পথাৰৰ ধাননি ডেকাত ওখ বাঁহৰ টোঙত ‘আকাশবন্তি’ জ্বলোৱাৰ পৰম্পৰা আছিল এক সুন্দৰ কাৰিকৰী আৰু আধ্যাত্মিক সংযোগ ই কেৱল স্বৰ্গীয় পিতৃ-পুৰুষলৈ আগবঢ়োৱা শ্ৰদ্ধাঞ্জলিয়েই নাছিল, বৰঞ্চ পথাৰৰ অনিষ্টকাৰী কীট-পতংগক পোহৰৰ প্ৰতি আকৰ্ষিত কৰি বিনষ্ট কৰাৰ এক পাৰম্পৰিক জৈৱিক উপায়ো আছিল। একেদৰে কঙালীৰ নিশা শস্যৰ সুৰক্ষাৰ বাবে আৰু অপায়-অমংগল দূৰ কৰিবলৈ ‘শূপ জ্বলোৱা’ বা খেৰৰ মৈদাম সাজি পোহৰ কৰাৰ পৰম্পৰাও ঘৰে ঘৰে চলিছিল। সৰল গাঁৱলীয়া মানুহখিনিয়ে তুলসীৰ তলত ধূপ-ধূনা জ্বলাই নাম-প্ৰসংগ কৰি গোটেই ৰাতি পবিত্ৰতা ৰক্ষা কৰিছিল আৰু সৰু সৰু ল'ৰা-ছোৱালীয়ে ‘তুলসীৰ তলে তলে মৃগপহু চৰে...’ গাই সমগ্ৰ পৰিৱেশটো এক অনন্য আধ্যাত্মিক সুৰধ্বনিৰে মুখৰিত কৰি তুলিছিল। তাত নাছিল কোনো বাহ্যিক জাকজমকতা, আছিল কেৱল শস্য-শ্যামলা বসুন্ধৰাৰ প্ৰতি কৃতজ্ঞতা আৰু একাগ্ৰ প্ৰাৰ্থনা। তাৰ বিপৰীতে, বৰ্তমানৰ কাতিবিহুৰ প্ৰেক্ষাপটত এক ব্যাপক যান্ত্ৰিক আৰু আধুনিক ৰূপান্তৰ লক্ষ্য কৰা যায়। আধুনিক শিক্ষা, চহৰীকৰণ, অৰ্থনৈতিক উন্নয়ন আৰু বিশ্বায়নৰ ফলত আমাৰ কৃষিভিত্তিক সমাজখন যিদৰে সলনি হৈছে, কাতিবিহু পালনৰ ধাৰণাতো তাৰ স্পষ্ট প্ৰভাৱ পৰিছে। আজিৰ দিনত গ্ৰাম্য জীৱনৰ সেই নিৰ্জু শান্ত পৰিৱেশ বহু পৰিমাণে বিলুপ্ত হৈছে। চহৰ বা উপ-নগৰসমূহৰ আৱাসিক ফ্লেট বা অট্টালিকাসমূহত কংক্ৰিটৰ চোতালত কৃত্ৰিম প্লাষ্টিক বা মাটিৰ টাবত তুলসী ৰুই বিহু পালন কৰিবলগীয়া হৈছে, য'ত পূৰ্বৰ মুকলি প্ৰকৃতিৰ সুবাস আৰু নিৰ্মলতা অনুপস্থিত। পূৰ্বতে য'ত কাঠ-বাঁহ আৰু মাটিৰ চাকিত সৰিয়হৰ তেলৰ সুগন্ধি ধোঁৱাই পৰিৱেশ ধন্য কৰিছিল, আজিকালি তাৰ স্থানত প্লাষ্টিকৰ চাকি, মোমবাতি, বা কেতিয়াবা কাৰেণ্টৰ টুনি-লাইটে লৈছে। কাতিবিহুৰ সেই গুৰুত্বপূৰ্ণ প্ৰাকৃতিক তথা বৈজ্ঞানিক দিশসমূহ যেনে আকাশবন্তি প্ৰজ্বলন বা পথাৰত কীট-পতংগ নিয়ন্ত্ৰণৰ নিয়মসমূহ সময়ৰ লগে লগে আধুনিক ৰাসায়নিক কীটনাশকৰ বহুল ব্যৱহাৰৰ বাবে বিলুপ্তপ্ৰায় হৈ পৰিছে। নতুন প্ৰজন্মই আকাশবন্তিৰ ভৌতিক আৰু পাৰম্পৰিক তাৎপৰ্য বহুপৰিমাণে অনুধাৱন কৰিব পৰা নাই। তদুপৰি, তথ্য-প্ৰযুক্তি আৰু ছচিয়েল মিডিয়াৰ এই আধুনিক যুগত ঐতিহ্য পালনৰ শৈলীটো সম্পূৰ্ণভাৱে আচাৰ-কেন্দ্ৰিকৰ পৰা প্ৰদৰ্শন-কেন্দ্ৰিকলৈ পৰিৱৰ্তিত হৈছে। তুলসীৰ তলত চাকি এগছি জ্বলাই অন্তৰৰ গভীৰ ভক্তিৰে শস্যৰ মংগল কামনা কৰাতকৈ চাকি জ্বলোৱাৰ মুহূৰ্তটোক কেমেৰাত আবদ্ধ কৰি ডিজিটেল মাধ্যমত ভাগ-বাটোৱাৰা কৰাৰ প্ৰৱণতাইহে প্ৰধান্য লাভ কৰা দেখা যায়। সংসাৰৰ দৈনন্দিন ধাৱমান ব্যস্ততাৰ বাবে আজিকালি বহু পৰিয়ালে পথাৰলৈ গৈ চাকি জ্বলোৱাৰ সময় বা সুবিধা নাপায়, কেৱল ধৰ্মীয় আৰু সামাজিক দায়বদ্ধতা পালনৰ খাতিৰত চোতালৰ তুলসী গছজোপাতে চাকি এগছি জ্বলাই বিহুৰ ইতিকৰ্তব্য সামৰে। মন কৰিবলগীয়া যে, পূৰ্বৰ কাতিবিহুৰ যি কঙালী ৰূপ অৰ্থাৎ অভাৱ আৰু সংকটৰ ছাঁ আছিল, বৰ্তমানৰ অৰ্থনৈতিক আধুনিকতা আৰু সুচল যোগান ব্যৱস্থাৰ বাবে সেই খাদ্য সংকটৰ পোনপটীয়া অনুভূতি এতিয়া পূৰ্বৰ দৰে তীব্ৰ হৈ থকা নাই। তথাপি, উপাদান বা পালনৰ আড়ম্বৰ যিয়েই নহওক কিয়, কাতিবিহুৰ যি মূল বাণী বা আত্মা অৰ্থাৎ নিৰহংকাৰ মানসিকতাৰে প্ৰকৃতিক শ্ৰদ্ধা জনোৱা, কৃষি আৰু শস্যৰ সুৰক্ষা কামনা কৰা আৰু অনাগত দিনবোৰত পৃথিৱীখন সুজলা-সুফলা হৈ পৰাৰ বাবে ঈশ্বৰৰ ওচৰত আশীৰ্বাদ খোজা সেই আধ্যাত্মিক অনুভৱটো এতিয়াও প্ৰতিগৰাকী অসমীয়াৰ হৃদয়ত অপৰিৱৰ্তিত হৈ আছে। সংক্ষেপে ক'বলৈ গ'লে, পূৰ্বৰ কাতিবিহু আছিল প্ৰকৃতি, কৃষি আৰু নিভাঁজ ভক্তিৰ এক অকৃত্ৰিম মেলবন্ধন, আৰু বৰ্তমানৰ কাতিবিহু হৈছে সময়ৰ আহ্বানত আধুনিক জীৱনশৈলী, প্ৰযুক্তি আৰু নগৰীয় মানসিকতাৰ লগত খাপ খাই জীয়াই থকা এক সজীৱ সাংস্কৃতিক ঐতিহ্য।

*লেখকৰ ঠিকনা ঃ মাজুলী*

# তুলসীৰ দিপ্তীত কাতি বিহুৰ আধ্যাত্মিক পৰম্পৰা

উৰিশ্মা নাথ

কাতি বিহু জাতীয় জীৱনৰ প্ৰাণৰ উৎসৱ। অসমীয়া ৰাইজে কাতি বিহু ভোগ আৰু আনন্দৰ বিপৰীতে সীমিত ৰূপত অনুষ্টুপীয়াকৈ অনাড়ম্বৰ ভাৱে পালন কৰি আহিছে। এই সময়তে সৰহ ভাগ খেতিয়কৰ ভঁৰাল উদং হয়, অভাৱ-অনাটনে কৃষক ৰাইজক হেঁচি ধৰে। সেয়েহে নিৰানন্দ আৰু হতাশাৰ মাজতো কাতি বিহু প্ৰাচীন কালৰে পৰা কৃষিজীৱী গঞাই শস্যৰ মংগলৰ অৰ্থে বিবিধ নীতি -নিয়মেৰে পালন কৰি আহিছে। কৃষিজীৱী জনতাই কাতি বিহুকো ৰঙালী আৰু ভোগালী বিহুৰ দৰেই মৰম চেনেহৰ বান্ধোনেৰে সাৱটি লোৱা দেখা যায়। বিভিন্ন কৃষি সম্পকিয় বিশ্বাস, ধৰ্মীয় তথা আধ্যাত্মিক বিশ্বাস কাতি বা কঙালী বিহুৰ সৈতে ঘনিষ্ঠ ভাৱে জড়িত হৈ আছে।

ডাকৰ বচনেও কয়— ‘আহিনে কাতিয়ে ৰাখিবা পানী, যেনেকৈ ৰাখে ৰজাই ৰাণী’। - শস্যৰ সুৰক্ষা আৰু মংগলৰ বাবে মান্ধাতা যুগৰেই পৰাই জুইৰ ব্যৱহাৰ হৈছে খেতিয়কৰ শস্য ৰক্ষাৰ প্ৰধান সাৰথি। এই জুইৰ ব্যৱহাৰ ক্ৰমশঃ পৰিৱৰ্তন ঘটি মাটিৰ চাকিলৈ সলনি হৈছে বুলি অনুমান কৰিব পাৰি। এই মাটিৰ চাকি গচিয়েই তাহানিৰ বৃহৎ জুইকুৰাৰ প্ৰতীক, যি গচি চাকি কাতি বিহুৰ দিনা সোণোৱালী শইচৰ পথাৰত একান্ত চিত্তে পবিত্ৰ অন্তৰেৰে জ্বলোৱা হয়।

আহিনৰ শেষ দিনটো আমাৰ লোক সমাজে আলোকৰ উৎসৱ হিচাপে বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰে পৰা পালন কৰি আহিছে। এই বিহুৰ স'তে সাঙোৰ খাই আছে আমাৰ জাতীয় জীৱনৰ কৃষ্টি-সংস্কৃতি। জেঠ, আহাৰ, শাওণ মাহ খেতিৰ বতৰ। মূৰৰ ঘাম মাটিত পেলাই হাড়ভঙা কঠোৰ পৰিশ্ৰমেৰে চহা কৃষক, ৰোৱনীসকলে পথাৰ খনত ভূঁই ৰুই অন্ত কৰে। অন্তৰত অযুত হেঁপাহ, এদিন সোণ গুটিৰে ভঁৰাল ভৰিব, সেউজ সোণোৱালী ভৱিষ্যতৰ সপোন ৰচিব, শেষ হ'ব অকালৰ দিন। এই সপোন দেখা চহা কৃষকে শৰতৰ বতৰত উৎফুল্ল হয়। শইচৰ ফুল ফুলি, সোণগুটি লাগিবৰ হয়। এনে সময়ত শস্যৰ নষ্টকাৰী কীট-পতংগৰো উৎপাত বেছি হয়, পোক-পৰুৱা, চৰাই-চিৰিকটি, নিগনি-এন্দুৰৰ লগতে প্ৰাকৃতিক উপসৰ্গ সমূহে নকৈ ঠন ধৰি উঠা ধাননি ডৰাৰ যাতে অপকাৰ সাধিব নোৱাৰে, তাৰ বাবে কৃষকসকল যথেষ্ট সজাগ হয়। শস্যৰ নিৰাপত্তাৰ বাবে বিধি-বিধান পালন কৰে।

কাতি বিহু উপলক্ষে প্ৰতিঘৰ অসমীয়াই ঘৰ-



দুৱাৰ, আলি-পদূলি, ভালদৰে পৰিষ্কাৰ পৰিচ্ছন্ন কৰে। ঘৰৰ চৌপাশ চিকুণাই সুন্দৰ কৰি থয়। লোকবিশ্বাস মতে, কাতি বিহুৰ দিনা ঘৰ-দুৱাৰ, চোতাল, পদূলি চাফা হৈ থাকিলেহে শস্যৰ প্ৰতীক লক্ষ্মীদেৱীৰ গৃহস্থৰ ঘৰলৈ আগমন ঘটে। সেয়ে সেইদিনা সকলোৱে ঘৰ-দুৱাৰ, চোতাল আদি ভালকৈ সাৰি-পুচি, মুচি-কাচি চাফ-চিকুণকৈ ৰাখে।

আহিনৰ শেষ দিনাটোত প্ৰতিজন কৃষকেই নিজৰ নিজৰ কামত ব্যস্ত হয়। চোতালৰ আগৰ ভঁৰালৰ কাষত নতুন ৰঙা মাটিৰে টিপ তুলি তুলসী-ভেটি স্থাপন কৰে। এটি সুন্দৰ তুলসী পুলি ৰুই মচি-কাচি নিকা কৰি থয়। কোনো কোনোৱে তুলসী ভেটিৰ চাৰিও কাষে চাৰিটা কলৰ পুলিও ৰোৱে। সন্ধিয়া এই তুলসী তলৰ উপৰি গোঁসাই ঘৰ, ভঁৰাল ঘৰ, ধাননি-পথাৰ, ঢেঁকীশাল, গোহালি, পঢ়া কোঠা, হাঁহ-ছাগলীৰ গৰালৰ সন্মুখত মাটিৰ চাকি বা ঔটেঙাৰ খোলত মিঠাতেল ঢালি চাকি জ্বলোৱা হয়। নাই বা কিছুমানে অমিতা ফালি চাকি জ্বলোৱা দেখা যায়। চাকি জ্বলোৱাৰ উদ্দেশ্যে দিনৰ ভাগতে মাটিৰ চাকি, ঔটেঙা, অমিতা আৰু শলিতা যোগাৰ কৰি থয়।

আবেলি পথাৰখন চাই অহাৰ নিয়ম। নহ'লে লখিমীয়ে গিৰিহঁত নাই বুলি ভাবে আৰু তেনে ব্যক্তিৰ ঘৰলৈ লখিমীৰ আগমন নহয়। ফলত তেনে লোকৰ ঘৰত আকালৰ সৃষ্টি হয়, দুখ-কষ্টৰ পৰিমাণ বাঢ়ি যায়। সেয়ে ঘৰৰ মূল মহিলা গৰাকীয়ে হাতত কাঁচি লৈ ধান চাবলৈ যায়। তিনিখন থুৰিয়া তামোল আগলতি কলপাতত আগ বঢ়াই ধাননি পথাৰত আয়ে সেৱা লয়, আই লখিমীক গৃহলৈ আমন্ত্ৰণ জনায়। অজ্ঞাতে হোৱা দোষ-ত্ৰুটিৰ মাৰ্জনা বিচাৰে।

সন্ধিয়া হোৱাৰ লগে-লগে আৰম্ভ হয় বন্তি প্ৰজ্বলন। পথাৰত ওখকৈ বাঁহৰ জোঁজ পুতি মাটিৰ চাকি জ্বলাই শস্যৰ মংগল কামনা কৰে। ভঁৰাল ঘৰত এটা দুনৰিত কেঁচা পিঠাগুৰি, কল, থুৰিয়া তামোল, এঘটি পানীসহ মাটিৰ চাকি জ্বলাই লখিমী আইলৈ বুলি উছৰ্গা কৰে। লক্ষ্মী দেৱীৰ সন্তুষ্টিৰ বাবেই এনেদৰে কৃষকে এই নিয়ম পালন কৰে। একেদৰে লখিমী অহাৰ পথ পোহৰাই তুলিবৰ বাবেই আগতে উল্লেখ কৰা মতে পদূলি মুখ, দুৱাৰ মুখ, ঢেকী শাল, গোঁসাই ঘৰ আদিত মাটিৰ চাকি জ্বলোৱা হয়। আই সৰস্বতীয়ে লগ দিয়ক বুলি পঢ়া কোঠাৰ ভিতৰতো মাটিৰ প্ৰদীপ জ্বলোৱা হয়। সেইদিনা ৰান্ধনী ঘৰো পৰিষ্কাৰ কৰি লখিমী অহাৰ বাট সুগম কৰি ৰখা হয়। সেই দিনা খেতিয়কে চৰু, কেৰাহী, কলহ, ঘটি উদং হৈ থাকিলে লখিমী অসন্তুষ্ট হয় আৰু তেনে লোকৰ জীৱনত কেতিয়াও দুখ নুগুচে। এই কাতি বিহুৰ সন্ধিয়া পথাৰত খেতিয়কে আকাশ বন্তি জ্বলায়। আকাশ বন্তিৰ পোহৰত হেনো আমাৰ উপৰিপুৰুষৰ আত্মা সৰগলৈ যাত্ৰা কৰে। সুখ আৰু শান্তিত আত্মাই দিন কটায়। আনহাতে এই পবিত্ৰ সন্ধিয়া শ্মশানতো মাটিৰ চাকি জ্বলাই গৃহস্থই মৃতকৰ পৰা আশীৰ্বাদ বিচাৰে।

কাতি বিহুৰ আটাইতকৈ মনোৰম আৰু উপভোগ্য অনুষ্ঠানটো হ'ল তুলসী তলৰ গধূলি। আধ্যাত্মিক নীতি-নিয়মেৰে ভৰপুৰ এই অনুষ্ঠানত নৈবেদ্য ৰ শৰাই নিবেদন কৰি তুলসী দেৱীৰ নাম লোৱা হয়। ধূপ-ধূনাৰ সুগন্ধি সুবাস বতাহত চৌদিশে বিয়পি থাকে। ওচৰ চুবুৰিয়ে হৰিনামৰ ধ্বনিয়ে আকশ-বতাহ মুখৰিত কৰি তোলে। সৰুকালৰ সেই নামবোৰে এতিয়াও আমনি কৰে—

(১) “তুলসী তুলসী অ' আই তুলসী
তুমি গোবিন্দৰ প্ৰিয়া,
তোমাক পুজিঁছো আই অ' তুলসী
শান্তি অকণি দিয়া।।”

(২) “তুলসীৰ তলে মৃগ পহু চৰে
তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে।।”

কাতি মাহ হিন্দু দৰ্শন মতে পবিত্ৰ মাহ। আহাৰ, শাওণ, ভাদ আৰু কাতি মাহত হৰি শয়ণ অৱস্থাত থাকে। এই পৱিত্ৰ দিনটোতে হৰি বা ভগৱান সাৰ পায় আৰু অন্য দেৱ-দেৱীও মানৱৰ পৰা নৈবেদ্য গ্ৰহণ কৰিবলৈ পৃথিৱীলৈ নামি আহে। সেয়েহে এই কাতি বিহুৰ দিনাৰ পৰাই ধৰ্মীয় চিন্তা-চৰ্চা, ধৰ্ম শাস্ত্ৰ পাঠ আৰু ঈশ্চৰ চিন্তাত মগ্ন হয়। এই কাতি বিহুৰ দিনাৰ পৰাই সমগ্ৰ কাতি মাহত তুলসী তলত অসমীয়া ৰাইজে বন্তি জ্বলায় আৰু নামঘৰত ৰাইজে পুথি-পাত চাই। গঞাৰ বিশ্বাস এনে কৰি মনৰ আশা পূৰ্ণ হয়। এই কাৰণতে নানা শাস্ত্ৰ অধ্যয়ন কৰি পূৰ্ণ অৰ্জনত চহা কৃষকসকল ব্ৰতী হয় আৰু পাপ নাশৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। কাতি বিহুৰ বিহুৰ দিনা অসমীয়া ৰাইজে উপবাসে থাকে। সেইদিনা ভাত খাব নাপায় বুলি এক জনবিশ্বাস আজিও প্ৰচলিত হৈ আছে।

মুঠতে কাতি বিহুক কেন্দ্ৰ কৰি আমাৰ সমাজত যিমানবোৰ পৰম্পৰা প্ৰচলিত হৈ আছে সকলোতে যুক্তি নিষ্ঠতা নিহিত হৈ আছে। কাতিৰ উদং ভঁৰালে কৃষকৰ অৰ্থনৈতিক অৱস্থাও শোচনীয় কৰি তোলে। ফলত মানসিক অৱস্থাও মানুহৰ ভালে নাথাকে। খঙ-ৰাগে আমনি কৰে, অৰ্থনৈতিক কৰ্মৰ প্ৰতি ইচ্ছা হয়। সেয়ে হয়তো কোনোবা অতীততে মানুহৰ মন সংযমী আৰু নিয়ন্ত্ৰণ কৰি ৰাখিবলৈ কাতি বিহুৰ স'তে এনে ধৰ্মীয় নীতি-নিয়মবোৰ সমাজ ব্যৱস্থালৈ আহিল। শস্য সুৰক্ষা আৰু নিৰাপত্তাৰ ব্যৱস্থা কৃষকে সমাজে যিদৰে কৰি আহিছে সিয়েই হ'ল কাতি বিহুৰ সাম্প্ৰতিক ৰূপ। কঙাল বা অভাৱ-অনাটনৰ দিনত এই বিহু উদ্‌যাপিত হ'লেও ইয়াৰ প্ৰাসঙ্গিকতা এৰাই চলিব নোৱাৰি। অসমীয়া জাতীয় জীৱনত কাতি বিহুৰ তাৎপৰ্য্য আন বিহু কেইটাতকৈ কোনোগুণে কম নহয়। জাতীয় জীৱনত কাতি বিহুৰ পৰম্পৰাই অসমীয়া সমাজ খনৰ পৰিচয় দাঙি ধৰিছে। ঠাইভেদে এই বিহুৰ স'তে জড়িত হৈ আছে অনেক লোকাচাৰ। যি আমাৰ সামাজিক সাংস্কৃতিক জীৱনক সমৃদ্ধ কৰি তুলিছে।

*লেখিকাৰ ঠিকনা ঃ গৰুখুটি (দৰং)*

# কাতি বিহু ঃ ঐতিহ্য আৰু আশাৰ পোহৰ



ভণিতা নাথ

অসমৰ লোক-সংস্কৃতিৰ বিশাল পৰিসৰত বিহু কেৱল তিনিটা ঋতুভিত্তিক উৎসৱৰ সমষ্টি নহয়; ই অসমীয়া জাতিৰ জীৱনবোধ, কৃষিজীৱনৰ অভিজ্ঞতা, প্ৰকৃতিৰ সৈতে সহাৱস্থান আৰু সামূহিক চেতনাৰ এক জীৱন্ত প্ৰকাশ। বʼহাগ বিহুৰ প্ৰাণচঞ্চলতা আৰু মাঘ বিহুৰ ভোগ-উল্লাসৰ বিপৰীতে কাতি বিহুৰ স্বৰূপ অধিক সংযত, গম্ভীৰ আৰু তাৎপৰ্যপূৰ্ণ। ইয়াৰ সৈতে জড়িত হৈ আছে অপেক্ষাৰ বেদনা, অভাৱৰ বাস্তৱতা, শস্যৰ প্ৰত্যাশা আৰু ভৱিষ্যতৰ প্ৰতি মানুহৰ অটল বিশ্বাস। সেইবাবেই কাতি বিহুক কেৱল এটা পৰম্পৰাগত উৎসৱ হিচাপে বিচাৰ কৰিলে ইয়াৰ গভীৰ সাংস্কৃতিক আৰু সামাজিক তাৎপৰ্য সম্পূৰ্ণৰূপে উপলব্ধি কৰা সম্ভৱ নহয়। ই অসমৰ কৃষিভিত্তিক সভ্যতাৰ এনে এক অধ্যায়, যʼত মানুহৰ পৰিশ্ৰম, প্ৰকৃতিৰ অনিশ্চয়তা আৰু আশাবাদী জীৱনদৃষ্টিৰ এক অনন্য সমন্বয় প্ৰতিফলিত হৈছে।

অসমীয়া বৰ্ষপঞ্জীৰ কাতি মাহ কৃষিজীৱনৰ এক বিশেষ সন্ধিক্ষণ। পথাৰত ধানৰ গছবোৰ সেউজীয়া হৈ বাঢ়ি আহে, শীহ ধৰিবলৈ আৰম্ভ কৰে আৰু কৃষকৰ মনত নতুন শস্যৰ সম্ভাৱনাই পোখা মেলে। কিন্তু এই সম্ভাৱনাৰ বাস্তৱ ৰূপ পাবলৈ তেতিয়াও বহু সময়ৰ প্ৰয়োজন। আগৰ শস্যৰ ভঁৰাল প্ৰায় উদং হোৱাৰ বিপৰীতে নতুন ধান চপোৱাৰ সময় হোৱা নাই। ফলত কৃষকৰ জীৱনত সৃষ্টি হয় অভাৱ আৰু প্ৰত্যাশাৰ এক দ্বৈত অৱস্থা। এফালে দৈনন্দিন জীৱনৰ প্ৰয়োজনীয়তা পূৰণৰ চিন্তা, আনফালে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল শস্যৰ ভৱিষ্যৎ। এই পৰিস্থিতিয়েই কাতি বিহুক 'কঙালী বিহু' হিচাপে এক সুকীয়া পৰিচয় প্ৰদান কৰিছে।

'কঙালী' শব্দটোৱে সাধাৰণতে অভাৱ-অনাটনৰ অৱস্থাক বুজালেও কাতি বিহুৰ ক্ষেত্ৰত ইয়াৰ তাৎপৰ্য অধিক বিস্তৃত। ই কেৱল অৰ্থনৈতিক দীনতাৰ প্ৰতিচ্ছবি নহয়; বৰং কৃষিজীৱনৰ এনে এক সময়ক প্ৰতিনিধিত্ব কৰে, যেতিয়া মানুহৰ হাতত প্ৰাপ্তি সীমিত থাকে, কিন্তু ভৱিষ্যতৰ প্ৰতি প্ৰত্যাশা গভীৰ হৈ থাকে। এই উৎসৱে আমাক বুজিবলৈ সহায় কৰে যে মানুহৰ জীৱন কেৱল প্ৰাপ্তিৰে পৰিপূৰ্ণ নহয়; অপেক্ষা, সংযম আৰু অনিশ্চয়তাও জীৱনৰ অবিচ্ছেদ্য অংশ। কৃষকৰ বাবে কাতি মাহৰ প্ৰতিটো দিনেই নতুন শস্যৰ সম্ভাৱনাৰ সৈতে জড়িত। পথাৰৰ সেউজীয়া ৰং তেওঁৰ বাবে কেৱল প্ৰাকৃতিক সৌন্দৰ্য নহয়, ই পৰিয়ালৰ জীৱিকা, ভৱিষ্যতৰ নিৰাপত্তা আৰু পৰিশ্ৰমৰ প্ৰতিদান লাভৰ আশাৰ প্ৰতীক।

কাতি বিহুৰ অন্যতম উল্লেখযোগ্য পৰম্পৰা হৈছে তুলসীৰ তলত বন্তি প্ৰজ্বলন। সন্ধিয়া হোৱাৰ লগে লগে অসমীয়া পৰিয়ালসমূহে তুলসী ভেটিৰ কাষত চাকি জ্বলাই পৰিয়ালৰ মংগল আৰু কল্যাণ কামনা কৰে। একেদৰে পথাৰৰ মাজত ওখ বাঁহৰ আগত স্থাপন কৰা আকাশবন্তিয়েও এই উৎসৱৰ এক বিশেষ সাংস্কৃতিক পৰিচয় বহন কৰে। এই আচাৰ-অনুষ্ঠানসমূহৰ আঁৰত নিহিত হৈ আছে লোকবিশ্বাস, কৃষিজীৱনৰ অভিজ্ঞতা আৰু প্ৰকৃতিৰ প্ৰতি মানুহৰ গভীৰ নিৰ্ভৰশীলতা। বন্তিৰ পোহৰে যেন কৃষকৰ নীৰৱ প্ৰাৰ্থনাক দৃশ্যমান ৰূপ দিয়ে। ই অনিশ্চয়তাৰ মাজত আশাৰ প্ৰতীক, অভাৱৰ মাজত বিশ্বাসৰ প্ৰকাশ আৰু অন্ধকাৰৰ মাজত পোহৰ বিচাৰি যোৱাৰ এক সাংস্কৃতিক অভিব্যক্তি।

বন্তি প্ৰজ্বলনৰ পৰম্পৰাক কেৱল ধৰ্মীয় আচাৰৰ সীমাৰ ভিতৰত আবদ্ধ কৰি ৰাখিলে ইয়াৰ বহুমাত্ৰিক তাৎপৰ্য উপলব্ধি কৰাত অসুবিধা হয়। লোক-সংস্কৃতিৰ প্ৰতিটো পৰম্পৰাৰ দৰে ইয়াৰো এক সামাজিক আৰু মানসিক দিশ আছে। মানুহে যেতিয়া নিজৰ জীৱিকাৰ বাবে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে, তেতিয়া অনিশ্চয়তা আৰু আশংকাৰ মাজত মানসিক স্থিৰতা বজাই ৰখাটো অত্যন্ত প্ৰয়োজনীয় হৈ পৰে। কাতি বিহুৰ বন্তিয়ে সেই স্থিৰতা আৰু আশাবাদক প্ৰতীকী ৰূপত প্ৰকাশ কৰে। সৰু চাকিৰ পোহৰে হয়তো বিস্তৃত পথাৰখন সম্পূৰ্ণৰূপে পোহৰাই তুলিব নোৱাৰে, কিন্তু ই মানুহৰ মনত ভৱিষ্যতৰ প্ৰতি আস্থা জগাই তুলিব পাৰে। এইখিনিতে কাতি বিহুৰ পৰম্পৰাই এক গভীৰ মানৱীয় অৰ্থ লাভ কৰে।

কাতি বিহুৰ সৈতে অসমৰ কৃষি-সভ্যতাৰ সম্পৰ্ক অবিচ্ছেদ্য। পৰম্পৰাগত অসমীয়া সমাজত কৃষি কেৱল জীৱিকা আহৰণৰ মাধ্যম নাছিল; ই সামাজিক সম্পৰ্ক, পৰিয়ালৰ জীৱনধাৰা, লোকাচাৰ আৰু সাংস্কৃতিক পৰিচয়ৰো আধাৰ আছিল। কৃষকৰ দৈনন্দিন জীৱন মাটি, পানী, বৰষুণ আৰু ঋতুচক্ৰৰ সৈতে নিবিড়ভাৱে সংযুক্ত। বতৰৰ সামান্য পৰিৱৰ্তনেও শস্যৰ উৎপাদনত প্ৰভাৱ পেলাব পাৰে। সময়মতে বৰষুণ নহʼলে, বানপানীয়ে পথাৰ ডুবাই পেলালে অথবা কীট-পতংগই শস্যৰ ক্ষতি কৰিলে কৃষকৰ পৰিশ্ৰম অনিশ্চয়তাৰ সন্মুখীন হয়। এনে বাস্তৱতাৰ মাজত কাতি বিহুৱে কৃষকৰ আশা, বিশ্বাস আৰু অধ্যৱসায়ৰ সাংস্কৃতিক প্ৰকাশ ঘটায়।

কৃষকৰ জীৱনক কেৱল পৰিশ্ৰমৰ কাহিনী হিচাপে চোৱাটোও যথেষ্ট নহয়; তেওঁৰ জীৱনৰ সৈতে জড়িত অনিশ্চয়তা আৰু সামাজিক প্ৰত্যাহ্বানসমূহো বুজি পোৱা প্ৰয়োজন। পথাৰত ধান উৎপাদন কৰিবলৈ কৃষকে সময়, শ্ৰম আৰু অৰ্থ বিনিয়োগ কৰে। তথাপি উৎপাদনৰ ফলাফল সম্পূৰ্ণৰূপে তেওঁৰ নিয়ন্ত্ৰণত নাথাকে। প্ৰাকৃতিক দুৰ্যোগ, বজাৰৰ অস্থিৰতা আৰু উৎপাদন ব্যয়ৰ বৃদ্ধি আদিয়ে তেওঁৰ জীৱিকাত প্ৰভাৱ পেলাব পাৰে। কাতি বিহুৰ সময়ত কৃষকৰ ভঁৰালৰ শূন্যতা আৰু পথাৰৰ সেউজীয়া সম্ভাৱনাৰ মাজত থকা ব্যৱধানটোৱে এই বাস্তৱতাক প্ৰতীকী ৰূপত প্ৰকাশ কৰে। সেয়েহে কাতি বিহুৰ আলোচনা কেৱল পৰম্পৰাৰ বৰ্ণনাতে সীমাবদ্ধ নাৰাখি কৃষকৰ জীৱন-সংগ্ৰাম আৰু তেওঁৰ সামাজিক অৱস্থানৰ সৈতে সংযুক্ত কৰাটোও প্ৰয়োজনীয়।

বৰ্তমান সময়ত কাতি বিহুৰ প্ৰাসংগিকতা নতুন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত পুনৰ বিচাৰ কৰাৰ অৱকাশ আছে। জলবায়ুৰ পৰিৱৰ্তন, অনিয়মীয়া বৰষুণ, বানপানী, খৰাংসদৃশ পৰিস্থিতি আৰু কৃষিৰ ব্যয় বৃদ্ধিয়ে কৃষিজীৱনৰ প্ৰত্যাহ্বান অধিক জটিল কৰি তুলিছে। অসমৰ বহু অঞ্চলত কৃষকসকলে প্ৰকৃতিৰ অনিশ্চয়তাৰ সৈতে মোকাবিলা কৰি জীৱিকা নিৰ্বাহ কৰিবলগীয়া হয়। এনে পৰিস্থিতিত কাতি বিহু কেৱল অতীতৰ সাংস্কৃতিক স্মৃতি নহয়; ই কৃষিৰ প্ৰতি সামাজিক দায়বদ্ধতা পুনৰ উপলব্ধি কৰাৰো এক উপলক্ষ হʼব পাৰে। উৎসৱৰ দিনা পথাৰত বন্তি জ্বলাই শস্যৰ মংগল কামনা কৰাৰ লগতে কৃষকৰ বাস্তৱ সমস্যাসমূহৰ প্ৰতিও সমাজে মনোযোগ দিয়া উচিত।

কৃষিৰ প্ৰতি সন্মান প্ৰদৰ্শন কেৱল কথাৰ মাজতে সীমাবদ্ধ থাকিব নালাগে। কৃষকৰ উৎপাদিত খাদ্যৰ মূল্য উপলব্ধি কৰা, খাদ্যৰ অপচয় ৰোধ কৰা, কৃষিৰ প্ৰতি নতুন প্ৰজন্মৰ আগ্ৰহ বৃদ্ধি কৰা আৰু পৰিৱেশৰ ভাৰসাম্য ৰক্ষা কৰাটোও আমাৰ সামাজিক দায়িত্বৰ অংশ। কাতি বিহুৰ অন্তৰ্নিহিত মূল্যবোধে এই দায়িত্বসমূহৰ প্ৰতি সচেতন হʼবলৈ আমাক অনুপ্ৰাণিত কৰিব পাৰে। যি সমাজে নিজৰ কৃষকক সন্মান কৰে, খাদ্য উৎপাদনৰ পৰিশ্ৰমক স্বীকৃতি দিয়ে আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ প্ৰতি দায়বদ্ধ থাকে, সেই সমাজেহে নিজৰ কৃষিভিত্তিক ঐতিহ্যক প্ৰকৃত অৰ্থত জীয়াই ৰাখিব পাৰে।

কাতি বিহুৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে ইয়াৰ সৰলতা আৰু সংযমৰ শিক্ষা। বৰ্তমানৰ ভোগবাদী সমাজত উৎসৱৰ আনন্দ বহু সময়ত ব্যয়বহুল আয়োজন, বাহ্যিক প্ৰদৰ্শন আৰু সামগ্ৰীৰ প্ৰাচুৰ্যৰ সৈতে জড়িত হৈ পৰে। ইয়াৰ বিপৰীতে কাতি বিহুৱে সীমিত সম্পদৰ মাজতো বিশ্বাস, পৰম্পৰা আৰু সামূহিক অনুভূতিৰ গুৰুত্ব প্ৰতিষ্ঠা কৰে। ইয়াৰ মূল সৌন্দৰ্য বাহ্যিক আড়ম্বৰত নহয়, বৰং মানুহৰ মনত জীয়াই থকা আশা আৰু জীৱনৰ প্ৰতি থকা আস্থাত নিহিত। এই দৃষ্টিকোণৰ পৰা কাতি বিহু আধুনিক সমাজৰ বাবেও এক তাৎপৰ্যপূৰ্ণ শিক্ষা বহন কৰে। ই আমাক উপলব্ধি কৰায় যে জীৱনৰ মূল্য কেৱল প্ৰাপ্তিৰ পৰিমাণেৰে নিৰ্ধাৰিত নহয়; সংযম, ধৈৰ্য, কৃতজ্ঞতা আৰু পৰিশ্ৰমৰ প্ৰতিও থকা দৃষ্টিভংগীয়ে মানুহৰ জীৱনক অৰ্থপূৰ্ণ কৰি তোলে।

কাতি বিহুৰ সামাজিক তাৎপৰ্যৰ সৈতে সামূহিক সম্প্ৰীতিৰ সম্পৰ্কও গভীৰ। অসমৰ গাঁৱলীয়া সমাজত উৎসৱ-পাৰ্বণে মানুহৰ মাজত পাৰস্পৰিক সম্পৰ্ক সুদৃঢ় কৰাত ঐতিহাসিকভাৱে ভূমিকা পালন কৰি আহিছে। পৰিয়াল, চুবুৰি আৰু সমাজৰ মানুহে একে সাংস্কৃতিক পৰম্পৰাৰ মাজেৰে নিজৰ পৰিচয় অনুভৱ কৰে। কাতি বিহুৰ দৰে সংযত উৎসৱে মানুহক জীৱনৰ বাস্তৱতা আৰু সামূহিক দায়িত্বৰ কথা সোঁৱৰাই দিয়ে। ইয়াৰ অন্তৰ্নিহিত মূল্যবোধক সামাজিক জীৱনত প্ৰয়োগ কৰিব পাৰিলে পৰস্পৰৰ প্ৰতি সহানুভূতি, সহযোগিতা আৰু সন্মানৰ পৰিৱেশ গঢ়ি তোলাত সহায়ক হʼব পাৰে।

নতুন প্ৰজন্মৰ মাজত কাতি বিহুৰ প্ৰকৃত তাৎপৰ্য প্ৰসাৰিত কৰাটোও সময়ৰ এক গুৰুত্বপূৰ্ণ দাবী। আধুনিক শিক্ষাব্যৱস্থাত লোক-সংস্কৃতিৰ অধ্যয়ন কেৱল পৰম্পৰাগত আচাৰ-অনুষ্ঠানৰ পৰিচয় প্ৰদানতে সীমাবদ্ধ থাকিব নালাগে। ইয়াৰ সৈতে জড়িত সামাজিক ইতিহাস, কৃষিভিত্তিক জীৱনদৰ্শন, পৰিৱেশ সচেতনতা আৰু মানৱীয় মূল্যবোধৰ বিষয়সমূহো শিক্ষাৰ্থীৰ সন্মুখত উপস্থাপন কৰা উচিত। বিদ্যালয় আৰু মহাবিদ্যালয়ত কাতি বিহুৰ বিষয়ে আলোচনা, প্ৰকল্প, স্থানীয় পৰম্পৰাৰ অধ্যয়ন আৰু কৃষকৰ অভিজ্ঞতা সংগ্ৰহৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰিব পাৰি। ইয়াৰ ফলত শিক্ষাৰ্থীয়ে নিজৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে গভীৰ সম্পৰ্ক গঢ়ি তোলাৰ লগতে কৃষিৰ গুৰুত্ব আৰু প্ৰকৃতিৰ সৈতে মানুহৰ নিৰ্ভৰশীলতাও উপলব্ধি কৰিব পাৰিব।

লোক-সংস্কৃতি কোনো স্থিৰ বা পৰিৱৰ্তনহীন বিষয় নহয়। সময়ৰ পৰিৱৰ্তনৰ সৈতে মানুহৰ জীৱনধাৰা, সামাজিক মূল্যবোধ আৰু সাংস্কৃতিক প্ৰকাশৰ ধৰণো সলনি হয়। তথাপি কোনো পৰম্পৰাৰ মূল তাৎপৰ্য যদি নতুন প্ৰজন্মৰ মাজত সজীৱ কৰি ৰাখিব পৰা যায়, তেন্তে সেই পৰম্পৰাই নতুন সময়তো নিজৰ প্ৰাসংগিকতা অক্ষুণ্ণ ৰাখে। কাতি বিহুৰ ক্ষেত্ৰতো একেই কথা প্ৰযোজ্য। ইয়াৰ বাহ্যিক আচাৰ-অনুষ্ঠানৰ লগতে অন্তৰ্নিহিত জীৱনদৰ্শন- সংযম, ধৈৰ্য, আশাবাদ, কৃষকৰ প্ৰতি সন্মান আৰু প্ৰকৃতিৰ সৈতে সহাৱস্থান- নতুন প্ৰজন্মৰ মাজত প্ৰসাৰিত কৰাটোৱেই হʼব পৰম্পৰা সংৰক্ষণৰ এক অৰ্থপূৰ্ণ প্ৰয়াস।

সামগ্ৰিকভাৱে কাতি বিহু অসমৰ কৃষিভিত্তিক সভ্যতা, লোকবিশ্বাস আৰু সামূহিক জীৱনবোধৰ এক অনন্য সাংস্কৃতিক প্ৰকাশ। ইয়াৰ তাৎপৰ্য কেৱল তুলসীৰ তলত বা পথাৰৰ মাজত বন্তি প্ৰজ্বলন কৰাৰ মাজতে সীমাবদ্ধ নহয়; ইয়াৰ সৈতে জড়িত হৈ আছে কৃষকৰ জীৱন-সংগ্ৰাম, প্ৰকৃতিৰ প্ৰতি নিৰ্ভৰশীলতা, অভাৱৰ মাজতো আশা জীয়াই ৰখাৰ মানসিক শক্তি আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতা। কাতি বিহুৰ বন্তিয়ে আমাক সোঁৱৰাই দিয়ে যে পৰম্পৰাৰ প্ৰকৃত মৰ্যাদা কেৱল আনুষ্ঠানিক পালনতে নহয়, বৰং ইয়াৰ অন্তৰ্নিহিত মূল্যবোধক বাস্তৱ জীৱনত প্ৰতিফলিত কৰাতহে নিহিত।

কাতি বিহুৰ সময়ত পথাৰত জ্বলি উঠা প্ৰতিগছি বন্তি যেন কৃষকৰ নীৰৱ প্ৰত্যাশাৰ এক প্ৰতীক- যি প্ৰত্যাশা নতুন শস্যৰ সৈতে, পৰিয়ালৰ জীৱিকাৰ সৈতে আৰু ভৱিষ্যতৰ সম্ভাৱনাৰ সৈতে জড়িত। সেই পোহৰে আমাক কেৱল আন্ধাৰৰ বিপৰীতে পোহৰৰ কথা নকয়; ই মানুহৰ শ্ৰমক সন্মান কৰা, প্ৰকৃতিৰ প্ৰতি দায়বদ্ধ হোৱা আৰু অভাৱৰ মাজতো আশাবাদী হৈ থকাৰ কথাও শিকায়। কাতি বিহুৰ প্ৰকৃত মহিমা হয়তো ইয়াতেই- ভঁৰালৰ শূন্যতাৰ মাজতো সপোন জীয়াই থাকে, পথাৰৰ নীৰৱতাৰ মাজতো প্ৰত্যাশাই কথা কয়, আৰু এগছি সৰু বন্তিৰ পোহৰত প্ৰতিফলিত হয় এখন সমাজৰ শ্ৰম, বিশ্বাস আৰু ভৱিষ্যতৰ প্ৰতি অটল আস্থা।

# শস্যহীন পথাৰৰ পৰা সোণগুটিৰ সপোনলৈ

কানুপ্ৰিয়া ডেকা

অসমীয়া জাতিৰ স্বকীয় পৰিচয়ৰ অন্যতম প্ৰাণস্পন্দন হৈছে বিহু। বিহু কেৱল উৎসৱৰ সমষ্টি নহয়; ই অসমীয়া সমাজজীৱনৰ এক জীৱন্ত দাপোণ, যʼত প্ৰতিফলিত হয় মাটিৰ গোন্ধ, কৃষকৰ ঘাম, প্ৰকৃতিৰ ৰূপান্তৰ আৰু মানুহৰ বুকুত সঞ্চিত অলেখ আশা-আকাংক্ষা। ৰঙালী, কঙালী আৰু ভোগালী— এই তিনিওটা বিহুৰ মাজত কাতি বিহুৰ স্থান এক সুকীয়া মৰ্যাদাৰে পৰিপূৰ্ণ। কাতি বিহু বা কঙালী বিহু হৈছে অভাৱৰ মাজতো আশাৰ বন্তি জ্বলাই ৰখাৰ এক অনন্য জীৱনদৰ্শন। ইয়াৰ প্ৰতিটো আচাৰ-অনুষ্ঠানৰ আঁৰত লুকাই আছে কৃষিভিত্তিক সমাজৰ জীৱনবোধ, আধ্যাত্মিক বিশ্বাস আৰু ভৱিষ্যতৰ প্ৰতি এক অবিচল প্ৰত্যাশা।

আহিনৰ বিদায় আৰু কাতিৰ আগমনে প্ৰকৃতিৰ বুকুত এক নীৰৱ পৰিৱৰ্তনৰ সূচনা কৰে। নিয়ৰসিক্ত ঘাঁহনি, কুঁৱলীৰ আৱৰণেৰে ঢকা পথাৰ আৰু সেমেকা বতাহৰ মাজত যেন প্ৰকৃতিয়ে আঁকে এক বিষণ্ণ অথচ মায়াময় ছবি। এই সময়ত কৃষকৰ ভঁৰাল প্ৰায় উদং, পথাৰত শস্যৰ পূৰ্ণতা অহা নাই, অথচ আগন্তুক সোণোৱালী দিনৰ সপোনে তেওঁৰ হৃদয়ত ইতিমধ্যে বাহ সাজিছে। সেয়েহে এই বিহুক 'কঙালী বিহু' বুলি কোৱা হয়। 'কঙালী' শব্দটোৱে কেৱল আৰ্থিক অভাৱকেই সূচোৱা নাই; ই কৃষিজীৱনৰ এক বিশেষ সময়ৰ বাস্তৱতাকো প্ৰতিফলিত কৰে। কিন্তু এই অভাৱৰ মাজতো মানুহে জীৱনৰ প্ৰতি আশা হেৰুৱাই নেপেলায়। বৰঞ্চ এন্ধাৰৰ বুকুতে পোহৰৰ সন্ধান কৰাটোৱেই কাতি বিহুৰ প্ৰকৃত দৰ্শন।

কাতি বিহুৰ অন্যতম আকৰ্ষণীয় পৰম্পৰা হৈছে তুলসীৰ তলত বন্তি প্ৰজ্বলন। তুলসী গছক অসমীয়া সমাজত পৱিত্ৰতা, শুচিতা আৰু মংগলৰ প্ৰতীক হিচাপে গণ্য কৰা হয়। সন্ধিয়াৰ আকাশত এন্ধাৰ নামি অহাৰ লগে লগে তুলসীৰ তলত জ্বলি উঠা সৰু বন্তিগছিয়ে যেন সমগ্ৰ চৌপাশলৈ বিয়পাই দিয়ে এক অনিৰ্বচনীয় পৱিত্ৰতা। মাটিৰ চাকিৰ সেই ক্ষুদ্ৰ শিখাই মানুহৰ অন্তৰত জগাই তোলে মংগলৰ কামনা আৰু জীৱনৰ প্ৰতি এক নতুন বিশ্বাস। বন্তিৰ পোহৰ হয়তো ক্ষণস্থায়ী, কিন্তু ই কঢ়িয়াই অনা আশাৰ বাৰ্তা চিৰন্তন। জীৱনৰ সকলো সংকটৰ মাজতো বিশ্বাসৰ এটি ক্ষুদ্ৰ শিখাই মানুহক আগবাঢ়ি যাবলৈ শক্তি প্ৰদান কৰে- কাতি বিহুৰ এই পৰম্পৰাই যেন সেই কথাই আমাক সোঁৱৰাই দিয়ে।

আকাশবন্তি কাতি বিহুৰ আন এক উল্লেখযোগ্য সাংস্কৃতিক পৰম্পৰা। বাঁহৰ ওখ খুঁটাত স্থাপন কৰা আকাশবন্তিয়ে নিশাৰ আকাশত এক আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰে। লোকবিশ্বাস অনুসৰি, এই বন্তি প্ৰজ্বলনৰ সৈতে পূৰ্বপুৰুষৰ স্মৰণ আৰু তেওঁলোকৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ এক বিশেষ সম্পৰ্ক জড়িত হৈ আছে। আনহাতে, কৃষিভিত্তিক লোকবিশ্বাসত আকাশবন্তিক পথাৰৰ শস্যৰ মংগল কামনাৰ প্ৰতীক হিচাপেও দেখা যায়। আকাশৰ বুকুত জ্বলি থকা এই বন্তিশিখাই যেন মাটিৰ মানুহৰ প্ৰাৰ্থনাক মহাকাশৰ বিশালতালৈ কঢ়িয়াই নিয়ে। মাটিৰ পৰা আকাশলৈ উঠি যোৱা এই পোহৰ কেৱল এটা ধৰ্মীয় আচাৰ নহয়; ই মানুহৰ আশা, বিশ্বাস আৰু প্ৰকৃতিৰ সৈতে থকা আত্মিক সম্পৰ্কৰ এক প্ৰতীকী প্ৰকাশ।

কাতি বিহুৰ সৈতে কৃষিজীৱনৰ সম্পৰ্ক অবিচ্ছেদ্য। এই সময়ছোৱাত কৃষকে পথাৰৰ শস্যৰ সুৰক্ষা আৰু উন্নত উৎপাদনৰ আশাৰে বিভিন্ন পৰম্পৰাগত আচাৰ পালন কৰে। পথাৰত চাকি জ্বলোৱা, তুলসী ৰোপণ কৰা আৰু শস্যৰ মংগল কামনা কৰা আদি পৰম্পৰাই কৃষকৰ প্ৰকৃতিৰ প্ৰতি থকা গভীৰ নিৰ্ভৰশীলতাক প্ৰকাশ কৰে। কৃষকৰ বাবে পথাৰ কেৱল জীৱিকাৰ মাধ্যম নহয়; ই তেওঁৰ জীৱনৰ এক অবিচ্ছেদ্য অংশ, তেওঁৰ পৰিশ্ৰমৰ ঠিকনা আৰু সপোনৰ উৰ্বৰ ভূমি। তেওঁ মাটিৰ বুকুত বীজ সিঁচে, আকাশলৈ চাই বৰষুণৰ অপেক্ষা কৰে আৰু প্ৰতিটো অংকুৰত বিচাৰি পায় ভৱিষ্যতৰ সম্ভাৱনা। সেয়েহে কাতি বিহুৰ প্ৰতিটো বন্তি যেন কৃষকৰ অন্তৰৰ একো একোটা নীৰৱ প্ৰাৰ্থনা।

কৃষকৰ জীৱন আচলতে এক অন্তহীন প্ৰতীক্ষাৰ মহাকাব্য। কেতিয়াবা অতিবৃষ্টি, কেতিয়াবা খৰাং, কেতিয়াবা বানপানী অথবা প্ৰাকৃতিক দুৰ্যোগে তেওঁৰ সপোনৰ পথাৰত আঘাত হানে। তথাপি তেওঁ হাৰ নামানে। মাটিৰ সৈতে থকা তেওঁৰ আত্মিক সম্পৰ্কই তেওঁক পুনৰাই পথাৰলৈ উভতি যাবলৈ প্ৰেৰণা যোগায়। তেওঁৰ হাতৰ কোৰখনত থাকে পৰিশ্ৰমৰ শক্তি, কপালৰ ঘামত থাকে জীৱনৰ সংগ্ৰাম আৰু বুকুৰ গভীৰতাত থাকে সোণগুটিৰে ভৰি পৰা ভঁৰালৰ এক মধুৰ সপোন। কাতি বিহু সেই কৃষকজনৰেই উৎসৱ, যিয়ে অভাৱৰ মাজতো ভৱিষ্যতৰ সমৃদ্ধিৰ কল্পনা কৰিবলৈ সাহস কৰে।

কাতি বিহুৰ আন এক উল্লেখযোগ্য দিশ হৈছে ইয়াৰ সংযমী আৰু অনাড়ম্বৰ উদযাপন। ৰঙালী বিহুৰ দৰে ইয়াত উল্লাসৰ প্ৰাচুৰ্য নাই, ভোগালী বিহুৰ দৰে ভোগ-বিলাসৰ সমাহাৰো নাই। ইয়াৰ পৰিৱৰ্তে আছে এক গভীৰ নীৰৱতা, আত্মিক অনুভূতি আৰু প্ৰাৰ্থনাৰ পৱিত্ৰতা। এই নীৰৱতাই মানুহক জীৱনৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিবলৈ শিকায়। জীৱন সদায় উৎসৱমুখৰ নহয়; ইয়াত অভাৱ আছে, অপেক্ষা আছে, সংগ্ৰাম আছে আৰু অনিশ্চয়তাও আছে। কিন্তু এই সকলোবোৰৰ মাজতো আশাৰ পোহৰ জ্বলাই ৰখাটোৱেই মানুহৰ প্ৰকৃত শক্তি। কাতি বিহুৱে আমাক শিকায় যে সুখৰ অৰ্থ কেৱল প্ৰাচুৰ্যৰ মাজত সীমাবদ্ধ নহয়; বৰং সীমিত সামগ্ৰীৰ মাজতো সন্তুষ্টি, বিশ্বাস আৰু মংগলকামনাৰে জীয়াই থকাৰ মাজতো জীৱনৰ এক অনন্য সৌন্দৰ্য নিহিত হৈ থাকে।

বৰ্তমান সময়ত আধুনিকতাৰ প্ৰভাৱত সমাজৰ জীৱনশৈলী যথেষ্ট পৰিৱৰ্তিত হৈছে। নগৰকেন্দ্ৰিক জীৱন, প্ৰযুক্তিৰ বিস্তাৰ আৰু ব্যস্ততাৰ মাজত বহুতো লোকপৰম্পৰা ক্ৰমে অৱহেলিত হʼবলৈ ধৰিছে। তথাপি কাতি বিহুৰ তাৎপৰ্য আজিও ম্লান হোৱা নাই। কাৰণ ইয়াৰ অন্তৰালত কেৱল ধৰ্মীয় বিশ্বাসেই নহয়, বৰং কৃষি, পৰিৱেশ, প্ৰকৃতি আৰু মানৱীয় মূল্যবোধৰ এক গভীৰ সম্পৰ্ক নিহিত হৈ আছে। তুলসীৰ তলৰ বন্তি আৰু পথাৰৰ আকাশবন্তিয়ে নতুন প্ৰজন্মক নিজৰ শিপাৰ সৈতে পৰিচিত কৰায়। এইপৰম্পৰাসমূহৰ মাজেৰে আমি আমাৰ পূৰ্বপুৰুষৰ জীৱনদৰ্শন, প্ৰকৃতিৰ প্ৰতি থকা শ্ৰদ্ধা আৰু সমাজৰ সামূহিক চেতনাক উপলব্ধি কৰিব পাৰোঁ।

কাতি বিহুৰ প্ৰাসংগিকতা কেৱল অতীতৰ পৰম্পৰাৰ মাজতে সীমাবদ্ধ নহয়। বৰ্তমানৰ পৰিৱেশ সংকট, কৃষিভূমিৰ সংকোচন আৰু কৃষকৰ জীৱিকাৰ অনিশ্চয়তাৰ সময়ত এই বিহুৱে আমাক নতুনকৈ চিন্তা কৰিবলৈ বাধ্য কৰে। কৃষকক সন্মান কৰা, কৃষিকাৰ্যৰ প্ৰতি দায়িত্বশীল হোৱা, মাটিৰ উৰ্বৰতা সংৰক্ষণ কৰা আৰু প্ৰাকৃতিক সম্পদৰ সঠিক ব্যৱহাৰ নিশ্চিত কৰাটো আমাৰ সকলোৰে কৰ্তব্য। কাৰণ এখন সমাজৰ প্ৰকৃত সমৃদ্ধি কেৱল অট্টালিকা, উদ্যোগ অথবা আধুনিক সা-সুবিধাৰ দ্বাৰা নিৰ্ধাৰিত নহয়; বৰঞ্চ সেই সমাজে নিজৰ কৃষক, কৃষিভূমি আৰু সাংস্কৃতিক ঐতিহ্যক কিমান মৰ্যাদা প্ৰদান কৰিছে, তাৰ ওপৰতো নিৰ্ভৰ কৰে।



আচলতে কাতি বিহু হৈছে এন্ধাৰ আৰু পোহৰৰ মাজত চলি থকা জীৱনৰ এক প্ৰতীকী যাত্ৰা। শস্যহীন পথাৰৰ বুকুত কৃষকে যিদৰে সোণগুটিৰ সপোন দেখে, ঠিক তেনেদৰে জীৱনৰ প্ৰতিকূলতাৰ মাজতো মানুহে বিচাৰি ফুৰে সম্ভাৱনাৰ নতুন দিগন্ত। আজি যি পথাৰ উদং, কাইলৈ সেই পথাৰেই সোণালী ধাননিৰে উপচি পৰিব পাৰে। আজি যি ভঁৰাল শূন্য, কাইলৈ সেই ভঁৰালেই পৰিপূৰ্ণতাৰ গীত গাব পাৰে। প্ৰকৃতিৰ এই পৰিৱৰ্তনশীলতাই আমাক শিকায় যে অভাৱ চিৰস্থায়ী নহয় আৰু প্ৰতীক্ষাৰ অন্তত সম্ভাৱনাৰ দুৱাৰ মুকলি হোৱাৰ আশা সদায় থাকে।

সেয়েহে কাতি বিহু কেৱল এটি কৃষিভিত্তিক উৎসৱ নহয়; ই হৈছে ধৈৰ্য, সংযম, পৰিশ্ৰম, বিশ্বাস আৰু আশাবাদৰ এক জীৱন্ত দৰ্শন। ইয়াৰ প্ৰতিটো দীপশিখাত জ্বলি থাকে কৃষকৰ অলেখ সপোন, প্ৰতিটো প্ৰাৰ্থনাত প্ৰতিধ্বনিত হয় সমৃদ্ধিৰ আকাংক্ষা আৰু প্ৰতিটো পৰম্পৰাত সুৰক্ষিত হৈ থাকে অসমীয়া জাতিৰ সাংস্কৃতিক আত্মপৰিচয়। কাতিৰ আকাশত জ্বলি থকা আকাশবন্তিয়ে আমাক সোঁৱৰাই দিয়ে- জীৱনৰ পথ যিমানেই এন্ধাৰ নহওক কিয়, আশাৰ এটি ক্ষুদ্ৰ বন্তিয়েও নতুন দিশৰ সন্ধান দিব পাৰে।

পৰিশেষত কʼব পাৰি যে, কাতি বিহু হৈছে শূন্যতাৰ মাজত পূৰ্ণতাৰ সন্ধান, অভাৱৰ মাজত সমৃদ্ধিৰ কল্পনা আৰু অপেক্ষাৰ মাজত আশাৰ এক অনুপম উপাখ্যান। শস্যহীন পথাৰৰ পৰা সোণগুটিৰ সপোনলৈ আগবঢ়া এই যাত্ৰাই আমাক শিকায় যে মাটিৰ সৈতে সম্পৰ্ক থকা মানুহ কেতিয়াও সম্পূৰ্ণৰূপে নিৰাশ হʼব নোৱাৰে। কাৰণ তেওঁৰ বুকুত থাকে আশাৰ বীজ, হাতত থাকে পৰিশ্ৰমৰ শক্তি আৰু চকুত থাকে সোণালী ভৱিষ্যতৰ স্বপ্ন। কাতি বিহুৰ প্ৰদীপশিখা সেয়েহে কেৱল তুলসীৰ তলত অথবা আকাশৰ বুকুতেই জ্বলি নাথাকে; ই জ্বলি থাকে প্ৰতিজন পৰিশ্ৰমী মানুহৰ হৃদয়ত- যʼত অভাৱক পৰাস্ত কৰি আশাই প্ৰতিনিয়ত নতুন জীৱনৰ বীজ অংকুৰিত কৰে।

কাতি বিহুৰ পৰম্পৰাসমূহৰ মাজত প্ৰকৃতিৰ সৈতে মানুহৰ এক নিবিড় আত্মিক সম্পৰ্ক পৰিলক্ষিত হয়। প্ৰাচীন কালৰে পৰা অসমীয়া সমাজে প্ৰকৃতিক কেৱল জীৱনধাৰণৰ উপাদান হিচাপে গণ্য কৰা নাই, বৰঞ্চ প্ৰকৃতিক জীৱনৰ অবিচ্ছেদ্য সহচৰ হিচাপে গ্ৰহণ কৰি আহিছে। গছ-গছনি, নদ-নদী, পথাৰ, আকাশ আৰু বতাহৰ সৈতে মানুহৰ যি আত্মীয়তা, সেয়া কাতি বিহুৰ বিভিন্ন লোকাচাৰৰ মাজেৰে সুন্দৰকৈ প্ৰকাশিত হয়। তুলসীৰ তলত প্ৰজ্বলিত বন্তিগছিয়ে পৱিত্ৰতাৰ বাণী বিলোৱাৰ লগতে মানুহক প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধাশীল হʼবলৈও যেন নীৰৱ আহ্বান জনায়।

বিশেষকৈ তুলসী গছৰ প্ৰতি অসমীয়া সমাজৰ শ্ৰদ্ধা আৰু আস্থাই এক গভীৰ সাংস্কৃতিক তাৎপৰ্য বহন কৰে। এখন ঘৰৰ চোতালত থকা তুলসীৰ ভেটিটো কেৱল এটা নিৰ্দিষ্ট স্থান নহয়; ই পৰিয়ালৰ বিশ্বাস, পৰম্পৰা আৰু আধ্যাত্মিক চেতনাৰ এক জীৱন্ত প্ৰতীক। সন্ধিয়াৰ নিৰ্জনতাত যেতিয়া এগছি বন্তি তুলসীৰ তলত জ্বলি উঠে, তেতিয়া সেই ক্ষুদ্ৰ পোহৰটোৱে যেন এখন ঘৰকেই নহয়, সমগ্ৰ পৰিয়ালটোৰ মনোজগতকো আলোকিত কৰি তোলে। ইয়াত নিহিত হৈ থাকে মংগলৰ কামনা, সুস্থিৰতাৰ প্ৰাৰ্থনা আৰু জীৱনৰ প্ৰতি এক নিৰ্মল আস্থা।

**কৃষকৰ জীৱন ঃ ঘামৰ বিনিময়ত ৰচিত সোণালী স্বপ্ন**

কাতি বিহুৰ প্ৰকৃত সৌন্দৰ্য উপলব্ধি কৰিবলৈ হʼলে কৃষকৰ জীৱনসংগ্ৰামৰ গভীৰতালৈ দৃষ্টি নিক্ষেপ কৰিব লাগিব। কাৰণ এই বিহুৰ প্ৰতিটো অনুভূতিৰ কেন্দ্ৰবিন্দুত আছে কৃষক আৰু তেওঁৰ পথাৰ। যি কৃষকে প্ৰখৰ ৰʼদত মাটি চহায়, বৰষুণৰ মাজত কঠোৰ পৰিশ্ৰম কৰে আৰু প্ৰকৃতিৰ অনিশ্চয়তাৰ সৈতে প্ৰতিনিয়ত যুঁজ দিয়ে, তেওঁৰ জীৱনতেই কাতি বিহুৰ অন্তৰ্নিহিত দৰ্শন সৰ্বাধিক স্পষ্ট হৈ উঠে।

কৃষকৰ বাবে ধাননি পথাৰখন যেন এখন সপোনৰ কেনভাছ। প্ৰতিটো বীজৰ মাজত তেওঁ আঁকে ভৱিষ্যতৰ ছবি, প্ৰতিটো সেউজীয়া অংকুৰত বিচাৰি পায় জীৱনৰ নতুন সম্ভাৱনা। কিন্তু এই সপোনৰ বাট সদায় মসৃণ নহয়। বানপানী, খৰাং, কীট-পতংগৰ আক্ৰমণ আৰু জলবায়ুৰ অনিশ্চয়তাই তেওঁৰ পৰিশ্ৰমক বহু সময়ত প্ৰশ্নৰ সন্মুখীন কৰায়। তথাপি কৃষকৰ হাত ৰৈ নাযায়। কাৰণ তেওঁ জানে, মাটিৰ বুকুত সিঁচি দিয়া প্ৰতিটো বীজেই এক সম্ভাৱনাৰ প্ৰতিশ্ৰুতি।

কাতিৰ উদং ভঁৰালটোৱে সেয়েহে কেৱল অভাৱৰ কথাই নকয়; ই পৰিশ্ৰমৰ মূল্য, প্ৰতীক্ষাৰ যন্ত্ৰণা আৰু আশাৰ স্থায়িত্বৰ কথাও কয়। কৃষকৰ চকুত যি সোণালী ধাননিৰ প্ৰতিচ্ছবি ভাহি থাকে, সেই প্ৰতিচ্ছবিয়েই তেওঁৰ জীৱনযাত্ৰাৰ প্ৰধান প্ৰেৰণাশক্তি।

**আধুনিকতাৰ সোঁতত হেৰাই যাব নালাগে শিপাৰ পৰিচয় ঃ**

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ জীৱনশৈলীতো পৰিৱৰ্তন আহিছে। আধুনিকতাৰ দ্ৰুতগামী সোঁতে আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনক নতুন ৰূপ দিছে। নগৰীয়া ব্যস্ততা, প্ৰযুক্তিনিৰ্ভৰ জীৱন আৰু পৰিৱৰ্তিত মানসিকতাই বহু পৰম্পৰাগত লোকাচাৰৰ প্ৰতি মানুহৰ আগ্ৰহ কিছু পৰিমাণে হ্ৰাস কৰিছে। তথাপি কাতি বিহুৰ দৰে উৎসৱসমূহৰ গুৰুত্ব কেতিয়াও নোহোৱা হʼব নোৱাৰে। কাৰণ এইবোৰ কেৱল অতীতৰ স্মৃতি নহয়, বৰং জাতিৰ সাংস্কৃতিক অস্তিত্বৰ সৈতে সংপৃক্ত একো একোটা জীৱন্ত অধ্যায়।

নতুন প্ৰজন্মৰ মাজত কাতি বিহুৰ প্ৰকৃত তাৎপৰ্য আৰু পৰম্পৰাগত আচাৰ-অনুষ্ঠানৰ বিষয়ে সজাগতা সৃষ্টি কৰাটো বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ প্ৰয়োজন। কেৱল বন্তি জ্বলাই উৎসৱ পালন কৰিলেই ইয়াৰ তাৎপৰ্য সম্পূৰ্ণৰূপে উপলব্ধি কৰা নহয়; ইয়াৰ অন্তৰালত থকা কৃষিচেতনা, পৰিৱেশ সচেতনতা, সামাজিক মূল্যবোধ আৰু মানৱীয় অনুভূতিকো হৃদয়ংগম কৰিব লাগিব। নিজৰ সংস্কৃতিক জানি-বুজি পৰৱৰ্তী প্ৰজন্মলৈ আগবঢ়াই নিয়াৰ মাজতেই নিহিত হৈ থাকে জাতিৰ প্ৰকৃত সাংস্কৃতিক উত্তৰাধিকাৰ।

**কাতি বিহুৰ জীৱনবোধ ঃ অভাৱৰ মাজতো আশাৰ অন্বেষণ**

কাতি বিহুৰ আটাইতকৈ গভীৰ শিক্ষা হৈছে— অভাৱৰ মাজতো আশাক জীয়াই ৰখা। মানুহৰ জীৱনতো কাতি মাহৰ দৰে কিছুমান সময় আহে, যেতিয়া চাৰিওফালে অনিশ্চয়তাৰ কুঁৱলী ঘনীভূত হয়। সপোনবোৰ আধৰুৱা হৈ ৰয়, পৰিশ্ৰমৰ ফল লাভ কৰাত পলম হয় আৰু ভৱিষ্যতৰ বাট অস্পষ্ট হৈ পৰে। কিন্তু এনে সময়তেই মানুহে নিজৰ ভিতৰৰ শক্তিক চিনিব পাৰে। কাতি বিহুৰ বন্তিশিখাই যেন সেই অন্তৰ্নিহিত শক্তিৰেই প্ৰতীকী প্ৰকাশ ঘটায়।

জীৱনৰ প্ৰকৃত সফলতা কেৱল প্ৰাচুৰ্যৰ মুহূৰ্তত আনন্দ উপভোগ কৰাতেই সীমাবদ্ধ নহয়; বৰঞ্চ প্ৰতিকূলতাৰ মাজতো নিজৰ বিশ্বাস আৰু কৰ্মস্পৃহাক অটুট ৰখাতহে নিহিত থাকে। যিদৰে কৃষকে শস্যৰ অপেক্ষাত পথাৰখনলৈ চাই থাকে, ঠিক তেনেদৰে প্ৰতিজন মানুহেও নিজৰ জীৱনৰ সোণালী সময়ৰ বাবে অপেক্ষা কৰে। এই অপেক্ষা দুৰ্বলতাৰ চিন নহয়, বৰং ই ধৈৰ্য আৰু আত্মবিশ্বাসৰ এক শক্তিশালী প্ৰকাশ।

সেয়েহে কাতি বিহুৰ বন্তিশিখা আমাৰ বাবে এক জীৱনমুখী বাৰ্তা। ই আমাক শিকায় যে এন্ধাৰক দোষাৰোপ কৰি বহি থকাতকৈ নিজৰ সামৰ্থ্য অনুসৰি পোহৰৰ সন্ধান কৰাটোহে অধিক অৰ্থপূৰ্ণ। কাৰণ ক্ষুদ্ৰ এটি দীপশিখায়ো বিশাল এন্ধাৰৰ বুকুত নিজৰ অস্তিত্ব ঘোষণা কৰিবলৈ সক্ষম হয়।

কাতি বিহু হৈছে মাটিৰ বুকুত সিঁচি দিয়া আশাৰ বীজ, কৃষকৰ কপালৰ ঘামত জিলিকি থকা সপোন আৰু তুলসীৰ তলত জ্বলি থকা বিশ্বাসৰ এক পৱিত্ৰ প্ৰতিচ্ছবি। ইয়াৰ মাজত আমি বিচাৰি পাওঁ জীৱনৰ এক চিৰন্তন সত্য—প্ৰতিটো শূন্যতাৰ বুকুতেই লুকাই থাকে পূৰ্ণতাৰ সম্ভাৱনা। আজি পথাৰখন শস্যহীন হʼলেও কাইলৈ সেই পথাৰেই সোণালী ধাননিৰ আভাৰে উজলি উঠিব পাৰে।

আকাশবন্তিৰ শিখাই সেয়েহে কেৱল নিশাৰ আকাশখন আলোকিত নকৰে; ই আলোকিত কৰে কৃষকৰ হৃদয়, মানুহৰ বিশ্বাস আৰু অসমীয়া জাতিৰ সাংস্কৃতিক চেতনাক। কাতিৰ প্ৰতিটো বন্তিত যেন প্ৰতিধ্বনিত হয় এটি অব্যক্ত প্ৰাৰ্থনা— মাটি উৰ্বৰ হওক, পথাৰ সেউজীয়া হওক, কৃষকৰ মুখত হাঁহি বিৰিঙক আৰু প্ৰতিটো শূন্য ভঁৰাল সোণগুটিৰে পৰিপূৰ্ণ হৈ উঠক। কাৰণ কাতি বিহুৰ প্ৰকৃত সৌন্দৰ্য ভঁৰালৰ প্ৰাচুৰ্যত নহয়, বৰঞ্চ শূন্য ভঁৰালৰ সন্মুখতো সোণগুটিৰ সপোন দেখাৰ যি অদম্য সাহস, তাৰ মাজতেই নিহিত হৈ আছে।

*লেখিকাৰ ঠিকনা ঃ বৰপেটা, হাউলী*

## ভাৰতত মুকলিৰ বাবে সাজু ষ্টাৰলিংক সেৱা

ষ্টাৰলিংকে জানিবলৈ দিছে যে তেওঁলোকৰ সম্পূৰ্ণ ব্যৱস্থা সাজু হৈ থকাৰ পিছতো কেৱল চৰকাৰী অনুমোদনৰ বাবে অপেক্ষা কৰি আছে। ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজ লিমিটেডে প্ৰকাশ কৰা বিবৃতিত উল্লেখ কৰা হৈছে যে তেওঁলোকে ষ্টাৰলিংকক আদৰণি জনায় আৰু প্ৰতিযোগিতাক লৈ কেতিয়াও ভয় কৰা নাই। প্ৰতিষ্ঠানটোৱে দাবী কৰে যে দেশত কাম কৰা সকলো কোম্পানীয়ে ভাৰতীয় আইন আৰু নীতি মানি চলিব লাগিব। ৰিলায়েন্সে এক্সত কৰা পোষ্টত লিখিছে, "ৰিলায়েন্স আৰু ভাৰতীয় বজাৰ সম্পৰ্কে শেহতীয়াকৈ কৰা মন্তব্যৰ প্ৰতি লক্ষ্য ৰাখি আমি তথ্যসমূহ ৰেকৰ্ডত ৰাখিব বিচাৰিছোঁ। প্ৰতিটো ভাৰতীয় উদ্যোগৰ দৰেই ৰিলায়েন্সেও এনে এখন ভাৰতত বিকাশ লাভ কৰিছে, যিয়ে জনসাধাৰণৰ জীৱন উন্নত কৰা বিনিয়োগ আৰু উদ্ভাৱনক আদৰণি জনায়-সেয়া ঘৰুৱা হওক বা আন্তঃৰাষ্ট্ৰীয়।" কোম্পানীটোৱে লগতে কয়, "ভাৰত চৰকাৰে উল্লেখ কৰা অনুসৰি ভাৰতীয় বা বিদেশী-প্ৰতিটো আবেদনকাৰীৰ ক্ষেত্ৰত একে প্ৰক্ৰিয়া প্ৰযোজ্য। জিঅ'ৰ নিজা ছেটেলাইট সেৱাইও অনুমোদনৰ বাবে অপেক্ষা কৰি আছে। ৰিলায়েন্সে কেতিয়াও প্ৰতিযোগিতাক ভয় কৰা নাই; আমি ইয়াক গ্ৰাহকক কোনে সৰ্বোত্তম সেৱা আগবঢ়ায় তাৰ প্ৰকৃত পৰীক্ষা হিচাপে চাইছোঁ।" ৰিলায়েন্সে উদাহৰণ দি কয় যে জিঅ'ই ২০১৬ চনত ভাৰতৰ টেলিকম বজাৰত নতুন প্ৰতিযোগী হিচাপে প্ৰৱেশ কৰিছিল, তেতিয়া তেওঁলোকৰ এজনো গ্ৰাহক নাছিল; কিন্তু মাত্ৰ ১০ বছৰৰ ভিতৰতে জিঅ'ই ৫৩ কোটিৰো অধিক গ্ৰাহকৰ আস্থা অৰ্জন কৰিছে আৰু ভাৰতীয়সকলক বিশ্বৰ উত্তম ডিজিটেল আন্তঃগাঁথনি তথা সুলভ তথ্য প্ৰদান কৰিছে। ৰিলায়েন্সে স্পষ্ট কৰে যে ছেটেলাইট যোগাযোগৰ ক্ষেত্ৰত ষ্টাৰলিংককে ধৰি প্ৰতিযোগীক আদৰণি জনোৱা হৈছে আৰু জিঅ'কে ধৰি প্ৰতিজন অপাৰেটৰে ভাৰতৰ জনসাধাৰণৰ সেৱা কৰি দেশৰ আইন-নীতি মানি চলিব লাগিব। ইফালে ষ্টাৰলিংকে এক্সত কৰা পোষ্টত জনাইছে, "আমি ভাৰতৰ নিয়ন্ত্ৰক, উদ্যোগ আৰু অপাৰেটৰৰ সৈতে প্ৰ বছৰৰো অধিক সময় ধৰি ঘনিষ্ঠভাৱে কাম কৰি আহিছোঁ। ভাৰতীয় গ্ৰাহকসকলক সুৰক্ষিত আৰু নিৰাপদভাৱে সেৱা আগবঢ়োৱাৰ বাবে আমি দেশৰ ভিতৰতে নিৰ্দিষ্ট নেটৱৰ্ক, গেটৱে আৰু অন্যান্য আন্তঃগাঁথনি নিৰ্মাণ কৰিছোঁ। এই সকলোবোৰৰ বাবে প্ৰয়োজনীয় চৰকাৰী অনুমোদনো লোৱা হৈছে। ভাৰতক উচ্চগতিৰ ইণ্টাৰনেটৰ সৈতে সংযোগ কৰিবলৈ ষ্টাৰলিংক সাজু।" উল্লেখ্য, শেহতীয়াকৈ ইলন মাস্কে মুকেশ আম্বানী আৰু তেওঁৰ প্ৰতিষ্ঠানৰ বিৰুদ্ধে কেইবাটাও মন্তব্য কৰিছিল। যোৱা শনিবাৰে মাস্কে ৰিলায়েন্সৰ সৈতে জড়িত প্ৰতিষ্ঠান আৰু ৰাজনৈতিক প্ৰচাৰ তথা অনুদানৰ মাজত থকা সম্পৰ্কৰ দাবী কৰা সংবাদ মাধ্যমৰ প্ৰতিবেদনৰ স্ক্ৰীণশ্বট শ্বেয়াৰ কৰিছিল। সেই প্ৰতিবেদনত ৰিলায়েন্সৰ পুঁজিৰে পৰিচালিত প্ৰতিষ্ঠানে ফেচবুকত বিজেপিৰ প্ৰচাৰ অভিযানত কেনেদৰে সহায় কৰে, সেই সন্দৰ্ভত প্ৰকাশিত বাতৰিৰ উল্লেখ আছিল। ইয়াৰ উপৰি মাস্কে মুকেশ আম্বাণীক 'প্ৰধানমন্ত্ৰী আম্বাণী' বুলি সম্বোধন কৰি ভাৰতত ষ্টাৰলিংকৰ প্ৰৱেশত বাধা দিয়াৰ অভিযোগ কৰিছিল। তেওঁ আম্বাণীৰ বিৰুদ্ধে দেশত একচেটিয়া ব্যৱসায়িক আধিপত্য সুৰক্ষিত কৰাৰ চেষ্টা চলোৱাৰো অভিযোগ উত্থাপন কৰিছিল আৰু ভাৰতত ছেটেলাইটভিত্তিক ইণ্টাৰনেট সেৱাৰ বজাৰত ষ্টাৰলিংকক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ দিয়া হ'ব নে নাই সেই প্ৰশ্নও তুলিছিল। মাস্কৰ এই অভিযোগৰ পিছত বিষয়টোৱে দেশৰ লগতে বিশ্বজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। অৱশেষত শুকুৰবাৰে ৰিলায়েন্সে সমগ্ৰ অভিযোগৰ সন্দৰ্ভত প্ৰত্যুত্তৰ প্ৰকাশ কৰে। কোম্পানীটোৱে এক বিবৃতিত কয় যে ভাৰতৰ বিনিয়োগ পৰিৱেশে উদ্ভাৱনক প্ৰসাৰিত কৰা আৰু মানুহৰ জীৱন উন্নত কৰা ঘৰুৱা তথা আন্তঃৰাষ্ট্ৰীয় উদ্যোগক আদৰণি জনায়; এনে ব্যৱস্থা আইনী শাসন আৰু সামঞ্জস্যপূৰ্ণ নিয়ন্ত্ৰণ প্ৰক্ৰিয়াৰ দ্বাৰা সমৰ্থিত হ'ব লাগিব।

## ২০০৫ চনৰ ১৭ অক্টোবৰৰ দিনটো

চলি থকা জাতিগত সংঘাতৰ সময়ত সংঘটিত এই নৃশংস ঘটনাত ৪১গৰাকী নিৰীহ কাৰ্বি লোকৰ প্ৰাণ কাঢ়ি লোৱা হৈছিল। এই গণহত্যাৰ চৰসংখ্যক বৰ্ষপূৰ্তিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা বাৰ্তাত উল্লেখ কৰে যে ২০০৫ চনৰ ১৭ অক্টোবৰৰ দিনটো অসমৰ ইতিহাসৰ এক অতি কৰুণ আৰু ক'লা অধ্যায়। কাৰ্বি আংলঙৰ চাৰচিম-প্ৰিচেকত সংঘটিত সেই বৰ্বৰ হত্যাকাণ্ডত ৪১গৰাকী নিৰীহ কাৰ্বি লোকৰ প্ৰাণ কাঢ়ি লোৱা হৈছিল। এই নৃশংস ঘটনাই সমগ্ৰ মানৱ সমাজক গভীৰভাৱে শোকাহত আৰু মৰ্মাহত কৰিছিল বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয়, "চাৰচিম-প্ৰিচেক গণহত্যাৰ চৰসংখ্যক বৰ্ষপূৰ্তিত সেই ৪১গৰাকী নিৰীহ লোকৰ পৱিত্ৰ স্মৃতিত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতা কেতিয়াও পূৰণ নহয়। তেওঁলোকৰ স্মৃতি আমাৰ হৃদয়ত চিৰজাগ্ৰত হৈ ৰ'ব। এই বৰ্বৰ হত্যাকাণ্ডত প্ৰাণ আহুতি দিয়া প্ৰতিগৰাকী লোকৰ পৱিত্ৰ আত্মাই চিৰশান্তি লাভ কৰক।" উল্লেখ্য, ২০০৫ চনৰ ১৭ অক্টোবৰৰ পুৱা জিলিকিণ্ডিং আৰক্ষী থানাৰ অন্তৰ্গত চাৰচিম গাঁৱৰ সমীপত ডিমাচা নেচনেল ডেম'ক্ৰেটিক ফ্ৰণ্ট (DHD-J) নামৰ উগ্ৰপন্থী সংগঠনৰ সশস্ত্ৰ কেডাৰে কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ দুখন যাত্ৰীবাহী বাছ আগচি ধৰে। উগ্ৰপন্থীসকলে বাছৰ পৰা যাত্ৰীসকলক নমাই অতি বৰ্বৰভাৱে হত্যা কৰে। কিছুমানক ডিঙি কাটি আৰু আন কিছুমানক চোকা অস্ত্ৰৰে উপৰ্যুপৰি আঘাত কৰি হত্যা কৰা হয়। হত্যাকাণ্ড সংঘটিত কৰাৰ পিছত উগ্ৰপন্থীসকলে বাছখনত জুই লগাই দিয়ে। ইয়াৰ পিছতে উগ্ৰপন্থীৰ দলটোৱে চাৰচিম, প্ৰিচেক আদি কাষৰীয়া গাঁৱত আক্ৰমণ চলায় আৰু ১৫টাতকৈ অধিক ঘৰ-দুৱাৰ জ্বলাই ছাৰখাৰ কৰে। এই ঘটনাত মুঠ ৪১জন নিৰীহ কাৰ্বি লোকৰ মৃত্যু হয়। নিহতসকলৰ ভিতৰত বহুসংখ্যক অসহায় মহিলা আৰু শিশু আছিল বুলি উল্লেখ কৰা হয়। এই গণহত্যাক কাৰ্বি সমাজ তথা অসমৰ ইতিহাসত 'ক'লা দিন' হিচাপে গণ্য কৰা হয়। প্ৰতি বছৰে ১৭ অক্টোবৰ তাৰিখে ৰাষ্ট্ৰীয় শোক দিৱস হিচাপে পালন কৰি অহা হৈছে। এই দিনটোত কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু বিভিন্ন স্থানীয় সংগঠনৰ উদ্যোগত চাৰচিম-প্ৰিচেকত থকা স্মৃতিস্তম্ভত বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ আৰু মৌন প্ৰাৰ্থনাৰে নিৰীহ পৱিত্ৰ আত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়।

## ডবকাৰ যমুনা মৌডংগা সংৰক্ষিত

সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্য। উচ্ছেদৰ ফলত ১৫২টা পৰিয়ালৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। দীৰ্ঘদিন ধৰি বসবাস কৰি অহা নিজৰ ঘৰ-বাৰী এৰি যাবলগীয়া হোৱাৰ আশংকাত পৰিয়াল কেইটাৰ মাজত দেখা দিছে অনিশ্চয়তা। প্ৰশাসনৰ উচ্ছেদ অভিযানৰ ফলত বহু পৰিয়ালে নিজৰ আশ্ৰয়স্থল হেৰুৱাবলগীয়া হৈছে। উচ্ছেদৰ পিছত পৰিয়াল কেইটাই ক'ত আশ্ৰয় ল'ব, কেনেদৰে নতুনকৈ জীৱন আৰম্ভ কৰিব, সেয়া এতিয়া এক ডাঙৰ প্ৰশ্ন হৈ দেখা দিছে। উল্লেখ্য যে চলিত বৰ্ষৰ জানুৱাৰী মাহতো একেটা সংৰক্ষিত বনাঞ্চলত বৃহৎ উচ্ছেদ অভিযান চলোৱা হৈছিল। সেই সময়ত প্ৰায় ৫,৩৬৫ বিঘা ভূমিত বসবাস কৰি থকা ১,০৯৮টা পৰিয়ালক উচ্ছেদ কৰা হৈছিল। ইয়াৰ পিছতো ৰপ্তচটা পৰিয়ালে উচ্ছেদৰ বিৰুদ্ধে ন্যায় বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। অৱশেষত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ পিছত পৰিয়াল কেইটাক উক্ত স্থান এৰি যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। সেই নিৰ্দেশৰ পৰিপ্ৰেক্ষিততে শনিবাৰে ডবকাৰ যমুনা মৌডংগা সংৰক্ষিত বনাঞ্চলত বাকী থকা ১৫২টা পৰিয়ালক উচ্ছেদ কৰাৰ বাবে প্ৰশাসনে অভিযান চলায়। প্ৰায় ৫২৫ বিঘা ভূমি সামৰি চলোৱা এই অভিযানত প্ৰশাসন আৰু বন বিভাগে বুলড'জাৰ ব্যৱহাৰ কৰি অবৈধ দখল উচ্ছেদৰ ব্যৱস্থা গ্ৰহণ কৰে। ইফালে উচ্ছেদ অভিযানক কেন্দ্ৰ কৰি অঞ্চলটোৰ বাসিন্দা সকলৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি হৈছে। বছৰ বছৰ ধৰি বসবাস কৰি অহা ঘৰ-বাৰী এৰি যাবলগীয়া হোৱাৰ পৰিস্থিতিয়ে পৰিয়াল কেইটাক মানসিকভাৱে বিপৰ্যস্ত কৰি তুলিছে। বিশেষকৈ শিশু, মহিলা আৰু বৃদ্ধসকলক লৈ পৰিয়াল কেইটাই এতিয়া অনিশ্চিত ভৱিষ্যতৰ সন্মুখীন হৈছে। সংৰক্ষিত বনাঞ্চলৰ ভূমি বেদখলমুক্ত কৰাৰ বাবে প্ৰশাসনে গ্ৰহণ কৰা এই পদক্ষেপৰ মাজতে উচ্ছেদিত পৰিয়াল কেইটাৰ পুনৰ সংস্থাপন আৰু বিকল্প আশ্ৰয়ৰ বিষয়টোও গুৰুত্বপূৰ্ণ হৈ পৰিছে। উচ্ছেদৰ ফলত গৃহহীন হোৱা পৰিয়াল কেইটাৰ ভৱিষ্যৎ কি হ'ব, সেই সন্দৰ্ভত প্ৰশাসনৰ পৰৱৰ্তী পদক্ষেপৰ ওপৰত এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ হৈছে।

## তথ্য প্ৰমাণৰ নামত একোৱেই নাছিল

চলোৱা হ'ব বুলিও তেওঁ সংবাদমেলত প্ৰকাশ কৰে। আইনী ব্যৱস্থা কটকটীয়া কৰাৰ দাবী জনাই বিধায়কগৰাকীয়ে কয় যে যিসকল অভিযুক্তই ইতিমধ্যে জামিন লাভ কৰিছে, তেওঁলোকৰ জামিন নাকচ কৰাৰ বাবে চৰকাৰক দাবী জনোৱা হ'ব। একেদৰে বৰ্তমান কাৰাগাৰত থকা অভিযুক্তসকলে যাতে কোনো কাৰণতে জামিন পাব নোৱাৰে, তাৰ বাবে যাৱতীয় কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিবলৈ কৰ্তৃপক্ষক আহ্বান জনোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। ঘটনাৰ পৰিপ্ৰেক্ষিতত সকলো তথ্য সম্বলিত এখন অতিৰিক্ত অভিযোগনামা (Supplementary Charge Sheet) আদালতত দাখিল কৰিবলৈ চৰকাৰ তথা আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী উত্থাপন কৰা হ'ব বুলিও অখিল গগৈয়ে জানিবলৈ দিয়ে। তেওঁ স্পষ্ট ভাষাত কয় যে সকলো অভিযুক্তক যাতে আইনৰ আটাইতকৈ কঠোৰতম শাস্তি প্ৰদান কৰা হয়, সেয়া সুনিশ্চিত কৰিব লাগিব। ইফালে, বিধায়কগৰাকীয়ে উল্লেখ কৰে যে আজিৰ এই সমগ্ৰ প্ৰক্ৰিয়া আৰু সভাখনলৈ গৰিমা শইকীয়া গাৰ্গৰ পূৰ্ণ সমৰ্থন আছে। তেওঁ গৰিমা শইকীয়া গাৰ্গৰ সৈতে হোৱা বাৰ্তালাপৰ কথাও সংবাদমেলত সদৰি কৰে। ন্যায়প্ৰাপ্তিৰ এই সংগ্ৰামত কোনো ৰাজনৈতিক ৰং নোবোলাবলৈ আহ্বান জনাই তেওঁ দল-মত নিৰ্বিশেষে সমগ্ৰ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰে।

## কলকাতাত দুৰ্গা পূজা মণ্ডপ ভাঙি ১৭

দুৰ্ঘটনা সংঘটিত হয়। এই দুৰ্ঘটনাৰ লগে লগে সৃষ্টি হোৱা পৰিস্থিতিত ১৭ গৰাকী লোকৰ মৃত্যু হোৱা বুলি খবৰ পোৱা গৈছে। দুৰ্গা পূজা উদযাপনৰ বাবে একত্ৰিত হোৱা ভক্তসকলৰ মাজত এই ঘটনাই হাহাকাৰৰ সৃষ্টি কৰে। জানিব পৰা মতে, দুৰ্ঘটনাগ্ৰস্ত লোকসকলক ততালিকে উদ্ধাৰ কৰি চিকিৎসাৰ বাবে কলকাতা মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। পূজা আয়োজকসকলেও পৰিস্থিতি নিয়ন্ত্ৰণলৈ আনিবলৈ আৰু আঘাতপ্ৰাপ্তসকলক সহায় কৰিবলৈ লগে লগে জৰুৰী পদক্ষেপ গ্ৰহণ কৰে বুলি জানিব পৰা গৈছে। ঘটনাটোৰ খবৰ পোৱাৰ লগে লগে আৰক্ষী জোৱান আৰু দুৰ্যোগ ব্যৱস্থাপনা বিষয়াসকল ঘটনাস্থলীত উপস্থিত হয়। ইফালে, পশ্চিম বংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে 'এক্স'যোগে প্ৰকাশ কৰা বাৰ্তাত চোৰবাগান পূজা মণ্ডপত সংঘটিত এই দুৰ্ঘটনাৰ বিষয়ে অৱগত হৈ গভীৰ শোক ব্যক্ত কৰিছে।

## ১৬ ডিচেম্বৰত গোৱাত আইপিএল ২০২৭ৰ

কাৰ্যবাহী বিষয়াসকললৈ এতিয়াও আনুষ্ঠানিক ই-মেইল প্ৰেৰণ কৰা হোৱা নাই। প্ৰতিবেদন অনুসৰি, বিচিচিআইৰ আয়োজন আৰু যাতায়াতৰ দায়িত্বত থকা দলটোৱে ইতিমধ্যে হোৱাটছএপৰ জৰিয়তে ফ্ৰেঞ্চাইজিসমূহক নিলামৰ স্থান আৰু তাৰিখ সম্পৰ্কে অৱগত কৰিছে। ইয়াৰ উদ্দেশ্য হৈছে দলসমূহে যাতায়াত, থকা-মেলা আৰু আন প্ৰয়োজনীয় ব্যৱস্থাৰ বাবে আগতীয়াকৈ প্ৰস্তুতি চলাব পৰা। নিলামৰ আগদিনা অৰ্থাৎ ১৫ ডিচেম্বৰত একেখন হোটেলতে এখন বিশেষ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত নিলামৰ প্ৰক্ৰিয়া আৰু প্ৰয়োজনীয় দিশসমূহৰ বিষয়ে ফ্ৰেঞ্চাইজিসমূহক অৱগত কৰা হ'ব। এইবাৰৰ নিলামৰ আন এক উল্লেখযোগ্য দিশ হৈছে ইয়াৰ স্থান। প্ৰায় তিনি বছৰৰ বিৰতিৰ অন্তত ভাৰতত আইপিএলৰ নিলাম অনুষ্ঠিত হ'ব। ২০২৩ চনত ভাৰততে আইপিএলৰ নিলাম অনুষ্ঠিত হৈছিল। ইয়াৰ পিছত ২০২৪ চনত ডুবাইত, ২০২৫ চনত ছৌদি আৰবৰ জেদ্দাত মেগা নিলাম আৰু ২০২৬ চনত আবুধাবিত নিলাম অনুষ্ঠিত হৈছিল। এতিয়া গোৱাত নিলাম অনুষ্ঠিত হোৱাৰ খবৰে আইপিএলৰ দলসমূহৰ পৰৱৰ্তী ছিজনৰ প্ৰস্তুতি আৰু খেলুৱৈ ক্ৰয়ৰ কৌশলক লৈ চৰ্চা বৃদ্ধি কৰিছে। কোন কোন খেলুৱৈক দলসমূহে নিজৰ শিবিৰলৈ আনিবলৈ চেষ্টা কৰিব, সেয়া জানিবলৈ অনুৰাগীসকলৰ মাজতো আগ্ৰহ দেখা গৈছে।

## বড়ো ভাষা আঁতৰোৱাৰ বাতৰি ভিত্তিহীন;

হিমন্ত বিশ্ব শৰ্মাই এক্সযোগে মন্তব্য কৰে যে অসমীয়া ভাষা-সংস্কৃতিৰ বৈচিত্ৰ্যময় পৰিসৰত বড়ো ভাষা আমাৰ গৌৰৱময় ঐতিহ্যৰ অবিচ্ছেদ্য অংশ। তেওঁ উল্লেখ কৰে যে এই ভাষাই আমাৰ প্ৰাচীন সভ্যতাৰ সৌন্দৰ্য, বৈচিত্ৰ্য আৰু শক্তিক প্ৰতিফলিত কৰে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বড়ো ভাষাৰ সংৰক্ষণ, প্ৰসাৰ আৰু সমৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰ দৃঢ়ভাৱে প্ৰতিশ্ৰুতিবদ্ধ। তেওঁৰ মতে, বড়ো ভাষা আমাৰ উমৈহতীয়া সাংস্কৃতিক পৰিচয়ৰ এক গুৰুত্বপূৰ্ণ অংগ। অসম বিধানসভায়ো একে দায়বদ্ধতাৰে এই সংকল্প আগুৱাই নিব আৰু বড়ো ভাষাই প্ৰাপ্য মৰ্যাদা, স্বীকৃতি তথা প্ৰসাৰ লাভ কৰাটো নিশ্চিত কৰাৰ দিশত ইতিবাচক ভূমিকা পালন কৰিব। ইপিনে, মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়াৰ পিছতে অসম বিধানসভা কৰ্তৃপক্ষই প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জনায় যে বিধানসভা ভৱনৰ পৰা বড়ো ভাষা আঁতৰোৱা বুলি প্ৰকাশ পোৱা বাতৰি সম্পূৰ্ণ ভিত্তিহীন। বিজ্ঞপ্তিত স্পষ্ট কৰা হয় যে বিধানসভা ভৱনৰ সন্মুখভাগত কিছু মেৰামতিৰ কাম চলি থকাৰ বাবেহে এই বিভ্ৰান্তিৰ সৃষ্টি হৈছে। উক্ত বাতৰিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা বিতৰ্কৰ প্ৰেক্ষাপটত অসম বিধানসভা সচিবালয়ে এই বিষয়ত স্পষ্টীকৰণ দিয়া বুলি উল্লেখ কৰা হয়। উল্লেখ্য, সংযুক্ত বড়ো গণ মঞ্চৰ নেতা মনোৰঞ্জন বসুমতাৰীয়ে কৈছিল যে ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত বড়ো ভাষাক তৃতীয় বড়ো শান্তি চুক্তিৰ আধাৰত অসমৰ চৰকাৰী সহযোগী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছে। তেওঁৰ মতে, এনে পৰিস্থিতিত প্ৰথমে বিধানসভাৰ ফলকসমূহত বড়ো ভাষা খোদিত কৰি পিছত সেই ভাষা আঁতৰাই দিয়াৰ ঘটনা অত্যন্ত দুৰ্ভাগ্যজনক। তেওঁ কয় যে ইয়াৰ জৰিয়তে বড়ো জনগোষ্ঠীৰ স্বাভিমান আৰু আত্মসন্মানত আঘাত হানিছে। পূৰ্বৰ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ কাৰ্যকালত বিধানসভা ভৱনৰ সৌন্দৰ্যবৰ্ধনৰ অংশ হিচাপে বড়ো ভাষাত আৰনাই আৰু ফলকসমূহ সজোৱা হৈছিল বুলি তেওঁ উল্লেখ কৰে। কিন্তু বৰ্তমান অধ্যক্ষ ৰণজিৎ কুমাৰ দাসৰ কাৰ্যকালত কি কাৰণত এই ফলকসমূহৰ পৰা বড়ো ভাষা আঁতৰোৱা হ'ল, সেয়া এতিয়াও স্পষ্ট হোৱা নাই বুলি তেওঁ মন্তব্য কৰে। সংগঠনটোৱে বিধানসভা কৰ্তৃপক্ষক শীঘ্ৰে বিষয়টোত হস্তক্ষেপ কৰি ফলকসমূহত বড়ো ভাষাৰ যথোচিত মৰ্যাদা পুনৰ প্ৰতিষ্ঠা কৰিবলৈ দাবী জনাইছিল। এই দাবীৰ প্ৰতি সন্মান জনাই মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত প্ৰতিক্ৰিয়া ব্যক্ত কৰে বুলি জানিব পৰা গৈছে। ইফালে, বিধানসভাৰ স্পষ্টীকৰণৰ পিছত বড়ো ভাষা আঁতৰোৱা সংক্ৰান্তিয় বাতৰিয়ে আৰু অধিক বিভ্ৰান্তি সৃষ্টি কৰিছে যদিও কৰ্তৃপক্ষই এই বিষয়ত কোনো পদক্ষেপ লোৱা হোৱা নাই বুলি দাবী কৰিছে।

## পাণবজাৰত আইইডি উদ্ধাৰৰ গোচৰত

আদালতত অভিযোগনামা দাখিল কৰিছে। সংস্থাটোৰ তথ্য অনুসৰি, ২০২৪ চনৰ ১৫ আগষ্টত গুৱাহাটীৰ পানবজাৰস্থিত মতিলাল নেহৰু পথত বিস্ফোৰক সামগ্ৰী উদ্ধাৰ হৈছিল। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ২০২৪ চনৰ ১৬ আগষ্টত পানবজাৰ আৰক্ষী থানাত গোচৰ ৰুজু হয়। পিছত ২০২৫ চনৰ ২৭ ফেব্ৰুৱাৰীত NIA-এ গোচৰটোৰ তদন্তভাৰ গ্ৰহণ কৰে। চৰকাৰী বিবৃতি অনুসৰি, অভিযোগনামাত আলফা (স্বাধীন)ৰ অধ্যক্ষ তথা স্বঘোষিত মুখ্য সেনাধ্যক্ষ পৰেশ বৰুৱাৰ লগতে কনক চন্দ্ৰ গগৈ ওৰফে আইচেং অসম, জাহ্নু বৰুৱা, ভাৰ্গৱ গগৈ আৰু চুমু গগৈৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰা হৈছে। অভিযুক্তসকলৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ বিভিন্ন ধাৰা, অবৈধ কাৰ্যকলাপ (প্ৰতিৰোধ) আইন আৰু বিস্ফোৰক পদাৰ্থ আইনৰ অধীনত অভিযোগনামা দাখিল কৰা হয়। তদন্তকাৰী সংস্থাৰ অভিযোগ অনুসৰি, অভিযুক্তসকলে ভাৰত চৰকাৰৰ বিৰুদ্ধে যুদ্ধ চলোৱাৰ উদ্দেশ্যে ষড়যন্ত্ৰ ৰচনা কৰিছিল। সেই ষড়যন্ত্ৰৰ অংশ হিচাপে পৰিকল্পিতভাৱে বিস্ফোৰণ ঘটাই প্ৰাণহানি, সা-সম্পত্তিৰ ক্ষতি সাধন কৰা, ভাৰতৰ ঐক্য, অখণ্ডতা, নিৰাপত্তা আৰু সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি সৃষ্টি কৰা তথা জনসাধাৰণৰ মাজত সন্ত্ৰাস বিস্তাৰ কৰাৰ অভিপ্ৰায় পোষণ কৰা হৈছিল বুলি NIA-এ উল্লেখ কৰিছে। গুৱাহাটীৰ NIAৰ বিশেষ আদালতত দাখিল কৰা এই অভিযোগনামাৰ পিছতো গোচৰটোৰ অধিক তদন্ত অব্যাহত আছে বুলি তদন্তকাৰী সংস্থাটোৱে জানিবলৈ দিছে।

## গোটেই ৰাজ্যখন অসুৰকেইটাৰ বিপক্ষে থিয়

আছে। তাত কোনো ৰাজনৈতিক বা আন কোনো ধৰণৰ মতাদৰ্শ নাই। কোনেও নিজৰ মতেৰে জাপি দিবলৈ চেষ্টা নকৰে যাতেহু জুবিনে ন্যায় পাবই লাগিব। বচহু একমাত্ৰ সেয়াই আমাৰ দাবী, অনুৰোধ আৰু প্ৰাৰ্থনা। জুবিন, মা আৰু জংকীৰ বাবে এটা বিশেষ বৈদিক নিয়ম কৰিবলৈ আমি গাৱঁলৈ ইতিমধ্যে ৰাওনা হৈছো। সেয়ে আজিৰ বিক্ষোভ কাৰ্যসূচীত উপস্থিত থাকিব নোৱাৰিম। কিন্তু অসমৰ ৰাইজৰ লগত আমাৰ পূৰ্ণ সহযোগ আছে।" ইয়াৰ পূৰ্বে তেওঁ আন এক পোষ্টত উল্লেখ কৰিছিল যে ৯ অক্টোবৰৰ পৰা এটা সপ্তাহ পাৰ হৈছে। উচ্চ ন্যায়ালয়ৰ বিচাৰ মনোমত নহ'লে উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হোৱাৰ সুবিধা আছে বুলি তেওঁ মন্তব্য কৰে। "State of Assam vs Accused" গোচৰত ৰাজ্যৰ অভিজ্ঞ SIT দলৰ বাবে এতিয়া যি পৰিস্থিতি হৈছে, সেয়া গ্ৰহণযোগ্য নে বুলি তেওঁ প্ৰশ্ন তুলে। জুবিন গাৰ্গৰ প্ৰতি এইখিনিয়েই দায়িত্ব আৰু কৰ্তব্য নে বুলিও তেওঁ সোধে। শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ গোচৰ দুটা উচ্চতম ন্যায়ালয়লৈ নিয়া হৈছিল বুলি উল্লেখ কৰি তেওঁ কয় যে সেই গোচৰৰ পৰা অভিযুক্তসকলে যাতে ৰেহাই নাপায়, সেই দিশত ব্যৱস্থা লোৱা উচিত। মানি ল'ব নোৱাৰা বিচাৰ উচ্চতম ন্যায়ালয়লৈ লৈ যোৱাৰ দাবী তেওঁ জনায়। গৰিমা শইকীয়া গাৰ্গে লগতে কয় যে "অসম অসমকৈ" নিজৰ সৰ্বস্ব উজাৰি দিয়া প্ৰাণৰ শিল্পীজনৰ প্ৰাপ্য ন্যায়েই হ'ব লাগে। তেওঁ অসমবাসীক "অসম পৰিয়াল" আৰু "জুবিন পৰিয়াল" হিচাপে একত্ৰিত হৈ ন্যায়ৰ যুঁজত থিয় দিবলৈ আহ্বান জনায়। তেওঁৰ মতে, পৰিয়ালতকৈ জুবিন বেছি ৰাইজৰ আৰু ৰাইজৰ সন্মিলিত শক্তিৰ প্ৰভাৱো বেছি। সেয়ে কেইটামান "অসুৰ"ৰ সন্মুখত সমগ্ৰ ৰাজ্যখন থিয় হৈছে বুলি তেওঁ মন্তব্য কৰে। তেওঁৰ আন এক পোষ্টত উল্লেখ আছে যে গোচৰটো "#StateofAssam Vs #Accused" হিচাপে পৰিচিত। তেওঁ কয়, "ন্যায় আমাৰ প্ৰাপ্য। আমাক ন্যায় লাগিবই। যিটো সত্য আৰু শুদ্ধ সেয়াহে বিচাৰিছোঁ। অভিজ্ঞ তদন্তকাৰী বিষয়াৰ দলে আইনী প্ৰক্ৰিয়াৰে দোষাৰোপ কৰা অপৰাধীৰহে শাস্তি বিচাৰিছোঁ; কোনো নিৰপৰাধীক কষ্ট দিব বিচৰা নাই। তেন্তে আমাৰ ন্যায় প্ৰদানত ইমান আপত্তি আৰু চক্ৰান্ত কিহৰ?" তেওঁ "#JusticeForZubeenGarg" আৰু "# আমাৰজুবিন_অমৰজুবিন" হেশ্বটেগ ব্যৱহাৰ কৰে।

## ভীম ভিটা'ৰ স্ৰষ্টা ইন্দুকল্প ভৰালীৰ

অৱনতি ঘটিছিল। শনিবাৰে পুৱা তেওঁৰ নশ্বৰদেহত অগণন গুণমুগ্ধই শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছত দিনৰ আগবেলাতে নিজা বাসগৃহৰ চৌহদতে শেষকৃত্য সম্পন্ন কৰা হয়। মাজুলীৰ প্ৰগতিশীল চিন্তাধাৰাৰ এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন যুৱ উদ্যোগী হিচাপে পৰিচিত ইন্দুকল্প ভৰালীয়ে থলুৱা কৃষিজাত সামগ্ৰীক ভিত্তি কৰি উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত এক ব্যতিক্ৰমী নিদৰ্শন দাঙি ধৰিছিল। তেওঁৰ উদ্ভাৱনী প্ৰচেষ্টাৰ অন্যতম ফচল আছিল ভীমকলৰ পৰা প্ৰস্তুত কৰা পুষ্টিদায়ক শিশু খাদ্য 'ভীম ভিটা'। ইয়াৰ উপৰি 'লুইত মাজুলী' মিঠাতেল, 'নিৰিবিলি' গেষ্ট হাউচ আৰু বাঁহ-বেতৰ আচবাব নিৰ্মাণৰ উদ্যোগৰ জৰিয়তে তেওঁ মাজুলীৰ থলুৱা সম্পদ আৰু সম্ভাৱনাক ব্যৱসায়িক ৰূপ দিয়াৰ প্ৰয়াস কৰিছিল। উল্লেখযোগ্য যে, বহু লোকে 'ভীম ভিটা'ৰ প্ৰস্তুত প্ৰণালীৰ স্বত্ব ক্ৰয় কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিলেও ইন্দুকল্প ভৰালীয়ে সেই প্ৰস্তাৱসমূহ গ্ৰহণ নকৰি নিজৰ উদ্যোগ নিজেই পৰিচালনা কৰাৰ লগতে থলুৱা সম্পদৰ ওপৰত ভিত্তি কৰি মাজুলীতে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাত গুৰুত্ব দিছিল। চাকৰিৰ পিছত দৌৰাৰ পৰিৱৰ্তে নিজেই উদ্যোগ গঢ়ি তুলি স্বাৱলম্বী হোৱাৰ তেওঁৰ এই কৰ্মযাত্ৰাই বহু যুৱক-যুৱতীক অনুপ্ৰাণিত কৰিছিল। মাজুলী মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক মুহিধৰ ভৰালীৰ পুত্ৰ ইন্দুকল্প ভৰালীয়ে নিজৰ উদ্যম, সাহস আৰু কৰ্মস্পৃহাৰে সমাজত এক সুকীয়া পৰিচয় গঢ়ি তুলিছিল। তেওঁৰ অকাল বিয়োগে কেৱল পৰিয়ালটোকে নহয়, মাজুলীৰ উদ্যোগী সমাজ আৰু থলুৱা উদ্যোগৰ সম্ভাৱনাৰ সৈতে জড়িত বহু লোককো শোকস্তব্ধ কৰি তুলিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী কবিতা ভৰালী, এগৰাকী পুত্ৰ আৰু এগৰাকী কন্যাক এৰি থৈ যায়। তেওঁৰ মৃত্যুত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, যোৰহাটৰ সাংসদ গৌৰৱ গগৈ, লক্ষীমপুৰৰ সাংসদ প্ৰদান বৰুৱা আৰু মাজুলীৰ বিধায়ক ভুৱন গামকে ধৰি বিভিন্ন ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু সংগঠনে গভীৰ শোক প্ৰকাশ কৰিছে। কমলাবাৰী ব্যৱসায়ী সমাজ, মাজুলী মহাবিদ্যালয়, মাজুলী জিলা আপকু, ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, সদৌ অসম ছাত্ৰ সন্থা, মাজুলী জিলা ছাত্ৰ সন্থা, যুৱ ছাত্ৰ পৰিষদ, আউনীআটী সত্ৰ হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়কে ধৰি বিভিন্ন প্ৰতিষ্ঠানেও তেওঁৰ বিয়োগত শোক প্ৰকাশ কৰে। এগৰাকী সৃষ্টিশীল, কৰ্মমুখী আৰু সম্ভাৱনাপূৰ্ণ উদ্যোগী হিচাপে ইন্দুকল্প ভৰালীয়ে মাজুলীৰ মাটিত যি স্বাৱলম্বিতাৰ সপোন ৰোপণ কৰি থৈ গ'ল, সেয়া তেওঁৰ কৰ্মৰাজিৰ মাজেৰে দীৰ্ঘদিনলৈ স্মৰণীয় হৈ ৰ'ব।

## ভাৰতীয় ন্যায় সংহিতা ৰূপায়ণত

দিয়া হৈছে বুলিও তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰীৰ মতে, কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ NCLI ডেছব'ৰ্ডত প্ৰকাশ পোৱা তথ্য অনুসৰি ভাৰতীয় ন্যায় সংহিতা ৰূপায়ণত অসমে দেশৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। এই তথ্যই ৰাজ্য চৰকাৰে নতুন আইনখন ৰূপায়ণ আৰু অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উল্লেখ্য, ২০২৪ চনৰ ৰ জুলাইৰ পৰা দেশত ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী হৈছিল। এই নতুন আইনে ভাৰতীয় দণ্ডবিধিৰ (IPC) ঠাই লৈছিল। দেশৰ অপৰাধ সম্পৰ্কীয় আইনসমূহৰ সংস্কাৰ সাধন আৰু ন্যায় ব্যৱস্থাক অধিক আধুনিক কৰাৰ লক্ষ্যৰে এই আইন প্ৰৱৰ্তন কৰা হৈছিল।

## শান্তি ভংগৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা

মুকলি কৰি দিয়ে। উল্লেখ্য, শুকুৰবাৰে কনৌট প্লেচৰ পৰা দিল্লী আৰক্ষীয়ে অভিজিৎ দীপকক গ্ৰেপ্তাৰ কৰিছিল। শান্তি ভংগ কৰাৰ অভিযোগত চিজেপিৰ নেতাগৰাকীক গ্ৰেপ্তাৰ কৰা হৈছিল। আটক কৰাৰ পিছত তেওঁক প্ৰথমে মন্দিৰ মাৰ্গ আৰক্ষী থানালৈ লৈ অনা হয়। ইয়াৰ পিছত নিয়ম অনুসৰি প্ৰক্ৰিয়াৰ অংশ হিচাপে তেওঁক বিশেষ কাৰ্যবাহী দণ্ডাধীশৰ (Special Executive Magistrate) সন্মুখত হাজিৰ কৰোৱা হয়। সেই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পিছত তেওঁ বণ্ডত স্বাক্ষৰ কৰি মুক্তি লাভ কৰে বুলি জানিব পৰা গৈছে।

## জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত কংগ্ৰেছৰ

আৰক্ষীয়ে আনুষ্ঠানিকভাৱে কংগ্ৰেছক NOC প্ৰদান কৰা বুলি চেণ্ট্ৰেল দিল্লীৰ ডিচিপি ৰোহিত ৰাজবীৰ সিঙে জানিবলৈ দিছে। উল্লেখ্য, দিল্লীৰ ৰামলীলা মৈদান, চিবিডি গ্ৰাউণ্ড আৰু বুৰাৰী গ্ৰাউণ্ডক প্ৰতিবাদ তথা সমাৱেশৰ বাবে নিৰ্ধাৰিত স্থান হিচাপে প্ৰশাসনে আগতেই ঘোষণা কৰিছিল। ইয়াৰ মাজতে পৌৰ নিগমে স্পষ্ট কৰি দিছিল যে চপ্ত অক্টোবৰৰ পৰা নৱেম্বৰলৈকে ৰামলীলা মৈদান খালী থাকিব। পৌৰ নিগমৰ পৰা স্থানটোৰ উপলব্ধতাৰ প্ৰমাণপত্ৰ লাভ কৰাৰ পিছত দিল্লী আৰক্ষীয়ে কংগ্ৰেছক NOC প্ৰদান কৰে। কংগ্ৰেছৰ সমাৱেশৰ সন্দৰ্ভত আৰক্ষী বিষয়াসকলে এখন বৈঠকত মিলিত হৈ নিৰাপত্তা ব্যৱস্থা, ভিৰ নিয়ন্ত্ৰণ আৰু আইন-শৃংখলা সম্পৰ্কীয় সকলো দিশ বিশদভাৱে আলোচনা কৰে। প্ৰয়োজনীয় নিৰাপত্তাৰ মানদণ্ড আৰু ব্যৱস্থাসমূহৰ বুজ লোৱাৰ পিছত আৰক্ষী প্ৰশাসনে সমাৱেশৰ বাবে কংগ্ৰেছক ত্ত্বখট্ৰ প্ৰদান কৰে। আৰক্ষীৰ তথ্য অনুসৰি, NOC জাৰি কৰাৰ পিছত দলটোৱে এই প্ৰমাণপত্ৰ লৈ পৌৰ নিগমলৈ যাব লাগিব। তাত খেলপথাৰখন বুকিং কৰাৰ আনুষ্ঠানিকতাসমূহ সম্পূৰ্ণ কৰাৰ পিছতহে তেওঁলোকে খেলপথাৰত নিজৰ প্ৰস্তুতি কাৰ্যকৰী কৰিব পাৰিব। সময়সূচী অনুসৰি, ৰামলীলা মৈদান চপ্ত অক্টোবৰৰ পৰা ৩ নৱেম্বৰলৈ বুকিং কৰা হ'ব। ৰামলীলা মৈদান ব্যৱহাৰ কৰিব বিচৰা অন্য যিকোনো সংগঠন বা উদ্যোক্তায়ো একেই নিৰ্ধাৰিত প্ৰক্ৰিয়া অনুসৰণ কৰিব লাগিব বুলি আৰক্ষীয়ে স্পষ্ট কৰিছে। এই সমাৱেশৰ জৰিয়তে কংগ্ৰেছৰ ৰাজনৈতিক কাৰ্যসূচী আৰু প্ৰদৰ্শনৰ ৰূপৰেখা কেনে হ'ব, তাৰ ওপৰত এতিয়া সকলোৰে দৃষ্টি নিবদ্ধ হৈছে।

## AISA নেত্ৰী নেহা বৰাক মুকলি

আৰক্ষীয়ে নেহা বৰাক আটক কৰে। নেহা বৰাক আটক কৰাৰ পিছত তেওঁৰ সতীৰ্থসকলে দিল্লী আৰক্ষীৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰে যে আটকৰ পিছত তেওঁক অজ্ঞাত স্থানলৈ লৈ যোৱা হৈছিল। সতীৰ্থ আৰু অধিবক্তাসকলে আৰক্ষী থানালৈ গৈ তেওঁৰ অৱস্থিতি জানিব বিচৰা সত্বেও আৰক্ষীয়ে কোনো তথ্য প্ৰদান নকৰে আৰু মাজনিশালৈকে অধিবক্তাকো তেওঁৰ সৈতে সাক্ষাৎ কৰিবলৈ অনুমতি নিদিয়ে। আজি পুৱা দিল্লী আৰক্ষীয়ে AISA নেত্ৰী নেহা বৰাক মুকলি কৰি দিয়ে। মুকলি হোৱাৰ পিছতে সংবাদমাধ্যমৰ সন্মুখত তেওঁ দিল্লী আৰক্ষীৰ বিৰুদ্ধে পুনৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰে। নেহা ব'ৰাই কয় যে দেশত আইন-শৃংখলা সম্পূৰ্ণৰূপে ধূলিসাৎ কৰা হৈছে আৰু সাধাৰণ নাগৰিকক এনেধৰণে ব্যৱহাৰ কৰা হৈছে যেন তেওঁলোক কোনো দাগী অপৰাধী। তেওঁ অভিযোগ কৰে যে দিনৰ ভাগত বা সন্ধিয়া প্ৰতিবাদকাৰীসকলক আটক কৰি গোটেই নিশা থানাত আৱদ্ধ কৰি ৰখা হয় আৰু পিছদিনা মুকলি কৰি দিয়া হয়; কিন্তু কোন আইনৰ অধীনত তেওঁলোকক আটক কৰা হৈছে, সেই সম্পৰ্কে আৰক্ষীয়ে কোনো তথ্য নিদিয়ে। তেওঁ লগতে প্ৰশ্ন উত্থাপন কৰে যে এগৰাকী মহিলাক গোটেই নিশা আৰক্ষীৰ জিম্মাত ৰখাটো কেনেকৈ বৈধ, কাৰণ আইনীভাৱে সূৰ্যাস্তৰ পিছত মহিলাক আটক কৰি ৰাখিব নোৱাৰি। ইয়াৰ উপৰি নেহা ব'ৰাই বিজেপিক কটাক্ষ কৰি কয় যে তেওঁলোকে অহংকাৰ ত্যাগ কৰি জ্ঞানেশ কুমাৰৰ পদত্যাগ বিচাৰক। লগতে ত্ৰচত্ম প্ৰক্ৰিয়া সম্পূৰ্ণৰূপে বন্ধ কৰিবলৈ দাবী জনাই তেওঁ কয় যে ইয়াৰ দ্বাৰাহে দেশৰ জনসাধাৰণে ভালদৰে উশাহ ল'ব পাৰিব।

## আজি ৩৭৩ বছৰীয়া পৰম্পৰাৰে আউনীআটী

কাতি বিহু উদযাপনৰ প্ৰস্তুতি শেষ হৈছে। আউনীআটী সত্ৰত প্ৰতিষ্ঠা কালৰে পৰা এই পৰম্পৰা চলি আহিছে। তাৰ বাবে প্ৰতি বছৰৰ দৰে এইবাৰো সত্ৰৰ কীৰ্তন ঘৰৰ নিচেই কাষতে চৰ জোৰা বন্তি প্ৰজ্বলন কৰিব। যদিও বা কাতি বিহু কঙালী তথাপি সত্ৰ সমূহত এই বিহুৰ আধ্যাত্মিকতাৰ ফালৰ পৰা বিশেষ তাৎপৰ্যপূৰ্ণ হিচাপে গণ্য কৰা হয়। কাতি মাহটো পুণ্যমাহ আৰু এই কাতি মাহত তলত তুলসী ৰোপণ কৰিলে মানৱ জাতিৰ কল্যাণ সাধন হোৱাৰ লগতে ২১ পুৰুষ উদ্ধাৰ হয় বুলি ধৰ্মীয় বিশ্বাস আছে। কথা পদ্ম পুৰানতো তুলসী দৰ্শন মাত্ৰে পুণ্য হয় স্পৰ্শ কৰিলে পাপ ক্ষয় হয় আৰু তুলসীৰ তলত সকলো তীৰ্থ পোৱা যায় বুলি উল্লেখ আছে। আউনীআটী সত্ৰৰ ২১ জোৰা আকাশ বন্তি সমগ্ৰ কাতি মাহটোতে প্ৰজ্বলিত হৈ থাকিব। কাইলৈ সত্ৰৰ পৰম্পৰা অনুসৰি গায়ন-বায়ন ঢুলীয়া, খুলিয়া, ওজাপালি, নটুৱা সংকীৰ্তন আদিৰ মাজেৰে সত্ৰাধিকাৰে সন্ধিয়াৰ ভাগলে ২১ যোৰা আকাশ বন্তি প্ৰজ্বলন কৰিব। সমান্তৰালভাৱে সত্ৰৰ কণ কণ বৈষ্ণৱ সকলেও তুলসী ভেটি নিৰ্মাণত লাগি পৰিছে।

## দুৰ্গা পূজাৰ মাজতে গোলাঘাটৰ তিনিটা

পৰিয়ালৰ বাসগৃহ ভাঙি দিয়া হয়। প্ৰশাসনৰ মতে, এই পৰিয়ালসমূহে দীৰ্ঘদিন ধৰি বনাঞ্চলৰ ভূমি বেদখল কৰি আহিছিল। গেলাজানত উচ্ছেদ চলাৰ সময়ত অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উচ্ছেদিত লোক আৰু নগা লোকৰ মাজত ভূমি ক্ৰয়ৰ প্ৰসংগত তীব্ৰ বাকবিতণ্ডা লাগে। একাংশ উচ্ছেদিতই অভিযোগ কৰে যে তেওঁলোকে প্ৰথমে সেই ভূমি নগাৰ পৰা কৃষিৰ বাবে লৈছিল আৰু তাত দীৰ্ঘদিন ধৰি খেতি কৰিছিল; পিছত লাহে লাহে কিছু মাটি ক্ৰয় কৰিছিল। কিন্তু সংবাদ মাধ্যমৰ আগত এনেদৰে কোৱাৰ সময়তে ওচৰতে থকা একাংশ নগাই তেওঁলোকক প্ৰত্যাহ্বান জনায়। ভূমি ক্ৰয়ৰ প্ৰসংগত দীৰ্ঘ সময় ধৰি তৰ্কবিতৰ্কৰ পিছত উচ্ছেদিত লোকে সেই ভূমি নেপালী আৰু অসমীয়া লোকৰ পৰা ক্ৰয় কৰা বুলি স্বীকাৰ কৰে। ইফালে নগা লোকসকলে ভূমি ক্ৰয় কৰাৰ প্ৰমাণ বিচাৰি পৰিস্থিতি উত্তপ্ত কৰি তোলে। উল্লেখ্য, ২০২৫ চনত উৰিয়ামঘাটত চলা উচ্ছেদ অভিযানৰ সময়ত একাংশ লোকে ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল। সেই সময়ত ৰচটা পৰিয়ালক উচ্ছেদৰ ক্ষেত্ৰত আদালতে স্থগিতাদেশ জাৰি কৰিছিল। অৱশ্যে পিছত ন্যায়ালয়ে পুনৰ উচ্ছেদৰ ৰায় দিয়াত প্ৰশাসনে অভিযান চলায়। শুকুৰবাৰে সন্ধিয়া মাইকযোগে প্ৰশাসনে লোকসকলক ঘৰ খালী কৰিবলৈ ঘোষণা কৰে আৰু শনিবাৰে ৰাতিপুৱাৰে পৰা দক্ষিণ নামবৰ বনাঞ্চলৰ গেলাজানত উচ্ছেদ আৰম্ভ হয়। কেৱল গেলাজানতে নহয়, গোলাঘাট জিলাৰ মুঠ তিনিটা স্থানত প্ৰশাসনে উচ্ছেদ অভিযান চলাইছে। দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰিবিল, দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চলৰ গেলাজান আৰু ৩ নং ৰজা পুখুৰীত বন বিভাগ তথা প্ৰশাসনে উচ্ছেদ চলায়। এই সন্দৰ্ভত জিলা আয়ুক্ত বিশ্বজিৎ ফুকনে কয়, "আজি গোলাঘাট জিলাৰ তিনিটা অঞ্চলত উচ্ছেদ অভিযান চলি আছে। ইয়াৰে দৈয়াং বনাঞ্চলত ৬০টা বাসগৃহ, দক্ষিণ নামবৰ সংৰক্ষিত বনাঞ্চলত ৰচটা বাসগৃহ আৰু ৰজা পুখুৰীত ৯টা বাসগৃহ উচ্ছেদ কৰা হৈছে। এই উচ্ছেদ অভিযান বন বিভাগ, আৰক্ষী আৰু জিলা প্ৰশাসনৰ যৌথ উদ্যোগত চলোৱা হৈছে। শান্তিপূৰ্ণভাৱে এই উচ্ছেদ চলি আছে।" উচ্ছেদস্থলীত আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰা হৈছে বুলি জানিব পৰা গৈছে।

## আজি অসমীয়া গ্ৰাম্য জীৱনৰ হেঁপাহৰ কাতি বিহু

চাফ-চিকুণ কৰি সুকীয়া আধ্যাত্মিক পৰিৱেশ গঢ়ি তোলে। বিয়লি ভাগত গৃহস্থৰ চোতালত নতুনকৈ তুলসী ৰোপণ কৰি তাৰ ভেটি মাটি আৰু গোবৰেৰে লেপি-পুচি পৱিত্ৰ কৰি তোলা হয়। গধূলি হোৱাৰ লগে লগে গৃহিণীসকলে শুদ্ধ চিত্তে সেই তুলসীৰ তলত নতুন মৃণ্ময় চাকি প্ৰজ্বলন কৰে আৰু ধূপ-ধূনা জ্বলাই আই-মাতৃসকলে নাম-প্ৰসংগৰে সমগ্ৰ পৰিৱেশ মুখৰিত কৰি তোলে। প্ৰাচীন লোকবিশ্বাস অনুসৰি এই পৱিত্ৰ সময়ছোৱাত ধাননি পথাৰত অনিষ্টকাৰী পোক-পৰুৱাৰ উপদ্ৰৱ বৃদ্ধি পায়। সেইবাবে খেতিয়কসকলে নিশালৈ নিজ নিজ পথাৰত ওলাই গৈ ওখ বাঁহৰ টঙি সাজি 'আকাশচাকি' জ্বলোৱাৰ এক বিৰল আৰু বৈজ্ঞানিক পৰম্পৰা পালন কৰে। আকাশচাকিৰ পোহৰে অনিষ্টকাৰী কীট-পতংগক আকৰ্ষিত কৰি শস্যৰ ধ্বংস ৰোধ কৰে বুলি বিশ্বাস কৰা হয়। ইয়াৰ উপৰি পথাৰৰ আলিয়ে আলিয়ে ধূপ আৰু চাকি জ্বলাই ধানৰ থোকবোৰ সুৰক্ষিত ৰখাৰ বাবে লখিমী দেৱীক স্মৰণ কৰা হয়। কৃষিজীৱী অসমীয়াই শৰতৰ এই বিহুটিত ঘৰৰ ভঁৰালঘৰ, গোহালিঘৰ, পুখুৰীৰ পাৰ আৰু গৃহৰ চৌপাশ চাকিৰ অনাবিল পোহৰেৰে আলোকিত কৰি তোলে। বিশেষকৈ ভঁৰালঘৰৰ দুৱাৰ মুখত লখিমী আদৰাৰ বাবে বিশেষ পূজা-অৰ্চনা কৰা হয় যাতে অনাগত দিনবোৰত ঘৰখন ধন-ধান আৰু খোৱা-বোৱাৰে সমৃদ্ধ হৈ পৰে। জাঁকজমকতা বা অপব্যয়ৰ বিপৰীতে কাতি বিহু হৈছে প্ৰাৰ্থনা, আশা আৰু ভৱিষ্যতৰ সপোন পুনৰুজ্জীৱিত কৰাৰ এক বিৰল উৎসৱ। নিশাৰ অন্ধকাৰ ফালি সমগ্ৰ অসমৰ ঘৰে-পথাৰে জ্বলি উঠিবলগীয়া চাকিৰ পোহৰে ৰাজ্যবাসীৰ জীৱনলৈ শান্তি, সমৃদ্ধি আৰু কুশলতা কঢ়িয়াই আনিব বুলি সকলোৱে আশাবাদী।

# কাতি বিহু পৰম্পৰা, প্ৰকৃতি আৰু প্ৰত্যাশাৰ অনন্য সমন্বয়

নলিনী ৰঞ্জন ভূঞা

অসমীয়া জাতিৰ জীৱনধাৰা, কৃষি-সংস্কৃতি আৰু প্ৰকৃতিৰ সৈতে বিহুৰ সম্পৰ্ক অতি নিবিড়। বিহু কেৱল নৃত্য-গীত আৰু আনন্দ-উল্লাসৰ উৎসৱ নহয়। ই অসমীয়া সমাজৰ জীৱনবোধ, লোকপৰম্পৰা, বিশ্বাস আৰু নিৰন্তৰ জীৱন-সংগ্ৰামৰ এক জীৱন্ত দলিল। অসমীয়াৰ প্ৰাণৰ উৎসৱ বিহু বছৰত তিনিবাৰ উদ্‌যাপন কৰা হয়- ব'হাগ বিহু, কাতি বিহু আৰু মাঘ বিহু। প্ৰতিটো বিহুৰ সৈতে কৃষিৰ একোটা বিশেষ পৰ্যায় আৰু প্ৰকৃতিৰ পৰিৱৰ্তনৰ লগত নিবিড় সম্পৰ্ক আছে। ব'হাগ বিহুত প্ৰকৃতিয়ে নতুন জীৱনৰ বতৰা কঢ়িয়াই আনে আৰু মাঘ বিহুত শ্ৰমজীৱী কৃষকৰ ভঁৰাল সোণগুটিৰে উপচি পৰে। আনহাতে, কাতি বিহুত কৃষকৰ মনত থাকে ধৈৰ্য, শস্যৰ প্ৰতিপালন আৰু ভঁৰাল পূৰ্ণ হোৱাৰ গভীৰ প্ৰত্যাশা। সেইবাবেই কাতি বিহু কেৱল এটা পৰম্পৰাগত উৎসৱ নহয়, বৰঞ্চ ই প্ৰকৃতিৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ আৰু আশাক জীয়াই ৰখাৰ এক অনন্য প্ৰতীক।

আহিন মাহৰ শেষৰ দিনা, অৰ্থাৎ আহিন-কাতিৰ সংক্ৰান্তিত, উদযাপন কৰা কাতি বিহুক লোকসমাজত 'কঙালী বিহু' বুলিও কোৱা হয়। অসমৰ কৃষিজীৱী সমাজৰ জীৱনচক্ৰৰ সৈতে এই নামটোৰ এক বাস্তৱিক সম্পৰ্ক আছে। আহিন-কাতিৰ এই সন্ধিক্ষণত পথাৰৰ ধানে গেঁৰ ধৰে আৰু ঠোক ওলাবলৈ আৰম্ভ কৰে। কিন্তু ধান চপাবলৈ তেতিয়াও বহু সময় বাকী থাকে। আনহাতে, পূৰ্বৰ বছৰৰ মজুত ধান শেষ হোৱাৰ ফলত বহু সাধাৰণ খেতিয়কৰ ভঁৰাল প্ৰায় উদং হৈ পৰে। এনে সময়ত কৃষকৰ দৈনন্দিন জীৱনলৈ নামি আহে অভাৱ আৰু অনিশ্চয়তাৰ ছাঁ। এই বাস্তৱ পৰিস্থিতিৰ বাবেই কাতি বিহুৰ সৈতে 'কঙালী' শব্দটো জড়িত হৈ পৰিছে।

কিন্তু অভাৱৰ এই বাস্তৱতাই কাতি বিহুৰ একমাত্ৰ পৰিচয় নহয়। বৰঞ্চ প্ৰতিকূল পৰিস্থিতিৰ মাজতো আশা আৰু মনোবল হেৰুৱাই নেপেলোৱাটোৱেই এই বিহুৰ অন্যতম প্ৰধান শিক্ষা। ভঁৰাল উদং হ'লেও পথাৰত থিয় হৈ থকা সেউজীয়া ধাননিৰ মাজত কৃষকে বিচাৰি পায় অনাগত দিনৰ সমৃদ্ধিৰ সম্ভাৱনা। পথাৰৰ প্ৰতিজোপা ধানগছে যেন কৃষকজনৰ হাড়ভঙা পৰিশ্ৰমৰ উচিত প্ৰতিদান দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সেই আশাতেই বুকুত সাহস বান্ধি কৃষক সমাজে প্ৰকৃতিৰ অনিশ্চয়তা আৰু জীৱনৰ প্ৰত্যাহ্বানৰ সৈতে যুঁজ দিয়ে। সেয়েহে কাতি বিহুক কেৱল অভাৱৰ উৎসৱ বুলি কোৱাতকৈ অভাৱৰ মাজতো আশাক সজীৱ কৰি ৰখা আৰু ভৱিষ্যতৰ সমৃদ্ধিৰ বাবে প্ৰস্তুত হোৱাৰ উৎসৱ বুলি কোৱাটোহে অধিক যথাৰ্থ বুলিব পাৰি।

কাতি বিহুৰ কথা ক'লে প্ৰথমেই মনলৈ আহে গধূলি তুলসীৰ তলত জ্বলি থকা মাটিৰ চাকিগছিৰ স্নিগ্ধ পোহৰ। অসমীয়া পৰিয়ালসমূহে এই দিনা চোতালত সযতনে তুলসী ভেটি নিৰ্মাণ কৰি তুলসী পুলি ৰোপণ কৰে। সন্ধিয়া তুলসীৰ তলত ধূপ-ধূনা আৰু চাকি জ্বলাই, মাহ-প্ৰসাদ আগবঢ়াই পৰিয়ালৰ কুশল-মংগল কামনা আৰু শস্যৰ সমৃদ্ধিৰ বাবে প্ৰাৰ্থনা কৰা হয়। বহু ঠাইত গোটেই কাতি মাহজুৰি তুলসীৰ তলত চাকি জ্বলোৱাৰ পৰম্পৰা প্ৰচলিত আছে। সন্ধিয়া নামি অহাৰ লগে-লগে গাঁৱৰ চোতালবোৰত জ্বলি উঠা চাকিৰ পোহৰে অসমৰ লোকজীৱনক এক অনন্য আধ্যাত্মিক সৌন্দৰ্য প্ৰদান কৰে।

হিন্দু ধৰ্মত তুলসীক অতি পবিত্ৰ উদ্ভিদ হিচাপে গণ্য কৰা হয়। ধৰ্মীয় বিশ্বাস অনুসৰি, তুলসী লক্ষ্মী দেৱীৰ সৈতে সম্পৰ্কিত। সেয়েহে তুলসীৰ তলত চাকি জ্বলাই গৃহস্থই ঘৰলৈ সুখ-শান্তি, ধন-ঐশ্বৰ্য আৰু সমৃদ্ধি কঢ়িয়াই আনিবলৈ প্ৰাৰ্থনা কৰে। কৃষিৰ বাবেও এই সময়ছোৱা অতি গুৰুত্বপূৰ্ণ। পথাৰত ধানৰ ঠোক ওলোৱা সময়ত খেতিয়কসকলে শস্যৰ মংগল আৰু ভাল উৎপাদনৰ কামনা কৰে। তুলসী এবিধ ঔষধি গুণসম্পন্ন উদ্ভিদ যদিও ইয়াৰ ধৰ্মীয় আৰু সাংস্কৃতিক তাৎপৰ্যই অসমীয়া লোকজীৱনত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে।

কাতি বিহুৰ আন এক উল্লেখযোগ্য পৰম্পৰা হ'ল আকাশ বন্তি প্ৰজ্বলন। লোকবিশ্বাস অনুসৰি, আকাশ বন্তিৰ পোহৰে ঘৰৰ উপৰি পুৰুষসকলৰ আত্মাক স্বৰ্গলৈ যাত্ৰা কৰাত পথ দেখুৱায়। আনহাতে, ইয়াৰ সৈতে কৃষিৰ মংগলৰ ধাৰণাও জড়িত হৈ আছে। পৰম্পৰাগতভাৱে বিশ্বাস কৰা হয় যে, পোহৰৰ প্ৰতি আকৰ্ষিত হৈ কিছুমান অনিষ্টকাৰী পোক-পতঙ্গ জুইত পৰি জাহ যায়। আকাশ বন্তি জ্বলোৱাৰ পদ্ধতি ঠাইভেদে বেলেগ বেলেগ। কোনো কোনো ঠাইত বাঁহৰ কামিৰে পিৰামিড আকৃতিৰ সজা তৈয়াৰ কৰি তাৰ মাজত মাটিৰ চাকি বা অমিতা এফাল কাটি তৈয়াৰ কৰা চাকি ৰাখি সৰিয়হৰ তেলেৰে বন্তি জ্বলোৱা হয়। তাৰ পিছত দীঘল বাঁহ এডাল পুতি ৰছীৰ সহায়ত বন্তিটো ওপৰলৈ তুলি ওলোমাই ৰখা হয়। আন কিছুমান ঠাইত সমান্তৰালকৈ কিছু দূৰত্বত দুডাল ওখ বাঁহ পুতি তাৰ ওপৰত ৰছীৰ সহায়ত বন্তি ওলোমাই ৰখা হয়। সাধাৰণতে কাতি বিহুৰ সন্ধিয়া পথাৰত বা পদূলিমুখত আকাশ বন্তি জ্বলোৱা হয়। অৱশ্যে অসমৰ কিছুমান ঠাইত, বিশেষকৈ মঠ-মন্দিৰ আৰু সত্ৰত, গোটেই কাতি মাহজুৰি আকাশ বন্তি প্ৰজ্বলন কৰাৰ পৰম্পৰা আছে। এইদৰে তুলসী পূজা আৰু আকাশ বন্তি প্ৰজ্বলনৰ মাজেৰে ধৰ্মীয় বিশ্বাস, কৃষিজীৱন আৰু অসমীয়া লোক-সংস্কৃতিৰ এক সুন্দৰ সমন্বয় প্ৰতিফলিত হয়।



লোকপৰম্পৰা সংৰক্ষণ কৰাৰ লগতে বিজ্ঞানসন্মত চিন্তাধাৰা আঁকোৱালি লোৱাটো বৰ্তমান সময়ৰ এক গুৰুত্বপূৰ্ণ প্ৰয়োজন। কাতি বিহুত আকাশ বন্তি জ্বলোৱাৰ আঁৰত পোহৰৰ প্ৰতি আকৰ্ষিত হৈ অনিষ্টকাৰী কীট-পতংগ জুইত পৰে বুলি থকা এক পৰম্পৰাগত ধাৰণা আছে। অৱশ্যে বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা কেৱল চাকি জ্বলাই শস্যৰ অনিষ্টকাৰী পোক-পৰুৱা ফলপ্ৰসূভাৱে নিয়ন্ত্ৰণ কৰা সম্ভৱ নহয়। কৃত্ৰিম পোহৰে কিছুমান পোকক আকৰ্ষণ কৰিলেও সকলো পোক একে ধৰণে প্ৰভাৱিত নহয়। আনকি কিছুমান উপকাৰী পোকো ইয়াৰ দ্বাৰা আকৰ্ষিত হ'ব পাৰে। বৰ্তমান সময়ত জলবায়ুৰ পৰিৱৰ্তন, নতুন নতুন ৰোগ আৰু কীট-পতংগৰ প্ৰাদুৰ্ভাৱৰ দৰে সমস্যাৰ মোকাবিলা কৰিবলৈ আধুনিক কৃষি-পদ্ধতি, সমন্বিত কীট-পতংগ ব্যৱস্থাপনা আৰু কৃষি বিশেষজ্ঞৰ পৰামৰ্শ গ্ৰহণ কৰাটো প্ৰয়োজনীয়। একেদৰে মাটিৰ স্বাস্থ্য পৰীক্ষা কৰি উপযুক্ত মাত্ৰাত সাৰ প্ৰয়োগ কৰা, উন্নত জাতৰ বীজ ব্যৱহাৰ কৰা আৰু বৈজ্ঞানিক পদ্ধতিৰে পানী যোগান ধৰাটোও কৃষি উৎপাদন বৃদ্ধিৰ বাবে গুৰুত্বপূৰ্ণ। পৰম্পৰাগত জ্ঞানক অৱজ্ঞা নকৰি তাৰ উপযোগী দিশসমূহ আধুনিক বিজ্ঞানৰ সহায়ত পৰীক্ষা আৰু মূল্যায়ন কৰা উচিত। পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা আৰু বিজ্ঞানৰ প্ৰতি আস্থা- এই দুয়োটাৰ সমন্বয়েহে কৃষিক অধিক বহনক্ষম আৰু উৎপাদনশীল কৰি তুলিব পাৰে।

কাতি বিহুৱে প্ৰকৃতি আৰু মানুহৰ মাজৰ অবিচ্ছেদ্য সম্পৰ্কক পুনৰ সোঁৱৰাই দিয়ে। নদী-জলাশয়ৰ সুস্থ অৱস্থা, মাটিৰ উৰ্বৰতা আৰু পৰিৱেশৰ ভাৰসাম্য অক্ষুণ্ণ নাৰাখিলে কৃষি-সংস্কৃতিৰ স্থায়িত্বও বিপন্ন হ'ব। প্ৰকৃতিক কেৱল নিজৰ প্ৰয়োজন পূৰণৰ আহিলা হিচাপে ব্যৱহাৰ নকৰি তাৰ সৈতে সহাৱস্থান কৰিবলৈ শিকাটোৱেই কাতি বিহুৰ অন্তৰ্নিহিত শিক্ষাৰ অন্যতম দিশ।

পথাৰৰ শ্যামল ৰূপ দেখি আমি পুলকিত হওঁ যদিও তাৰ আঁৰত থাকে কৃষকৰ অসীম শ্ৰম, ত্যাগ আৰু অনিশ্চয়তা। সময়মতে বৰষুণ নোহোৱা, অপ্ৰত্যাশিত বানপানী, খৰাং, পোক-পৰুৱাৰ আক্ৰমণ আৰু উৎপাদিত শস্যৰ উচিত মূল্য নোপোৱাৰ দৰে সমস্যাই কৃষকসকলক অহৰহ জুৰুলা কৰে। প্ৰাকৃতিক দুৰ্যোগত খেতি নষ্ট হ'লে এজন কৃষকে কেৱল আৰ্থিক লোকচানেই ভৰিবলগীয়া নহয়, পৰৱৰ্তী খেতিৰ বাবে প্ৰয়োজনীয় সম্বলখিনিও হেৰুৱাব লগীয়াত পৰে।

সেয়েহে কৃষকৰ বাবে সুলভ ঋণ, কাৰ্যকৰী শস্য বীমা, সময়োপযোগী কৃষিতথ্য আৰু উৎপাদিত শস্যৰ উচিত বজাৰমূল্য নিশ্চিত কৰাটো অতি গুৰুত্বপূৰ্ণ। লগতে কৃষকসকলে যাতে তেওঁলোকৰ উৎপাদিত শস্যৰ ন্যায্য মূল্য লাভ কৰে, তাৰ বাবে চৰকাৰ, কৃষি বিভাগ আৰু সমাজৰ সামূহিক প্ৰচেষ্টাৰ প্ৰয়োজন। কাতি বিহুত কৃষকৰ শস্যৰ মংগল কামনা কৰাটো তেতিয়াহে অধিক অৰ্থপূৰ্ণ হ'ব, যেতিয়া তেওঁলোকৰ বাস্তৱ জীৱনৰ সমস্যাসমূহ সমাধানৰ বাবেও দায়িত্বশীল ভূমিকা গ্ৰহণ কৰিব পৰা যাব।

বৰ্তমানৰ নগৰীকৰণ আৰু আধুনিক জীৱনশৈলীৰ দ্ৰুত প্ৰসাৰৰ ফলত নতুন প্ৰজন্মৰ বহু লোক কৃষিজীৱনৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ থকাৰ পৰা আঁতৰি গৈছে। ফলত কাতি বিহুৰ দৰে কৃষিভিত্তিক উৎসৱৰ গভীৰ সামাজিক আৰু সাংস্কৃতিক তাৎপৰ্য উপলব্ধি কৰাৰ পৰিসৰো কিছু সংকুচিত হৈছে। এই পৰিস্থিতিত নতুন প্ৰজন্মক কেৱল পৰম্পৰাগত ৰীতি-নীতি শিকোৱাই যথেষ্ট নহয়। কৃষিৰ সৈতে জড়িত শ্ৰম, খাদ্য উৎপাদনৰ প্ৰক্ৰিয়া, প্ৰকৃতিৰ মূল্য আৰু খাদ্য সুৰক্ষাৰ গুৰুত্বৰ বিষয়েও তেওঁলোকক সচেতন কৰি তোলাটো প্ৰয়োজন। পৰিয়াল, শিক্ষানুষ্ঠান আৰু সামাজিক-সাংস্কৃতিক অনুষ্ঠানসমূহে এই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। বিদ্যালয়ত কৃষি আৰু পৰিৱেশ সম্পৰ্কীয় কাৰ্যসূচী, কৃষকৰ সৈতে মত বিনিময়, স্থানীয় কৃষি-পৰম্পৰাৰ বিষয়ে আলোচনা আৰু পৰিৱেশ সংৰক্ষণৰ ব্যৱহাৰিক কাৰ্যকলাপৰ জৰিয়তে নতুন প্ৰজন্মক নিজৰ শিপাৰ সৈতে সংযুক্ত কৰি ৰাখিব পাৰি। উৎসৱ কেৱল এটা দিনৰ আনন্দ-উল্লাসৰ উপলক্ষ নহয়। ই এটা জাতিৰ ইতিহাস, পৰিচয় আৰু জীৱনদৰ্শনক পৰৱৰ্তী প্ৰজন্মলৈ কঢ়িয়াই নিয়াৰ এক শক্তিশালী মাধ্যম। সেয়েহে কাতি বিহুৰ পৰম্পৰা সংৰক্ষণৰ লগতে ইয়াৰ অন্তৰ্নিহিত মূল্যবোধসমূহো নতুন প্ৰজন্মৰ মাজত জীয়াই ৰখাটো আমাৰ সামূহিক দায়িত্ব।

পৰিশেষত ক'ব পাৰি যে, কাতি বিহু অসমীয়া জাতিৰ কৃষিভিত্তিক জীৱনবোধ, প্ৰকৃতিৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰতিকূলতাৰ মাজতো আশাক জীয়াই ৰখাৰ এক অনন্য প্ৰতীক। তুলসীৰ তলত জ্বলি উঠা চাকিগছি আৰু পথাৰৰ মাজত উজ্জ্বলি উঠা আকাশ বন্তিয়ে আমাক পৰম্পৰা আৰু বিশ্বাসৰ কথা সোঁৱৰাই দিয়াৰ লগতে কৃষকৰ জীৱন-সংগ্ৰামৰ প্ৰতিও সংবেদনশীল হ'বলৈ শিকায়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে উৎসৱ পালনৰ পদ্ধতি সলনি হ'ব পাৰে, কিন্তু ইয়াৰ অন্তৰ্নিহিত মূল্যবোধসমূহ অক্ষুণ্ণ ৰখাটো অতি প্ৰয়োজনীয়। পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা, বিজ্ঞানসন্মত চিন্তাধাৰা, প্ৰকৃতি সংৰক্ষণ আৰু কৃষকৰ প্ৰতি সামাজিক দায়বদ্ধতা- এই সকলোবোৰৰ সমন্বয়েহে কাতি বিহুৰ প্ৰকৃত তাৎপৰ্য অধিক অৰ্থৱহ কৰি তুলিব পাৰে।

আন্ধাৰ আৰু অভাৱ যিমানেই গভীৰ নহওক কিয়, আশাৰ সামান্য পোহৰেও মানুহক আগবাঢ়ি যোৱাৰ সাহস দিয়ে। কিন্তু সেই পোহৰ তেতিয়াহে সাৰ্থক হ'ব, যেতিয়া তুলসীৰ তলৰ চাকিগছিৰ পোহৰৰ সমান্তৰালকৈ প্ৰতিজন কৃষকৰ ঘৰতো সমৃদ্ধি, সচ্ছলতা আৰু নিৰাপত্তাৰ পোহৰ জ্বলি উঠিব। কাতি বিহুৰ প্ৰকৃত সাৰ্থকতা নিহিত হৈ আছে- এই আশাক বাস্তৱত ৰূপায়িত কৰাৰ সামূহিক প্ৰচেষ্টাৰ মাজতেই।

# কেৱল সামাজিক মাধ্যমৰ প্ৰদৰ্শন নে অন্তৰৰ উপলব্ধি

প্ৰণৱ জ্যোতি বৰদলৈ

অসমীয়া জাতিৰ স্বাভিমান আৰু কৃষিভিত্তিক লোকজীৱনৰ অবিচ্ছেদ্য অংগ হ'ল বিহু। ঋতুভিত্তিক আৰু শ্ৰমভিত্তিক তিনিটা বিহুৰ নিজস্ব বৈশিষ্ট্য আৰু স্বকীয় গাম্ভীৰ্য আছে। এই তিনিওটা বিহু কেৱল উৎসৱ নহয়, বৰং অসমৰ কৃষিভিত্তিক সমাজৰ জীৱনচক্ৰ, প্ৰকৃতিৰ সৈতে মানুহৰ সম্পৰ্ক আৰু শ্ৰমৰ প্ৰতি থকা শ্ৰদ্ধাৰ একো একোটা জীৱন্ত প্ৰকাশ। তিনিটি বিহুৰ ভিতৰত কাতি বিহুৱে এক স্বকীয়, গভীৰ আৰু ভাৱগম্ভীৰ স্থান অধিকাৰ কৰি আহিছে। শৰত ঋতুৰ মধ্য ভাগত আহিন আৰু কাতি মাহৰ সংক্ৰান্তি দিনা পালন কৰা এই বিহুটি অসমীয়া গ্ৰাম্য জীৱনৰ আশা-আকাংক্ষা আৰু সংগ্ৰামৰ প্ৰতীক। আহিনৰ শেষত আৰু কাতি মাহৰ আৰম্ভণিত অসমৰ খেতিয়কসকলৰ ভঁৰাল প্ৰায় উদং হৈ পৰে। আঘোণত সোণোৱালী হৈ পৰা পথাৰৰ নতুন ধান চপাবলৈ তেতিয়াও বহুখিনি সময় বাকী থাকে। সেয়ে অভাৱ-অনাটনৰ দিন হোৱা বাবে এই বিহুক 'কঙালী বিহু' বুলিও কোৱা হয়। 'কঙালী' শব্দটোৱে অভাৱৰ ইংগিত দিলেও বিহুটোৰ অন্তৰ্নিহিত অৰ্থ নিৰাশা নহয়। বৰং অভাৱৰ মাজতো আশা হেৰুৱাই নেপেলোৱা, সীমিত সম্পদৰ সদ্ব্যৱহাৰ কৰা আৰু কঠোৰ পৰিশ্ৰমৰ ওপৰত আস্থা ৰখাৰ এক জীৱনদৰ্শন ইয়াত নিহিত হৈ আছে। সেইবাবেই কাতি বিহুক কৃষকৰ জীৱন সংগ্ৰামৰ এক সাংস্কৃতিক দলিল বুলিও অভিহিত কৰিব পাৰি।

অসমৰ পৰম্পৰাগত সমাজ ব্যৱস্থাৰ মূল ভেটি আছিল কৃষি। কৃষিৰ সৈতে জড়িত ঋতুচক্ৰই মানুহৰ খাদ্যাভ্যাস, জীৱন-জীৱিকা, সামাজিক সম্পৰ্ক আৰু উৎসৱ-পাৰ্বণৰ সময় নিৰ্ধাৰণ কৰিছিল। সেই দৃষ্টিকোণৰ পৰা ব'হাগ, কাতি আৰু মাঘ— এই তিনিওটা বিহু কৃষিকৰ্মৰ তিনিটা পৃথক পৰ্যায়ৰ সৈতে সম্পৰ্কিত। ব'হাগে নতুন কৃষিবৰ্ষৰ আৰম্ভণি আৰু কৃষিকৰ্মৰ প্ৰস্তুতিৰ বাৰ্তা কঢ়িয়াই আনে, কাতি বিহু শস্যৰ বৃদ্ধি আৰু সুৰক্ষাৰ সময়ৰ সৈতে জড়িত, আনহাতে মাঘ বিহুৱে শস্য চপোৱাৰ পিছৰ সমৃদ্ধি আৰু ভোগৰ পৰিৱেশ প্ৰতিফলিত কৰে। কাতি বিহুৰ সময়ত পথাৰৰ ধান পূৰঠ হ'বলৈ ধৰে যদিও কৃষকৰ হাতলৈ নতুন শস্য আহি নাপায়। তাৰ মাজতে বানপানী, নদীৰ গৰাখহনীয়া, অনিয়মীয়া বৰষুণ, কীট-পতংগৰ আক্ৰমণ আৰু উৎপাদন ব্যয়ৰ দৰে সমস্যাই কৃষকৰ চিন্তা বৃদ্ধি কৰে। গতিকে এই সময়ছোৱাত কৃষকৰ জীৱন আশা আৰু আশংকাৰ মাজত দোদুল্যমান হৈ থাকে। কাতি বিহুৰ পৰম্পৰাই সেই বাস্তৱতাকেই সাংস্কৃতিক ৰূপ প্ৰদান কৰিছে।

কাতি বিহুৰ মুখ্য পৰম্পৰা হ'ল ঘৰে ঘৰে চোতালত তুলসীৰ ভেটি স্থাপন আৰু তুলসীৰ তলত বন্তি প্ৰজ্বলন। গৃহস্থই চোতালৰ তুলসী তল সাৰি-মচি চাফা কৰি সন্ধিয়া তুলসীৰ তলত মাটিৰ চাকি জ্বলায়। মাহ-প্ৰসাদ, তামোল-পাণ আগবঢ়াই তুলসীক সেৱা জনায় আৰু পৰিয়ালৰ কুশল কামনা কৰে। কাতি বিহুৰ আন এক অনন্য বৈশিষ্ট্য হ'ল ধাননি পথাৰত আকাশবন্তি প্ৰজ্বলন। লোকবিশ্বাস অনুসৰি, আকাশ বন্তিৰ পোহৰে পূৰ্বপুৰুষসকলৰ আত্মাক স্বৰ্গৰ পথ দেখুৱায়। বিজ্ঞানসন্মতভাৱেও ইয়াৰ এক ডাঙৰ তাৎপৰ্য আছে। পথাৰৰ মাজত ওখকৈ জ্বলোৱা পোহৰৰ প্ৰতি আকৰ্ষিত হৈ শস্য অনিষ্ট কৰিব পৰা ক্ষতিকাৰক পোক-পতংগবোৰ জুইৰ শিখাত জাহ যায়, যাৰ ফলত খেতিপথাৰ কীট-পতংগৰ উপদ্ৰৱৰ পৰা মুক্ত থাকে।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে অসমৰ সমাজ আৰু অৰ্থনীতিৰ গাঁথনিত ব্যাপক পৰিৱৰ্তন ঘটিছে। কৃষিৰ যান্ত্ৰিকীকৰণ, নগৰীকৰণ, শিক্ষা আৰু কৰ্মসংস্থাপনৰ নতুন সুযোগে মানুহৰ জীৱনশৈলী সলনি কৰিছে। বৰ্তমানৰ ব্যস্ততাপূৰ্ণ যান্ত্ৰিক জীৱনত কাতি বিহুৰ স্বৰূপ বহু পৰিমাণে সলনি হৈছে। অসমৰ গাঁওবোৰতো আজি খেতি-বাতিৰ ধৰণ-কৰণ সলনি হৈছে। বহু কৃষকে পৰম্পৰাগত খেতি এৰি বাণিজ্যিক দিশত মনোনিৱেশ কৰিছে, যাৰ ফলত আকাশবন্তি আৰু পথাৰত চাকি দিয়া পৰম্পৰা পূৰ্বৰ দৰে সৰ্বব্যাপ্ত হৈ থকা নাই। গাঁৱৰ পথাৰবোৰতো এতিয়া নিস্তব্ধতা বৃদ্ধি পাইছে, কিয়নো নতুন প্ৰজন্মৰ বহু যুৱক-যুৱতী কৰ্মসংস্থাপনৰ সন্ধানত নগৰ-মহানগৰলৈ ঢাপলি মেলিছে। এসময়ত কৃষকৰ দৈনন্দিন জীৱনৰ সৈতে স্বাভাৱিকভাৱে জড়িত হৈ থকা এই বিহু আজি বহু পৰিয়ালৰ বাবে এটা নিৰ্দিষ্ট দিনৰ ধৰ্মীয় অনুষ্ঠানত পৰিণত হৈছে। নগৰাঞ্চলত বাস কৰা বহু লোকৰ ঘৰত পৰম্পৰাগত চোতাল বা খেতিপথাৰ নাই। ফলত তুলসীৰ ভেটিৰ পৰিৱৰ্তে অট্টালিকাৰ বেলকনিৰ টাবত ৰোৱা তুলসীৰ তলত চাকি জ্বলোৱাই তেওঁলোকৰ বাবে পৰম্পৰা পালনৰ উপায় হৈ পৰিছে। ইয়াৰ মাজতো ইতিবাচক দিশটো হ'ল যে শিপাৰ প্ৰতি মানুহৰ আকৰ্ষণ এতিয়াও সম্পূৰ্ণ ম্লান হোৱা নাই।

কিন্তু উদ্বেগৰ বিষয়টো হ'ল, কাতি বিহুৰ সৈতে জড়িত কৃষি জীৱনৰ বাস্তৱতা ক্ৰমাৎ আমাৰ দৈনন্দিন অভিজ্ঞতাৰ পৰা আঁতৰি গৈছে। বহু যুৱক-যুৱতীয়ে কৃষিকৰ্মৰ প্ৰতি আগ্ৰহ হেৰুৱাইছে। কৃষিক লাভজনক জীৱিকা হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত থকা প্ৰত্যাহ্বান, উৎপাদন ব্যয় বৃদ্ধি, বজাৰ ব্যৱস্থাৰ অনিশ্চয়তা আৰু প্ৰাকৃতিক দুৰ্যোগে এই সমস্যাক অধিক জটিল কৰি তুলিছে। ফলত কাতি বিহুৰ বন্তি জ্বলোৱা পৰম্পৰা ৰৈ গ'লেও সেই পৰম্পৰাৰ সৈতে জড়িত কৃষকৰ জীৱনসংগ্ৰামৰ প্ৰতি আমাৰ সংবেদনশীলতা বহু ক্ষেত্ৰত হ্ৰাস পোৱা পৰিলক্ষিত পাইছে।

একবিংশ শতিকাৰ তৃতীয় দশকত সামাজিক মাধ্যম আৰু বৈদ্যুতিন সংবাদ মাধ্যম আমাৰ সাংস্কৃতিক জীৱনৰ অন্যতম চালিকা শক্তি হৈ পৰিছে। কাতি বিহুৰ ক্ষেত্ৰতো এই মাধ্যমসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ। অৱশ্যে এইক্ষেত্ৰত এই মাধ্যমসমূহৰ ভূমিকা দ্বি-মাত্ৰিক। এহাতে, ফেচবুক, ইনষ্টাগ্ৰাম আৰু অন্যান্য ডিজিটেল মঞ্চত কাতি বিহুৰ আলোকচিত্ৰ, ভিডিঅ' আৰু শুভেচ্ছাবাণী প্ৰচাৰ কৰাৰ ফলত নতুন প্ৰজন্মৰ মাজত বিহুটোৰ দৃশ্যমানতা বৃদ্ধি পাইছে। অসমৰ বাহিৰত থকা প্ৰবাসী অসমীয়াসকলেও এই মাধ্যমসমূহৰ জৰিয়তে নিজৰ সংস্কৃতিৰ সৈতে সংযোগ বজাই ৰাখিব পাৰিছে। কিন্তু ইয়াৰ বিপৰীতে উৎসৱৰ অন্তৰ্নিহিত তাৎপৰ্য বুজি পোৱাতকৈ ইয়াৰ বাহ্যিক ৰূপ প্ৰদৰ্শন কৰাত অধিক গুৰুত্ব দিয়া বিষয়টোও মনকৰিবলগীয়া। তুলসীৰ তলত চাকি জ্বলোৱাৰ মুহূৰ্তটো কেমেৰাত বন্দী কৰি সামাজিক মাধ্যমত প্ৰকাশ কৰাটোৱেই যদি উৎসৱৰ মূল উদ্দেশ্য হৈ পৰে, তেন্তে পৰম্পৰাটোৰ আধ্যাত্মিক আৰু সামাজিক অৰ্থ গৌণ হৈ পৰাৰ আশংকা থাকে। অৱশ্যে আলোকচিত্ৰ তোলা বা সামাজিক মাধ্যমত প্ৰকাশ কৰাটো সাংস্কৃতিক অৱক্ষয় নহয়। প্ৰকৃত সমস্যা তেতিয়াহে সৃষ্টি হয়, যেতিয়া প্ৰদৰ্শনমুখিতাই উপলব্ধি আৰু দায়বদ্ধতাৰ স্থান দখল কৰে। সেয়েহে সামাজিক মাধ্যমক কেৱল বাহ্যিক সৌন্দৰ্য প্ৰদৰ্শনৰ মাধ্যম হিচাপে ব্যৱহাৰ নকৰি কৃষকৰ সমস্যা, পৰম্পৰাগত কৃষিজ্ঞান আৰু পৰিৱেশ সংৰক্ষণৰ বাৰ্তা প্ৰচাৰৰ বাবেও ব্যৱহাৰ কৰা উচিত। একেদৰে বৈদ্যুতিন সংবাদ মাধ্যমৰ দায়িত্বও কেৱল চাকি জ্বলোৱা দৃশ্য বা বিশিষ্ট ব্যক্তিৰ শুভেচ্ছাবাণী সম্প্ৰচাৰ কৰা বা কণ্ঠশিল্পীৰ সংগীতানুষ্ঠান আয়োজন কৰাতে তে সীমাবদ্ধ নহয়। বানপীড়িত কৃষকৰ দুৰৱস্থা, শস্যৰ ন্যায্য মূল্য, জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ আৰু কৃষি অৰ্থনীতিৰ সমস্যাসমূহকো কাতি বিহুৰ আলোচনাৰ কেন্দ্ৰলৈ আনিব লাগিব। তেতিয়াহে সংবাদ মাধ্যমে উৎসৱৰ প্ৰকৃত তাৎপৰ্য সমাজৰ আগত দাঙি ধৰিব পাৰিব।

সাম্প্ৰতিক সময়ত কাতি বিহুৰ চৰ্চাত আন এটা প্ৰাসংগিক আৰু উদ্বেগজনক বিষয় হ'ল শাৰদীয় দুৰ্গা পূজাৰ ধামখুমীয়াত কাতি বিহুক কৰা অৱহেলা। প্ৰায়েই দেখা যায়, কাতি বিহুৰ আশে-পাশেই দুৰ্গা পূজা অনুষ্ঠিত হয়। দুৰ্গা পূজা অসমৰো এক প্ৰাচীন আৰু প্ৰাণচঞ্চল ধৰ্মীয় মহোৎসৱ। কিন্তু বিগত দুটা-তিনিটা দশকত দুৰ্গা পূজাৰ আড়ম্বৰ, আলোকসজ্জা, বজাৰ অৰ্থনীতি আৰু কোলাহলে কাতি বিহুক যেন একপ্ৰকাৰ কোঙা কৰি পেলাইছে। যেতিয়া সমগ্ৰ ৰাজ্যখনত কোটি কোটি টকা খৰচ কৰি বিশাল পূজা মণ্ডপৰ নিৰ্মাণ কৰা হয়, বিজুলী বাতিৰ পোহৰে নিশাবোৰক দিন কৰি তোলে, আৰু আধুনিক সংগীতৰ কাণ তালমৰা শব্দৰে আকাশ-বতাহ কঁপাই তোলে— ঠিক তেনে এটা সময়তে নিস্তব্ধ পথাৰৰ চুকত কঁপি কঁপি জ্বলি থকা এটা মাটিৰ চাকি আৰু শান্ত তুলসী তলৰ বন্তি গচি ক্ৰমশঃ অনুজ্জ্বল হৈ পৰে। বজাৰ অৰ্থনীতিৰ বাবে দুৰ্গা পূজা এক বিশাল সুযোগ। কাপোৰ-কানি, গাড়ী-মটৰ, অলংকাৰ, খাদ্য-সামগ্ৰীৰ ব্যৱসায়ত কোটি কোটি টকাৰ লেনদেন হয়। সেই অনুপাতে কাতি বিহুৰ কোনো বাণিজ্যিক মূল্য নাই, ইয়াত কেৱল লাগে কেইটামান মাটিৰ চাকি, সৰিয়হৰ তেল, শলিতা আৰু এজোপা তুলসী। সেয়েহে কৰ্পোৰেট বজাৰ আৰু বিজ্ঞাপনী সংস্থাসমূহেও কাতি বিহুক গুৰুত্ব নিদিয়ে। ফলস্বৰূপে, চহৰৰ নৱপ্ৰজন্মৰ দৃষ্টি পূজাস্থলীৰ কৃত্ৰিম চমক আৰু ভোগবাদী আড়ম্বৰৰ মাজতেই আৱদ্ধ হৈ পৰে আৰু তেওঁলোকে পাহৰি যায় নিজৰ শিপাৰ প্ৰতীক শান্ত কাতি বিহুৰ কথা। অসমীয়া সমাজ জীৱনৰ বাবে ই এক গুৰুতৰ পৰিহাস। যি জাতিৰ বুনিয়াদ কৃষি আৰু বিহুৰ ওপৰত প্ৰতিষ্ঠিত, সেই জাতিয়েই নিজৰ অস্তিত্ব আৰু কৃষকৰ সংগ্ৰামৰ প্ৰতীক কাতি বিহুটিক পূজাৰ উৎসৱমুখী ধামখুমীয়াত হেৰুৱাই পেলোৱাটো নিতান্তই দুৰ্ভাগ্যজনক। পূজা উদযাপনত কাৰো কোনো আপত্তি থাকিব নোৱাৰে, কিন্তু পৰম্পৰাগত জাতীয় সত্ত্বাক বিসৰ্জন দি আন এটা উৎসৱৰ অন্ধ অনুকৰণত আত্মহাৰা হোৱাটো জাতীয় জীৱনৰ বাবে শুভলক্ষণ নহয়।

কাতি বিহু অসমৰ লোকজীৱনৰ এনে এক সাংস্কৃতিক সম্পদ, যাৰ তাৎপৰ্য এটা নিৰ্দিষ্ট দিনৰ আচাৰ-অনুষ্ঠানতকৈ বহু গভীৰ। কাতি বিহুত প্ৰজ্বলিত প্ৰতি গচি মাটিৰ চাকি কৃষকৰ শ্ৰম, অভাৱৰ মাজতো জীয়াই থকা আশা আৰু প্ৰকৃতিৰ প্ৰতি মানুহৰ কৃতজ্ঞতাৰ প্ৰতীক। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে এই বিহুৰ বাহ্যিক পৰম্পৰা অক্ষুণ্ণ থাকিলেও ইয়াৰ সৈতে জড়িত কৃষিজীৱনৰ বাস্তৱতা আমাৰ দৃষ্টিৰ পৰা আঁতৰি যোৱাৰ আশংকা বৃদ্ধি পাইছে। এখন পথাৰত জ্বলি থকা আকাশবন্তিৰ প্ৰকৃত অৰ্থ তেতিয়াহে উপলব্ধি কৰিব পাৰি, যেতিয়া আমি সেই পোহৰৰ আঁৰত থকা কৃষকৰ পৰিশ্ৰম আৰু অনিশ্চয়তাক বুজিবলৈ চেষ্টা কৰোঁ। কাতি বিহুক জীয়াই ৰখাৰ অৰ্থ কেৱল তুলসীৰ তলত চাকি জ্বলোৱা নহয়, বৰং কৃষকক সন্মান কৰা, কৃষিক সুৰক্ষিত কৰা, প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰা আৰু নিজৰ সাংস্কৃতিক শিপাৰ সৈতে সম্পৰ্ক অটুট ৰখা। কাতি বিহুৰ বন্তি কেৱল চোতাল বা পথাৰ আলোকিত কৰা এক অগ্নি শিখা নহয়, ই আমাৰ সাংস্কৃতিক চেতনা, কৃষিজীৱনৰ মৰ্যাদা আৰু ভৱিষ্যতৰ প্ৰতি থকা আশাক আলোকিত কৰা এক চিৰন্তন প্ৰতীক। এই পোহৰক প্ৰদৰ্শনৰ মাজত সীমাবদ্ধ নাৰাখি জীৱনৰ বাস্তৱতাত প্ৰতিফলিত কৰিব পাৰিলেহে কাতি বিহুৰ পৰম্পৰা নতুন প্ৰজন্মৰ মাজত অৰ্থপূৰ্ণভাৱে জীয়াই থাকিব।

কাতি বিহু কেৱল ধৰ্মীয় বিশ্বাস বা অন্ধ পৰম্পৰা নহয়, ই প্ৰকৃতি আৰু শ্ৰমৰ প্ৰতি মানৱ জাতিৰ আজীৱন কৃতজ্ঞতা স্বীকাৰৰ এক মাধ্যম বা নিয়ম। আজিৰ জলবায়ু পৰিৱৰ্তন আৰু পৰিৱেশ সংকটৰ সময়ত কাতি বিহুৰ প্ৰাসংগিকতা পূৰ্বতকৈ অধিক বাঢ়িছে। কাতি বিহু আমাৰ অহংকাৰ নহয়, আমাৰ অন্তৰ্দৰ্শনৰ দাপোণ। এই বিহুৱে আমাক সোঁৱৰাই দিয়ে যে জীৱনৰ সকলো সময় সমান নহয়। আড়ম্বৰপূৰ্ণ উৎসৱৰ কোলাহল আৰু ডিজিটেল জগতৰ কৃত্ৰিমতাৰ পৰা আঁতৰি আহি যদি আমি মাটিৰ চাকি গচিক অন্তৰত ধৰি ৰাখিব পাৰোঁ, তেতিয়াহে কাতি বিহুৰ চিৰন্তন আলোক শিখাই আমাৰ জাতি আৰু সমাজখনক ভৱিষ্যতলৈ বাট দেখুৱাই লৈ যাব পাৰিব।

*লেখকৰ ঠিকনা ঃ মাজুলী*

# অসমীয়া সমাজ জীৱনত কাতি বিহুৰ তাৎপৰ্য আৰু পৰম্পৰা

ৰাহুল জ্যোতি বৰা

বিহু আমাৰ বাপতি সাহোন, অসমীয়াৰ জাতীয় উৎসৱ। অসমীয়া জাতীয় জীৱনৰ প্ৰাণৰ উৎসৱ কাতি বিহু আহিন আৰু কাতি মাহৰ সংক্ৰান্তিত কৃষিজীৱী লোকসকলে পালন কৰি আহিছে। এই সময়ছোৱাত ভঁৰালত সাঁচতীয়া ধান শেষ হয় আৰু শালি ধান চপাবলৈ যথেষ্ট সময় থাকে। ভোগ-প্ৰাচুৰ্য, উলহ-মালহ বিহীন ভাৱে অভাৱ-অনাটনৰ মাজেৰে অনাড়ম্বৰ পূৰ্ণভাৱে পালন কৰিব লগীয়া হোৱা বাবে কাতি বিহুক কঙালী বিহু বুলিও কোৱা হয়। যদিও কাতি বিহুক কঙালী বিহু বুলি কোৱা হয় তথাপিও এই বিহুটি তাৎপৰ্যহীন নহয়। শৰৎকালীন এই কাতি বিহুৰ দিনাখন ৰাতিপুৱা জীয়ৰী-বোৱাৰীয়ে ঘৰ-চোতাল গোবৰ মাটিৰে মচি পৰিষ্কাৰ কৰে। দুপৰীয়া ভাগত গৃহিনীয়ে কান্ধত কাঁচিখন লৈ নিজৰ সোণগুটিৰ ধাননিডৰা চাবলৈ যোৱাৰ পৰম্পৰা আছে। যদি ধাননি পথাৰ চাবলৈ নাযায় তেতিয়া লক্ষ্মীদেৱীয়ে গৃহস্থ নাই বুলি ভাৱে আৰু গৃহস্থৰ গৃহত আগমন নহয় বুলি প্ৰচলিত।

বিভিন্ন কৃষি সম্পৰ্কীয় বিশ্বাস, ধৰ্মীয় তথা আধ্যাত্মিক বিশ্বাস কাতি বিহুৰ স'তে নিবিড়ভাৱে জড়িত। লোকবিশ্বাস অনুসৰি কাতি বিহুৰ দিনা ঘৰ-দুৱাৰ, পদূলিমুখ, চোতাল আদি চফা হৈ থাকিলেহে শস্যৰ প্ৰতীক লক্ষ্মীদেৱীয়ে গৃহস্থৰ ঘৰলৈ আগমন ঘটে। সন্ধিয়া হোৱাৰ লগে লগে আৰম্ভ হয় বন্তি প্ৰজ্বলনৰ। প্ৰতিখন গেঁৰ মেলা ধাননি পথাৰত গৃহস্থই ওখকৈ বাঁহৰ গোঁজ পুতি ঔ টেঙাৰ খোলত তেল শলিতা দি বন্তি জ্বলাই কৃষি পথাৰৰ শস্যৰ মঙ্গল কামনাৰ লগতে কীট-পতংগৰ অনিষ্টৰ পৰা ৰক্ষা কৰিবলৈ লক্ষ্মীদেৱীক প্ৰাৰ্থনা কৰে। ইয়াৰ উপৰিও পদূলিমুখ, গোঁসাই ঘৰ, গোহালি ঘৰ, ভঁৰাল ঘৰ, ঢেঁকীশাল, তামোলনি, হাঁহ-কুকুৰাৰ গড়ালৰ সন্মুখভাগত ঔ খোল অথবা মাটি চাকিত তেল শলিতাৰে চাকি জ্বলাই লক্ষ্মী দেৱীক আদৰণি জনোৱা হয়। জনবিশ্বাস অনুসৰি এই সময়ছোৱাত ধাননি পথাৰত ধান গেঁৰ মেলে, সোণগুটি লাগিবৰ হয়। এনে সময়ত শস্য নষ্টকাৰী কীট-পতংগৰ উৎপাত আন সময়ৰ তুলনাত বৃদ্ধি হয়। সেয়েহে সগৰ্ভা পথাৰখনত কীট-পতংগৰ উৎপাত ৰক্ষা কৰিবলৈ আকাশ বন্তি জ্বলোৱা হয়। লোকবিশ্বাস অনুসৰি, আকাশবন্তিৰ পোহৰত উপৰিপুৰুষৰ আত্মা সৰগলৈ যাত্ৰা কৰে। সাধাৰণতে আকাশবন্তি কুমলীয়া বাঁহৰ সৰু পাবেৰে সাজিব পাৰি। ছটুকুৰা সৰু ইকৰা বা নলৰ পাব লৈ ৰছীৰে এটা পিৰামিড আকৃতিৰ গঠন সাজি তলৰফালে ওলোটা পিৰামিড আকৃতিৰ আন এটা গঠন সাজি ঔ খোল বা মাটি চাকি দুয়োটা পিৰামিডৰ সমতল অংশত বা তলৰ ওলোটা পিৰামিডৰ শংকু অঞ্চলত ৰাখিব পৰাকৈ প্ৰস্তুত কৰা হয়। এনেদৰে আকাশবন্তি সজা হয় আৰু ইয়াক পদূলিমুখত ওখকৈ আঁৰি দিয়া হয়। সত্ৰপীঠ মাজুলীৰ আউনীআটী সত্ৰৰ লগতে অসমৰ অঞ্চলভেদে সমগ্ৰ কাতি মাহত আকাশ বন্তি প্ৰজ্বলন কৰা দেখা যায়। স্থান বিশেষে কাতি বিহুৰ সন্ধিয়া সময়ত গৃহিনীয়ে চোতালত মাটিৰ ওখ ঢিপ সাজি, ঢিপটোৰ চাৰিওকাষে চাৰিটা কলপুলি লগতে তুলসী পুলি এটা ৰুই তাৰ গুৰিত চাকি বন্তি জ্বলাই "তুলসী নাম" গায়।

"তুলসীৰ তলে তলে মৃগপহু চৰে

তাকে দেখি ৰামচন্দ্ৰই হৰধনু ধৰে...."

কাতি বিহু মূলতঃ সম্পূৰ্ণ ধৰ্মীয় আস্থা, বিশ্বাস আৰু পৰম্পৰাৰ আধাৰত পালন কৰা উৎসৱ। এই বিহুৰ সৈতে জড়িত হৈ আছে পোহৰৰ এক সম্পৰ্ক। তুলসীৰ তলত আৰু পথাৰত চাকি জ্বলাই অসমীয়া মানুহে কাতি বিহুক এক সুকীয়া পৰিচয় প্ৰদান কৰে। এই সময়ছোৱাত নিজৰ নিজৰ ধাননিডৰাক লৈ ভিন্ন সপোন দেখে কৃষকে। শাওনৰ পথাৰক হাড়ক মাটি আৰু তেজক পানী কৰি কপালৰ ঘাম মাটিত পেলাই অশেষ কষ্ট কৰি কৰা ধাননিডৰাই যেতিয়া নিয়ৰৰ মুকুতা পিন্ধি সেউজীয়া হৈ বিৰিঙি উঠে তেতিয়া কৃষকৰ মনলৈ আশাৰ বতৰা সঞ্চাৰ হয়। সেয়েহে এই ধাননিডৰাক বিভিন্ন কীট-পতংগৰ পৰা ৰক্ষা কৰিবলৈ কাতি বিহুৰ দিনাখন পথাৰত চাকি-বন্তি জ্বলাই প্ৰাৰ্থনা কৰে। চাকি বন্তিৰ পোহৰত কৃষি অনিষ্টকাৰী কীট-পতংগবোৰ জুইত জাহ যায় আৰু ধাননিডৰা ৰক্ষা পৰে বুলি জনমানসত প্ৰচলিত।

*লেখিকাৰ ঠিকনা ঃ মঙলদৈ, দৰং*

বিয়লি ৩ বজাৰ পৰা নিশা ১১ বজালৈ চহৰখনত যান-বাহনৰ প্ৰৱেশ নিষেধ

# দুৰ্গা পূজাৰ সময়ছোৱাত ডুমডুমা চহৰত আৰক্ষী প্ৰশাসনৰ ৱাকিং জ'ন ঘোষণা

## যান-বাহন প্ৰৱেশ কৰিব নিদিয়াক লৈ ডুমডুমা ৰে'লৱে ক্ৰচিঙত উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৭ অক্টোবৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী। চৌদিশে দুৰ্গোৎসৱৰ আনন্দ-উল্লাস। ১২৩ বছৰ গৰকা ডুমডুমা অসমীয়া দুৰ্গা পূজা সমিতিয়েও বৈদিক প্ৰথাৰে দুৰ্গা পূজাৰ অনুষ্ঠিত কৰিছে। ইয়াৰ উপৰি ডুমডুমা চহৰত চৌধ্যখন দুৰ্গা পূজা অনুষ্ঠিত হৈছে। দেৱী বন্দনাৰে মুখৰিত পূজা থলী সমূহত ইতিমধ্যে দৰ্শনাৰ্থীৰ ভিৰ কিছু পৰিলক্ষিত হৈছে। ডুমডুমা নগৰত দুৰ্গা পূজাৰ সময়ত সুচল যাতায়তৰ বাবে ডুমডুমা সম-জিলা আৰক্ষী প্ৰশাসনে কিছু পথ নিৰ্দেশনা জাৰি কৰিছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি পূজাৰ কেইদিন বিয়লি ৩:০০ বজাৰ পৰা নিশা ১১:০০ বজালৈ, অথবা জনসমাগম স্বাভাৱিক নোহোৱা পৰ্যন্ত-ডুমডুমা নগৰৰ সকলো প্ৰৱেশ পথ বন্ধ থাকিব। নগৰখনৰ সকলো পথ পদপথ (Walking Zone) হিচাপে ব্যৱহাৰ কৰা হ'ব। ডুমডুমা ৰে'লৱে ক্ৰছিং হৈ (NH37) ডুমডুমা নগৰত প্ৰৱেশ কৰা পথটো দুপৰীয়া ৩:০০ বজাৰ পৰা ৰাতি ১১:০০ বজালৈ বাহন চলাচলৰ বাবে বন্ধ থাকিব। এই পথেৰে আহিবলগীয়া বাহন সমূহ বাঘজান পথৰ কাষত, গড়কাপ্তানী পথৰ কাষত লগতে মুকলি স্থানত উপলব্ধ (যেনে বিছাকুপি চাহ বাগিচাৰ বিপৰীতে থকা নিৰ্দিষ্ট পথৰ কাষৰ অংশ আৰু য'তে সম্ভৱ) পাৰ্কিং কৰিব লাগিব। আনহাতে বাইপাছৰ (NH 15) পৰা অহা ৮নং চুক্ৰেটিং আৰু বাদলাভেটা চাহ বাগিচা পথেৰে ডুমডুমা নগৰলৈ আহিবলগীয়া বাহনসমূহ ড০ ভূপেন হাজৰিকা উদ্যানৰ সন্মুখত ৰাখিব লাগিব আৰু উদ্যানৰ সন্মুখত থকা মুকলি ঠাইত পাৰ্কিং কৰিব পাৰিব। তাৰ পৰা দৰ্শনাৰ্থীসকলে পদব্ৰজে নগৰত প্ৰৱেশ কৰি পূজা উপভোগ কৰিব পাৰিব। তদুপৰি দুৰ্গা পূজাৰ সময়ছোৱাত নগৰৰ বৰ্ডিং পথ, আজাদ পথ, জাকিৰ হুছেইন পথ, জি. এন. বি. পথ, উদ পথ আৰু পুৰণি এ টি ৰোড (কুমাৰীপট্টি) পথকেইটা বিয়লি ৩ বজাৰ পৰা নিশা ১১ বজালৈ বাহন চলাচলৰ বাবে বন্ধ থাকিব। এই সময়ছোৱাত অগ্নি নিৰ্বাপক বাহিনী আৰু জৰুৰীকালীন সেৱা তথা প্ৰশাসনৰ পৰা অনুমতি লাভ কৰা বাহন সমূহ চলাচল কৰিব পাৰিব। দুৰ্গা পূজা উদযাপনৰ এই সময়ছোৱাত জনসাধাৰণৰ সুৰক্ষা আৰু সুচল যাতায়ত ব্যৱস্থাপনাৰ স্বাৰ্থত জাৰি কৰা হৈছে। আনহাতে আজি বিয়লি প্ৰায় ৪-৩০ বজাত ডুমডুমা আৰক্ষীয়ে চহৰখনলৈ সোমাই যোৱা ৰেল ক্ৰচিঙত প্ৰৱেশ বন্ধ কৰি দিয়াত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উক্ত পথেৰে নিজ গৃহ তথা অন্যান্য কামত যাবলৈ অহা প্ৰায় শতাধিক মটৰচাইকেল আৰু চাৰিচকীয়া বাহন হঠাতে আবদ্ধ হৈ পৰাত আৰক্ষী প্ৰশাসনৰ সিদ্ধান্তক সমালোচনা কৰি এনেদৰে পথ বন্ধ কৰাতো কেতিয়াও মানি লোৱা নহ'ব বুলি উল্লেখ কৰি পথৰ ওপৰতে বাহনসমূহ ৰখাই থোৱাত যাতায়ত ব্যাহত হৈ পৰে। অৱশেষে প্ৰায় আধাঘণ্টামানৰ পাছত পথটো মুকলি কৰি দিয়াত এই যান-জঁট শাম কাটে।

# পুৰণিগুদামত জুবিন গাৰ্গ সোঁৱৰণী শাৰদীয় শিশু গ্ৰন্থমেলা আৰম্ভ

## গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধন কৰিলে নগাঁও জিলা আয়ুক্ত আৰণ্যক শইকীয়াই




**অসম বাৰ্তা, পুৰণিগুদাম, ১৭ অক্টোবৰ ঃ** শতাব্দী প্ৰাচীন বেল কাঠৰ দুৰ্গা প্ৰতিমাখ্যাত পুৰণিগুদামৰ দুৰ্গাপূজাৰ লগত সংগতি ৰাখি ধাৰাবাহিকভাবে চলি থকা শাৰদীয় শিশু গ্ৰন্থমেলাখনি পুৰণিগুদাম প্ৰেছ ক্লাবৰ উদ্যোগত আজিৰে পৰা সদ্য প্ৰয়াত সাংবাদিক নয়নমণি বৰা সোঁৱৰণী ক্ষেত্ৰত আৰম্ভ হৈছে। "আপোনাৰ শিশুটিক এটি পুতলা পিষ্টলৰ সলনি এখন গ্ৰন্থ উপহাৰ দিয়ক" শীৰ্ষক বাণীৰে ১৯৯৬ চনতে আৰম্ভ হোৱা গ্ৰন্থমেলাখনি এইবেলি একত্ৰিংশতম বৰ্ষত অৱতীৰ্ণ হৈছে। শিল্পী জুবিন গাৰ্গ সোঁৱৰণী উক্ত গ্ৰন্থমেলাখনিৰ আজি পুৱাবেলা দ্বাৰ উদ্বোধন কৰে নগাঁও জিলা আয়ুক্ত আৰণ্যক শইকীয়াই। অনুষ্ঠানৰ আঁত ধৰে প্ৰেছ ক্লাবৰ উপদেষ্টা নীলৰঞ্জন শৰ্মাই। গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধন কৰাৰ পাছতে আয়ুক্তগৰাকীয়ে শিশুসকলৰ মাজত ক্ষন্তেক বাৰ্তালাপ কৰি পাছত ভাষণত আয়ুক্ত গৰাকীয়ে নিজৰ শৈশৱৰ কথা স্মৰণ কৰাৰ লগতে পুৰণিগুদাম প্ৰেছ ক্লাবৰ এই প্ৰচেষ্টাক শলাগ লয়। গ্ৰন্থমেলাৰ দ্বাৰ উদ্বোধনৰ পূৰ্বে পুৱা ৯-৩০ বজাত পুৰণিগুদাম প্ৰেছক্লাৱ আৰু শিশু গ্ৰন্থমেলাৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে প্ৰেছ ক্লাৱৰ সভাপতি তপন কটকী আৰু উদ্‌যাপন সমিতিৰ সভাপতি জ্যোতিৰ্ময় গোস্বামীয়ে। ইয়াৰ পাছতে সতীৰ্থ সাংবাদিক প্ৰয়াত জয়ন্ত কুমাৰ ভূঞা, দিগন্ত ভূঞা, ধনটি হীৰা আৰু নয়নমণি বৰাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উক্ত অনুষ্ঠানৰ পাছতেই "সকলোৰে পাব পুৰস্কাৰ" শীৰ্ষক নামেৰে ছাত্ৰ ছাত্ৰীসকলৰ মাজত এখনি চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত চিত্ৰাংকণ প্ৰতিযোগিতাৰ "ক" শাখাত প্ৰথম শ্বেতা বৰা, দ্বিতীয় দৰ্শন বৰা, তৃতীয় মাম্পী বৰা আৰু তনুশ্ৰী বৰাই নিচুকনি বঁটা লাভ কৰে। "খ" শাখাত প্ৰথম আয়ন কৰিব, দ্বিতীয় বৰ্ণিল কাশ্যপ শইকীয়া, তৃতীয় বৈশালী ভূঞা, নিচুকণি বঁটা লাভ কৰে নীহাৰিকা হালৈয়ে। "গ" শাখাত প্ৰথম ধৃতিৰাজ কাশ্যপ, দ্বিতীয় অভিজ্ঞান কৌশিক বৰা, চিন্ময়ী শৰ্মা আৰু দ্বিবাংশু প্ৰিয়ম বৰাই নিচুকনি বঁটা লাভ কৰে। বিয়লি ৫ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধা জ্ঞাপন কৰে সমাজকৰ্মী ৰাজেন বেজবৰুৱা আৰু প্ৰেমানন্দ বৈৰাগীয়ে। ইয়াৰ পাছতে সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। উক্ত অনুষ্ঠানত এগৰাকী কণমানি শিল্পী জেচমিন খাতুনে জুবিন গাৰ্গৰ দুটি গীত পৰিৱেশন কৰি শুভাৰম্ভ কৰে। ১৮ অক্টোবৰৰ দুপৰীয়া ২ বজাৰ পৰা জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ পুৰণিগুদাম শাখাৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'ব "পত্ৰ লেখন প্ৰতিযোগিতা।" উক্ত প্ৰতিযোগিতাখন উদ্বোধন কৰিব জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক প্ৰাগজ্যোতিষ বনিয়াই। বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব লেখক-পাঠকৰ অন্তৰংগ অনুষ্ঠান। বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰনাথ গায়নে উদ্বোধন কৰিবলগা এই অনুষ্ঠানটি সঞ্চালনা কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি দ্বিপেন বৈৰাগীয়ে। সন্ধিয়া "অংগাভিনয় অসম" আৰু নটৰাজ নৃত্য সাধনা কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। ১৯ অক্টোবৰৰ বিয়লী কুইজ প্ৰতিযোগিতা আৰু সন্ধিয়া পুৰণিগুদাম সংগীত বিদ্যালয়ৰ উদ্যোগত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাৰ্ঘৰে অনুষ্ঠিত হ'ব সাংস্কৃতিক অনুষ্ঠান। ২০ অ'ৌবৰৰ বিয়লি ৩ বজাৰ পৰা শতদল শাখা সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হ'ব "কবি সন্মিলন" আৰু গ্ৰন্থ উন্মোচনী সভা। সন্ধিয়া ৫ বজাত হ'ব শিশুনাট প্ৰদৰ্শন। নাট্যশিল্পী তথা সাংবাদিক সীমান্ত কলিতাৰ দ্বাৰা পৰিচালিত উক্ত নাট উদ্বোধন কৰিব বিশিষ্ট নাট্যকাৰ পৰিচালক দীপক বৰাই। ২১ অক্টোবৰ বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব লেখক-পাঠকৰ অন্তৰংগ আলাপ আৰু সন্ধিয়া ৭ বজাৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৰচিত "পাৰিজাত হৰণ" নাটক পৰিৱেশন কৰিব শঙ্খধ্বনি শিল্পী সমাজ পুৰণিগুদামৰ শিল্পীসকলে। ইফালে, ১২৪ বছৰ অতিক্ৰম কৰা শতাব্দী প্ৰাচীন পুৰণিগুদামৰ কাঠৰ দুৰ্গা প্ৰতিমা দৰ্শন কৰিবলৈ ষষ্ঠীৰ পৰাই পুৰণিগুদামলৈ আগমন ঘটিছে অসমৰ বিভিন্ন প্ৰান্তৰ ভক্তগন। কাঠৰ প্ৰতিমা আৰু শিশু গ্ৰন্থমেলাই নগাঁও জিলাৰ ভিতৰতেই শাৰদীয় বতৰত পুৰণিগুদামক আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি তুলিছে।

### ষষ্ঠীৰ পৰাই পুৰণিগুদামলৈ আগমন ঘটিছে অগণন ভক্তৰ

# আই.এন.টি.ইউ.চি. অসমৰ সভাপতি ৰমেন চন্দ্ৰ বৰঠাকুৰৰ নেতৃত্বক আইনী স্বীকৃতি

## বিচাৰপীঠৰ নিষেধাজ্ঞা স্থগিত আদালতৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৭ অক্টোবৰ ঃ** ইণ্ডিয়ান নেচনেল ট্ৰেড ইউনিয়ন কংগ্ৰেছ (INTUC)ৰ ৰাষ্ট্ৰীয় সম্পাদক তথা অসম প্ৰদেশ শাখাৰ সভাপতি ৰমেন চন্দ্ৰ বৰঠাকুৰৰ বৈধ নেতৃত্বক প্ৰত্যাহ্বান জনাই সক্ৰিয় হৈ পৰা স্বঘোষিত তথা অবৈধ এডহক কমিটিৰ মুখা সম্পূৰ্ণৰূপে খহি পৰিছে। গুৱাহাটীৰ চিভিল জজ (চিনিয়ৰ ডিভিজন) নং- ১ আদালতত বিচাৰাধীন মিচ আপীল নং ২২/২০২৬-ৰ শুনানিত ন্যায়ালয়ে এক ঐতিহাসিক ৰায়দান কৰি নিম্ন আদালতৰ ১ আগষ্ট, ২০২৬ৰ একপক্ষীয় নিষেধাজ্ঞা আদেশৰ কাৰ্যকৰীতা সম্পূৰ্ণৰূপে স্থগিত কৰিছে। আদালতে গোচৰৰ শুনানি গ্ৰহণ কৰি স্পষ্ট কৰি দিয়ে যে স্বঘোষিত তথা অবৈধ "অসম প্ৰদেশ INTUC (ৰেড্ডী গোট)" নামৰ কমিটিখনৰ কোনো বৈধ পঞ্জীয়ন বা আইনী অস্তিত্বই নাই। শ্ৰমিক আয়ুক্তৰ কাৰ্যালয়ৰ আৰ.টি.আই. (RTI) তথ্য অনুসৰি পঞ্জীয়নবিহীন এই কমিটিখন সম্পূৰ্ণ ভুৱা আৰু প্ৰৱঞ্চনামূলক বুলি প্ৰমাণিত হৈছে। তদুপৰি, উচ্চতম ন্যায়ালয়ৰ মৰ্গান ষ্টেনলি মিউচুৱেল ফাণ্ড বনাম কাৰ্তিক দাস গোচৰৰ মূল নীতিসমূহ উল্লেখ কৰি আদালতে এই কথাও ফাদিল কৰিছে যে INTUCৰ সংবিধানৰ ১২(ফ) অনুচ্ছেদ অনুসৰি কোনো আডহক কমিটি গঠনৰ কোনো সাংবিধানিক বিধানেই নাই। নিম্ন আদালতে অবিবেচনাষীভাৱে কোনো বৈধ নথিপত্ৰ নোহোৱাকৈয়ে পূৰ্বে একপক্ষীয় আদেশ জাৰি কৰিছিল বুলিও আদালতৰ পৰ্যবেক্ষণত স্পষ্ট হৈছে। এই সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সভাপতি ৰমেন চন্দ্ৰ বৰঠাকুৰে কটাক্ষ কৰি কয়, "কিছুমান স্বাৰ্থান্বেষী মহলে আইনক ভেঙুচালি কৰি আৰু ভুৱা নথিপত্ৰৰ সহায়ত INTUC-ৰ দৰে ঐতিহাসিক শ্ৰমিক সংগঠনটোক অপদস্থ কৰাৰ এক নিকৃষ্ট কুচকাৱাজ চলাইছিল। আজি ন্যায়ালয়ে পোনপটীয়াকৈ প্ৰমাণ কৰি দিলে যে এই তথাকথিত এডহক কমিটিখন সম্পূৰ্ণ অবৈধ, পঞ্জীয়নহীন আৰু ভুৱা। তেওঁলোকৰ সকলো ভুৱা প্ৰচাৰ আৰু কূটাঘাতমূলক প্ৰচেষ্টা আদালতত ধূলিসাৎ হৈছে।" বৰঠাকুৰে দ্বিধাহীনভাৱে ঘোষণা কৰে যে অবৈধ শক্তিয়ে শ্ৰমিকৰ অধিকাৰ কাঢ়ি লোৱাৰ যি ষড়যন্ত্ৰ ৰচিছিল, তাক উপযুক্ত আইনী যুঁজেৰে সম্পূৰ্ণৰূপে প্ৰতিহত কৰা হ'ব। তেওঁ অসমৰ শ্ৰমিক সমাজ, দলীয় কৰ্মকৰ্তা আৰু শুভাকাংক্ষী সকলক এই সুবিধাবাদী চক্ৰটোৰ প্ৰৱঞ্চনাৰ পৰা সাৱধান থাকিবলৈ আৰু একত্ৰিত হৈ শ্ৰমিকৰ স্বাৰ্থত কাম কৰি যাবলৈ তীব্ৰ আহ্বান জনাইছে। সংগঠনটোক সংবিধানসন্মতভাৱে তৃণমূল পৰ্যায়লৈকে অধিক শক্তিশালী কৰি তোলা হব বুলি তেওঁ পুনৰ সংকল্প গ্ৰহণ কৰে।

# ২৪ নং বাহিনী সশস্ত্ৰ সীমা বলৰ (SSB) উদ্যোগত বৃহৎ বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন




**অসম বাৰ্তা, মঙলদৈ, ১৭ অক্টোবৰ ঃ** ২৪ নং বাহিনী সশস্ত্ৰ সীমা বল, ৰঙিয়াৰ কমাণ্ডেণ্ট শ্ৰী এইচ. কে. গুপ্তাৰ দক্ষ নিৰ্দেশনাত ১৭ অক্টোবৰ ২০২৬ তাৰিখে বাহিনী চিকিৎসালয়ত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (AIIMS), গুৱাহাটীৰ চিকিৎসকসকলৰ সহযোগত এক বৃহৎ বিনামূলীয়া চিকিৎসা শিবিৰৰ আয়োজন কৰা হয়। ২৪ নং বাহিনী সশস্ত্ৰ সীমা বলৰ আমন্ত্ৰণত আয়োজিত উক্ত চিকিৎসা শিবিৰত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান (AIIMS), গুৱাহাটীৰ মেডিচিন, অস্থিৰোগ, শল্য চিকিৎসা, স্ত্ৰীৰোগ, চকুৰোগ, নাক-কাণ-ডিঙি (ই এনটি), শিশুৰোগ আৰু হৃদৰোগ বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলে বাহিনীৰ জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ স্বাস্থ্য পৰীক্ষা কৰে। ইয়াৰ উপৰি, চিকিৎসকসকলে প্ৰয়োজনীয় চিকিৎসা পৰামৰ্শ প্ৰদান কৰাৰ লগতে প্ৰয়োজনীয় ৰোগীসকলক বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰে। এই উপলক্ষে ২৪ নং বাহিনী সশস্ত্ৰ সীমা বলৰ কমাণ্ডেণ্ট শ্ৰী এইচ. কে. গুপ্তাই AIIMS, গুৱাহাটীৰ পৰা অহা চিকিৎসকৰ দলটোক আদৰণি জনোৱাৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰে আৰু এই জনকল্যাণমূলক পদক্ষেপত মূল্যৱান সহযোগিতা আগবঢ়োৱাৰ বাবে চিকিৎসকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। এই চিকিৎসা শিবিৰৰ মূল উদ্দেশ্য আছিল বাহিনীৰ জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলক উন্নত স্বাস্থ্যসেৱা প্ৰদান কৰা, বিভিন্ন ৰোগৰ বিষয়ে সজাগতা বৃদ্ধি কৰা আৰু সময়মতে বিশেষজ্ঞ চিকিৎসকৰ পৰামৰ্শ লাভ কৰাটো নিশ্চিত কৰা। এই পদক্ষেপৰ জৰিয়তে বাহিনীৰ জোৱান আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকল বিশেষভাৱে উপকৃত হয়। লগতে, বাহিনী আৰু এখন আগশাৰীৰ চিকিৎসা প্ৰতিষ্ঠানৰ মাজত পাৰস্পৰিক সমন্বয় আৰু সহযোগিতা অধিক শক্তিশালী হয়।

# টুক্ৰেশ্বৰী দেৱালয়ত ৰজাদিনীয়া পৰম্পৰাৰে দুৰ্গোৎসৱ আৰম্ভ

**অসম বাৰ্তা, কৃষ্ণাই, ১৭ অক্টোবৰ ঃ** গোৱালপাৰা জিলাৰ ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী টুক্ৰেশ্বৰী দেৱালয়ত ৰজাদিনীয়া পৰম্পৰা অক্ষুণ্ণ ৰাখি আৰম্ভ হৈছে শাৰদীয় দুৰ্গোৎসৱ। ঊনবিংশ শতিকাৰ দ্বিতীয় দশকত বিজনী ৰাজ্যৰ ৰজা কুমুদ নাৰায়ণে স্থাপন কৰা বুলি জনপ্ৰচলিত এই দেৱালয়ত মৃণ্ময় প্ৰতিমা অবিহনে পৰম্পৰাগত ৰীতি-নীতিৰে দুৰ্গাপূজা অনুষ্ঠিত কৰা হয়। প্ৰতি বছৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শ শ ভক্তই দেৱালয়ত পূজা-অৰ্চনা আগবঢ়ায়। ষষ্ঠী পূজাৰ অন্তত আজি সন্ধিয়া পৰম্পৰাগত ৰীতি অনুসৰি বেলবৰণ কাৰ্য সম্পন্ন কৰা হয়। দেৱালয়ৰ সমীপৱৰ্তী হাদীগাঁৱৰ এজোপা বিশেষ বেলগছৰ পৰা ৰজাদিনীয়া নীতি-নিয়মেৰে বেলবৰণ কৰি দেৱালয়লৈ অনা হয়। দেৱালয়ৰ পৰম্পৰা অনুসৰি, অষ্টমী তিথিত ভক্তসকলে নিজৰ পৰিয়ালৰ মংগল কামনাৰে পঠা ছাগলী, হাঁহ আৰু পাৰ চৰাই বলি হিচাপে আগবঢ়ায়। দেৱালয় পৰিচালনা সমিতিয়ে জানিবলৈ দিয়া মতে, এইবাৰ অষ্টমীত প্ৰায় ৩০টা ছাগলী, ৯০টা হাঁহ আৰু শতাধিক পাৰ চৰাই বলি দিয়াৰ পৰিকল্পনা কৰা হৈছে। আনহাতে, মহানৱমীত এটা ম'হ বলি দিয়াৰ বাবেও পৰিচালনা সমিতিয়ে প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। উল্লেখযোগ্য যে, এই দেৱালয়ত মহানৱমীত বলি দিয়া ম'হৰ তেজ কপিকূলে পান কৰে বুলি জনশ্ৰুতি আছে। কৃষ্ণাইৰ পৰা মাত্ৰ পাঁচ কিলোমিটাৰ দূৰত ১৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত অৱস্থিত ঐতিহাসিক টুক্ৰেশ্বৰী দেৱালয়ত ৰজাদিনৰ পৰাই দুৰ্গোৎসৱৰ পৰম্পৰা অব্যাহত আছে। জনশ্ৰুতি অনুসৰি, এই টুকুৰা পাহাৰৰ শিখৰতেই শক্তিদেৱীৰ বাওঁ উৰু পতিত হৈছিল। ধৰ্মীয় বিশ্বাস আৰু ঐতিহাসিক পৰম্পৰাৰ বাবে দেৱালয়খন আজিও ভক্তপ্ৰাণ লোকৰ আকৰ্ষণৰ কেন্দ্ৰ হৈ আছে।

# গোসাঁইগাঁৱত বিটিচিৰ প্ৰাক্তন এমচিএলএ প্ৰয়াত বক্তাৰ আলী আহমেদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, গোসাঁইগাঁও, ১৭ অক্টোবৰ ঃ** গোসাঁইগাঁৱত আজি বিটিচিৰ প্ৰাক্তন এমচিএলএ প্ৰয়াত বক্তাৰ আলী আহমেদৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে এখন শ্ৰদ্ধাঞ্জলিগ্ৰন্থ উন্মোচন কৰা হয়। ধৰ্মীয় সংখ্যালঘু পৰিষদৰ উদ্যোগত গোসাঁইগাঁৱৰ গুৱাবাৰীত প্ৰয়াত নেতাগৰাকীৰ নিজ বাসগৃহত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। 'TRIBUTE BOOK'ৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনত প্ৰয়াত বক্তাৰ আলী আহমেদৰ জীৱন, কৰ্মৰাজি, সমাজসেৱা আৰু সমাজৰ প্ৰতি আগবঢ়োৱা অৱদানৰ বিষয়ে বিস্তৃতভাৱে আলোকপাত কৰা হৈছে। গ্ৰন্থখনৰ জৰিয়তে তেওঁৰ জীৱনাদৰ্শ আৰু কৰ্মৰাজি নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ লগতে তেওঁৰ স্মৃতি চিৰযুগমীয়া কৰাৰ প্ৰয়াস কৰা হৈছে। অনুষ্ঠানত বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদ, ধৰ্মীয় সংখ্যালঘু পৰিষদৰ সভাপতি আব্দুল ছাত্তাৰ আহমেদৰ লগতে পৰিষদৰ বিষয়ববীয়া, স্থানীয় বিশিষ্ট ব্যক্তিসকল আৰু প্ৰয়াত আহমেদৰ আত্মীয়-স্বজন উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিটিচিৰ কাৰ্যবাহী সদস্য বেগম আখতাৰা আহমেদে কয় প্ৰয়াত বক্তাৰ আলী আহমেদ এগৰাকী সৎ, নিষ্ঠাৱান আৰু সমাজৰ প্ৰতি দায়বদ্ধ ব্যক্তি আছিল। তেওঁ কয় যে প্ৰয়াত আহমেদৰ বিয়োগ সমাজৰ বাবে এক অপূৰণীয় ক্ষতি। সমাজৰ প্ৰতি তেওঁৰ অৱদান আৰু কৰ্মৰাজি সদায় স্মৰণীয় হৈ থাকিব বুলিও তেওঁ মন্তব্য কৰে। আনহাতে প্ৰয়াত বক্তাৰ আলী আহমেদৰ স্মৃতি সংৰক্ষণ আৰু তেওঁৰ আদৰ্শ তথা সমাজসেৱাৰ কৰ্মৰাজি ভৱিষ্যৎ প্ৰজন্মৰ মাজত প্ৰচাৰ কৰাৰ ক্ষেত্ৰত এই শ্ৰদ্ধাঞ্জলি গ্ৰন্থখনে বিশেষ ভূমিকা পালন কৰিব বুলি অনুষ্ঠানত উপস্থিত ব্যক্তিসকলে আশা প্ৰকাশ কৰে।

# কৃষ্ণাইত দেৱী বন্দনাৰে মুখৰ চৌদিশ; ১৬খন মণ্ডপত দুৰ্গাপূজাৰ আয়োজন

**অসম বাৰ্তা, কৃষ্ণাই, ১৭ অক্টোবৰ ঃ** সমগ্ৰ ৰাজ্যৰ লগতে গোৱালপাৰা জিলাতো শাৰদীয় দুৰ্গোৎসৱক কেন্দ্ৰ কৰি সৃষ্টি হৈছে উখল-মাখল পৰিৱেশ। আজি পঞ্চমী পূজাৰ দিনা কৃষ্ণাইৰ বিভিন্ন পূজা মণ্ডপত দেৱী দুৰ্গাৰ বন্দনা, পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ আৰু শংখ-ঘণ্টা, ঢাক-ঢোলৰ ধ্বনিয়ে এক ভক্তিময় পৰিৱেশৰ সৃষ্টি কৰে। জানিব পৰা মতে, এইবেলি কৃষ্ণাই থানাৰ অন্তৰ্গত মুঠ ১৬খন পূজা মণ্ডপত শাৰদীয় দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। ইয়াৰ ভিতৰত কৃষ্ণাই বাবুপাৰা স্পৰ্টিং ক্লাব, জাগ্ৰত পাৰা, কৰ্মকাৰপাৰা, আশুডুবি, দুৰ্গাবাৰী, পাখিৰীগুৰি, শীতলাবাৰী, জ্যোতিনগৰ অপ্সৰা ক্লাব, জ্যোতিনগৰ সৰ্বজনীন পূজা, জয় সাহাৰ গৃহৰ পূজা, চাপ্ৰাকলনী, খাৰদাং, হাৰিমুৰা-ধাইগাঁও আদি অঞ্চলৰ পূজা মণ্ডপসমূহ উল্লেখযোগ্য। ইয়াৰ উপৰি অসম-মেঘালয় সীমান্তৱৰ্তী মেন্দিপথাৰ, জিৰা আৰু নাবং অঞ্চলতো দুৰ্গাপূজাৰ আয়োজন কৰা হৈছে। আনহাতে, ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী টুক্ৰেশ্বৰী দেৱালয়তো পৰম্পৰাগতভাৱে দুৰ্গোৎসৱৰ আয়োজন কৰা হৈছে। ইতিমধ্যে পূজাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰি বিভিন্ন মণ্ডপ আটকধুনীয়া আলোকসজ্জাৰে সজাই-পৰাই তোলা হৈছে। মণ্ডপসমূহত দেৱী বন্দনাৰ লগতে ভক্ত আৰু দৰ্শনাৰ্থীৰ সমাগমে উৎসৱৰ আনন্দ অধিক বৃদ্ধি কৰিছে। ষষ্ঠী পূজাৰ জৰিয়তে দুৰ্গোৎসৱৰ পৰৱৰ্তী কাৰ্যসূচী আগবঢ়াৰ লগতে অহা ২১ অক্টোবৰত দেৱী প্ৰতিমা বিসৰ্জন দিয়া হ'ব বুলি জানিব পৰা গৈছে।

# ডিব্ৰুগড়ত সাংস্কৃতিক মহাসভা, অসমৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৭ অক্টোবৰ ঃ** সাংস্কৃতিক মহাসভা, অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ঘনকান্ত ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত অহা ১ নৱেম্বৰ দেওবাৰে ডিব্ৰুগড়ৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা ভৱনত ১৮ সংখ্যক প্ৰতিষ্ঠা দিৱস দিনযোৱা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব। ডিব্ৰুগড় সদৰ আঞ্চলিক সমিতিৰ সহযোগত আৰু ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া প্ৰতিষ্ঠা দিৱসৰ সফল উদ্‌যাপনৰ বাবে তিনিখন উপ-সমিতি গঠন কৰা হয়। পতাকা উত্তোলন আৰু সভা আৰম্ভণি গীত পৰিৱেশন উপ-সমিতিত মীৰ্জা নিয়ামুদ্দিন আহমেদক সভাপতি, টুটুমণি বৰুৱাক সম্পাদিকা, অভ্যৰ্থনা উপ-সমিতিত গুণ মহন্ত গোস্বামীক সভাপতি, সান্ত্বনা বৰুৱা শৰ্মাক সম্পাদিকা, মঞ্জু বৰগোহাঁইগগৈক সহঃসম্পাদিকা, প্ৰতিযোগিতা উপ-সমিতিত চিত্ৰা দেৱীক সভাপতি, সুবোধ বৰুৱা, সীমা কলিতাক যুটীয়া সম্পাদক হিচাপে লৈ উপ-সমিতি কেইখন গঠন কৰা হয়। জিলাখনৰ চাৰি গৰাকী শিল্পী আৰু সাংস্কৃতিক কৰ্মীক সম্বৰ্ধনা জনোৱাৰো সিদ্ধান্তগ্ৰহণ কৰা হয়। এই সভাত সাংস্কৃতিক মহাসভা, অসমৰ ডিব্ৰুগড় জিলা সমিতিৰ কাৰ্যকৰী সভাপতি ড° হেমন্ত কুমাৰ দাস, জিলা উপ-সভাপতি সুৰজিতা সন্দিকৈ গগৈ, ডিব্ৰুগড় সদৰ আঞ্চলিক সমিতিৰ উপদেষ্টা মৃদুল শৰ্মাৰ লগতে সদৰ আঞ্চলিক সমিতি আৰু জিলা সমিতিৰ কেই বাগৰাকীও বিষয়ববীয়া উপস্থিত থাকে বুলি সাধাৰণ সম্পাদক চন্দন জ্যোতি কলিতাই জানিবলৈ দিয়ে।

# বকোৰ দিলিঙ্গাত মা পাৰ্বতী দেৱীৰ বাৰ্ষিক পূজা আৰু কাতি বিহুৰ ব্যাপক আয়োজন

**অসম বাৰ্তা, বকো, ১৭ অক্টোবৰ ঃ** পৌৰাণিক পৰম্পৰা অক্ষুণ্ণ ৰাখি দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে পূজা আৰু বৰ সবাহৰ আয়োজন। কামৰূপ জিলাৰ বকোৰ দিলিঙ্গাত গঞা ৰাইজৰ উদ্যোগত পৰম্পৰাগতভাৱে উদযাপন কৰি অহা পবিত্ৰ কাতি বিহু আৰু শ্ৰী শ্ৰী মা পাৰ্বতী দেৱীৰ বাৰ্ষিক পূজাক কেন্দ্ৰ কৰি অঞ্চলটোত ব্যাপক প্ৰস্তুতি চলিছে। প্ৰতি বছৰে ধৰ্মীয় ৰীতি-নীতি আৰু পৌৰাণিক পৰম্পৰা ৰক্ষা কৰি অনুষ্ঠিত কৰি অহা এই পূজা আৰু কাতি বিহু এইবেলিও দুদিনীয়া বিস্তৃত কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। দিলিঙ্গাস্থিত শ্ৰী শ্ৰী মা পাৰ্বতী মন্দিৰৰ আশ্ৰয়ত গঞা ৰাইজৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া এই ধৰ্মীয় অনুষ্ঠানটোৱে অঞ্চলটোৰ ৰাইজৰ মাজত আধ্যাত্মিক চেতনা, ভক্তিভাৱ আৰু সামাজিক সম্প্ৰীতিৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। আয়োজক সমিতিৰ সভাপতি ৰাজেশ্বৰ কলিতা, উপ-সভাপতি সনাতন দাস, সম্পাদক লোহিত দাস আৰু সহ-সম্পাদক ৰাতুল দাসে জনোৱা অনুসৰি, অহা ১৮ আৰু ১৯ অক্টোবৰ, অৰ্থাৎ ৩০ আহিন আৰু ১ কাতিত দুদিনীয়া কাৰ্যসূচীৰে মা পাৰ্বতী দেৱীৰ বাৰ্ষিক পূজা, কাতি বিহু আৰু বৰ সবাহৰ আয়োজন কৰা হৈছে। এই ধৰ্মীয় অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছে। অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ বৃহত্তৰ অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তি আৰু ভক্তপ্ৰাণ ৰাইজক আমন্ত্ৰণ জনোৱা হৈছে বুলিও আয়োজক সমিতিয়ে জানিবলৈ দিয়ে। উল্লেখ্য যে, এনে ধৰ্মীয় আৰু সামাজিক অনুষ্ঠানে কেৱল আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰাই নহয়, বৰঞ্চ স্থানীয় ৰাইজৰ মাজত একতা, ভাতৃত্ববোধ আৰু সম্প্ৰীতিৰ বান্ধোন অধিক সুদৃঢ় কৰাতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন